www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ভৱিষ্যতে আমি যি হ'ব বিচাৰো, সেয়া বৰ্তমান অৱস্থাৰ কাম-কাজে নিৰূপন কৰে। সেইবাবে আমি কেনেকৈ কি কৰা উচিত সেইটো জনা দৰকাৰ। - স্বামী বিবেকানন্দ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ সপ্তম বছৰ ❐ সংখ্যা - ৯ ❐ দেওবাৰ ❐ ১১ জানুৱাৰী, ২০২৬চন ❐ ২৬ পুহ, ১৯৪৭ শক ❐ VOL - 7 ❐ NO.- 9 ❐ Sunday ❐ 11th January, 2026 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

কংগ্ৰেছত যোগদানৰ খবৰ অস্বীকাৰ কৰি সামাজিক মাধ্যমত বিবৃতি

## নিৰ্বাচনৰ পূৰ্বে ৰাজনীতিত প্ৰৱেশ কৰিব প্ৰাক্তন ছাত্ৰ নেতা শংকৰজ্যোতি বৰুৱাই



**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক মহলত নতুন জল্পনাৰ সৃষ্টি হৈছে। অসম ছাত্ৰ সন্থাৰ (আছু) প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই ৰাজনীতিত সক্ৰিয়ভাৱে অৱতৰণ কৰিব পাৰে বুলি বিভিন্ন মহলত ব্যাপক আলোচনা চলিছে। বিশেষকৈ ⏩ ৬ পৃষ্ঠাত

বিহালীত গৰজি উঠিল সাংসদ ৰঞ্জিত দত্ত

## কংগ্ৰেছৰ ঠিকনা এতিয়া ৰাইজৰ পৰিৱৰ্তে থানা

**অসম বাৰ্তা, বিহালী, ১০ জানুৱাৰী ঃ** শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা জ্যেষ্ঠ বিজেপি নেতা ৰঞ্জিত দত্তই আজি বিহালীত এক সংবাদমেল যোগে বিৰোধী শিবিৰক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয়। ৰাজ্যৰ ⏩ ৬ পৃষ্ঠাত

## জ্যেষ্ঠ অধিবক্তাসকলৰ সমিতি গঠন অসম প্ৰদেশ কংগ্ৰেছৰ




জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া নিৰীক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসমৰ প্ৰিয় সাংস্কৃতিক আইকন তথা জনপ্ৰিয় গায়ক-সুৰকাৰ-অভিনেতা ⏩ ৬ পৃষ্ঠাত

■ পাকিস্তান-চীনৰ হেঁচাৰ মাজত নতুন কূটনৈতিক অধ্যায় ■

## দিল্লীত তালিবানৰ প্ৰথম ৰাষ্ট্ৰদূতৰ নিযুক্তি

নূৰ আহমেদ নূৰেৰ দায়িত্ব গ্ৰহণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** শেহতীয়াকৈ দিল্লীত তালিবান চৰকাৰৰ প্ৰথমগৰাকী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে নূৰ আহমেদ নূৰক। এই পদক্ষেপৰ ফলত ভাৰতে ⏩ ৬ পৃষ্ঠাত

আগৰবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত ষ্ট্ৰীট লাইট উদ্বোধন কৰিবলৈ লওঁতেই অঘটন

## মৰিয়নিত গেছ পাইপ লাইন বিস্ফোৰণত কথমপি প্ৰাণ ৰক্ষা কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ



**অসম বাৰ্তা, মৰিয়নি, ১০ জানুৱাৰী ঃ** ভয়ংকৰ অগ্নিকাণ্ডৰ পৰা কথমপি ৰক্ষা পৰে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ ⏩ ৭ পৃষ্ঠাত

## টকা পইচাৰ আঁচনি নহ'লেও পঞ্চায়ত সভাপতিৰ যথেষ্ট আঁচনি আছে

নলবাৰীত পঞ্চায়তৰ প্ৰতিনিধি সন্মিলনত মন্ত্ৰী ৰঞ্জিত দাস

**অসম বাৰ্তা, নলবাৰী, ১০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিৰ এখন পঞ্চায়ত ⏩ ৬ পৃষ্ঠাত

❐ আয়ুক্তৰ নিৰ্ধাৰিত মূল্যতকৈ বৃদ্ধি কৰিব নোৱাৰিব মাছ-মাংসৰ দাম; সকীয়নি মন্ত্ৰী কৃষ্ণেন্দু পালৰ ❐

# উৰুকাৰ বজাৰৰ অসাধু ব্যৱসায়ীৰ ওপৰত কঠোৰ নজৰ



## বজাৰ নিৰীক্ষণৰ বাবে মীন পালন, পশুপালন বিভাগৰ গঠন STF



**নিউজ ডেস্ক, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** মাঘ বিহুৰ উৰুকাৰ মাত্ৰ তিনিদিন বাকী থকাৰ মাজতে অসম চৰকাৰে ভোগালী বিহুৰ উৎসৱৰ সময়ত খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ উৰুকাৰ বজাৰত মাছ, মাংস, কণী আৰু গাখীৰৰ দাম যাতে অসাধু ব্যৱসায়ীয়ে খেয়ালখুচি মতে বৃদ্ধি কৰিব নোৱাৰে, তাৰ বাবে প্ৰশাসনৰ পৰা সতৰ্কবাণী জাৰি কৰা হৈছে। মীন বিভাগ আৰু পশু পালন আৰু পশু চিকিৎসা বিভাগৰ দায়িত্বপ্ৰাপ্ত মন্ত্ৰী কৃষ্ণেন্দু পালে শনিবাৰে সংবাদমেলত এই বিষয়ে গুৰুত্বপূৰ্ণ ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয় যে, "উৰুকাৰ বজাৰত অসাধু ব্যৱসায়ীয়ে মাছ-মাংসৰ দাম বৃদ্ধি কৰিব নোৱাৰিব। জিলা পৰ্যায়ত ⏩ ৬ পৃষ্ঠাত

প্ৰতিবাদকাৰী অধিবক্তা সন্থাক সমালোচনা মহাধিবক্তা দেৱজিৎ শইকীয়াৰ

## গুৱাহাটীৰ উচ্চ ন্যায়ালয় চৌহদ উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰক লৈ নিজৰ স্থিতিত অটল ৰাজ্য চৰকাৰ

হাইকৰ্ট বাৰ এচ'চিয়েচনৰ ধৰ্মঘটৰ কোনো যুক্তি নাই। গুৱাহাটীৰ পৰা ৰংমহললৈ মাত্ৰ ৪০০-৫০০ টকা খৰচত যাব পাৰি।

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জানুৱাৰী ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰাৰ প্ৰক্ৰিয়াৰ সন্দৰ্ভত চলি থকা বিতৰ্কৰ মাজতে আজি মহাধিবক্তা দেৱজিৎ লন ⏩ ৬ পৃষ্ঠাত

মাজুলী সমষ্টিত অগপৰ আসনৰ দাবীক লৈ কেন্দ্ৰীয় নেতৃত্বৰ মৌন সমৰ্থনৰ ইংগিত!

## ডিলিমিটেশ্যনৰ পিছত জয়ৰ সম্ভাৱনা ১০৪ খন আসনলৈ বৃদ্ধিৰ দাবী জ্যেষ্ঠ অগপ নেতাৰ

**অসম বাৰ্তা, উজনী মাজুলী, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** আগন্তুক বিধান সভা নিৰ্বাচনত এইবাৰ মাজুলী জিলা অগপই মাজুলী বিধান সভা সমষ্টিতো বিজেপিৰ পৰা দাবী কৰি অহাত অগপৰ কেন্দ্ৰীয় নেতৃত্বৰো যে একপ্ৰকাৰে মৌন সমৰ্থন আছে সেয়া ⏩ ৭ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় এলিট বক্সিঙৰ ফাইনেলত অসম কন্যা লাভলীনা বৰগোহাঁই



**অনলাইন ডেস্ক, অসম বাৰ্তা,** নয়দাত চলি থকা ৰাষ্ট্ৰীয় এলিট বক্সিং চেম্পিয়নশ্বিপত অসমৰ গৌৰৱ লাভলীনা ⏩ ৭ পৃষ্ঠাত

❐ ভোগালীক আদৰিবলৈ সাজু মাজুলীবাসী ❐ ভকতচাপৰিৰ গুৰৰ বাঢ়িছে চাহিদা ❐

## মাজুলীৰ কৃষকৰ গুৰে দখল কৰিছে উজনিৰ বজাৰ

উৰালত পিঠাগুড়ি খুন্দি মাঘবিহুত আপ্ৰায়ণৰ বাবে সাজু মাজুলীৰ উদাসীন সত্ৰৰ বৈষ্ণৱো



**অসম বাৰ্তা, উজনী মাজুলী, ১০ জানুৱাৰী ঃ** পদূলিমুখত হেঁপাহৰ ভোগালী। ভোগৰ উৎসৱ ভোগালী বিহুলৈ মাজত মাথোঁ কেইটামান দিনহে বাকী থকাৰ অৱস্থাত ৰাজ্যজুৰি এতিয়া ভোগালীক আদৰাৰ ব্যাপক প্ৰস্তুতি দেখা পোৱা গৈছে। এতিয়া যেন উখল-মাখল হৈ পৰিছে প্ৰতিজন অসমীয়াৰ আখল, চলিছে মেজি- ⏩ ৬ পৃষ্ঠাত

ভাৰ্গৱ গগৈ আৰু ছুমু গগৈসহ পাঁচজন অভিযুক্ত

## ২০২৪ চনৰ ১৫ আগষ্টত আইইডি সংস্থাপন গোচৰত এনআইএৰ পৰিপূৰক অভিযোগনামা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জানুৱাৰী ঃ** ২০২৪ চনৰ ১৫ আগষ্ট স্বাধীনতা দিৱসৰ দিনা অসমৰ বিভিন্ন স্থানত আই ই ডি (Improvised Explosive Device) সংস্থাপনৰ গোচৰত ৰাষ্ট্ৰীয় তদন্তকাৰী ⏩ ৬ পৃষ্ঠাত


ধৰ্মীয় শাসনৰ বিৰুদ্ধে অভূতপূৰ্ব আন্দোলন; তেহৰাণ-সহ ১১০খনতকৈ অধিক চহৰত প্ৰতিবাদ

## ইৰানত গণবিদ্ৰোহ! হিংসাত্মক সংঘৰ্ষত শতাধিক মৃত্যু, ইণ্টাৰনেট সম্পূৰ্ণ কৰ্তন

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** ইৰানত চলি থকা গণ-বিক্ষোভ আৰু ৰাজনৈতিক সংকট এতিয়া এক ভয়াৱহ পৰ্যায়লৈ উপনীত হৈছে। যোৱা দুসপ্তাহৰো অধিক সময় ধৰি অব্যাহত থকা এই আন্দোলনে দেশখনৰ ধৰ্মীয় নেতৃত্ব আৰু চৰকাৰৰ ⏩ ৬ পৃষ্ঠাত

ভাৰত এখন হিন্দু ৰাষ্ট্ৰ, প্ৰধানমন্ত্ৰী সদায় হিন্দু হ'ব ঃ মুখ্যমন্ত্ৰী

## অখিল গগৈ ৰজা হৈ থাকিলে ভাল, আমি প্ৰজা হৈ থাকিলে ভাল



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে কৰা একাধিক মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত কৰি তুলিছে। নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ পিছত সংবাদমাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে ভাৰতক এখন হিন্দু ৰাষ্ট্ৰ বুলি অভিহিত কৰি ঘোষণা কৰে যে, ⏩ ৬ পৃষ্ঠাত



মন্ত্ৰী পিযুষ হাজৰিকাৰ অধিৱেশনৰস্থলী পৰিদৰ্শন

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** জামুগুৰিহাটৰ ধলাইবিল-চৈবাৰী অঞ্চলৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত অহা ৬, ৭ আৰু ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন। এই মহান ধৰ্মীয় অনুষ্ঠানক লৈ স্থানীয় লোকৰ মাজত উৎসাহ আৰু ⏩ ৬ পৃষ্ঠাত



শতবৰ্ষৰ ১০১ খন পতাকা উত্তোলন; শশীধৰ পায়েং সোঁৱৰণী বৃহৎ স্মৃতি তোৰণ উন্মোচন

# মাজুলীৰ পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল শতবৰ্ষ মহোৎসৱ আৰম্ভ; উদুলি মুদুলি লোহিত খাবল



**অসম বাৰ্তা, উজনী মাজুলী, ১০ জানুৱাৰী ঃ** মাজুলী জিলাৰ লোহিত খাবলুৰ পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল শতবৰ্ষ মহোৎসৱ আজিৰ পৰা বৃস্তিত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। উক্ত, শতবৰ্ষ মহোৎসৱৰ উপলক্ষে আজি সমগ্ৰ লোহিত খাবলু অঞ্চলটোত এক উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰে। লখিমপুৰ নাওবৈচা শিক্ষাখণ্ডৰ অন্তৰ্গত পাথৰিচুক প্ৰাথমিক বিদ্যালয়খন ১৯২৬ চনতেই সোৱণশিৰি নদীৰ পাৰত প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিষ্ঠা কালৰে পৰা স্বকীয়তাৰে জিলিকি থকা প্ৰাথমিক বিদ্যালয়খনৰ গৌৰৱোজ্জ্বল শতবৰ্ষ মহোৎসৱৰ আজি পুৱা প্ৰভাত ফেৰীৰে দুদিনীয়া কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। তাৰ পিছত পৰিৱেশ নিকাকৰণ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়নৰ পাছত গছপুলি ৰোপণ কৰে মিচিং স্বায়ত্ব শাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে। পুৱা আঠ বজাত শতবৰ্ষ উপলক্ষে মূল আদৰণী তোৰণ উদ্বোধন কৰে মাজুলী জিলাৰ অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ নীলকান্ত পেগুৱে। পুৱা ন বজাত শতবৰ্ষ উপলক্ষে বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক শশীধৰ পায়েঙৰ স্মৃতিত তেওঁৰ পুত্ৰ "ভেইল"ৰ অভিযন্তা দীপক পায়েং আৰু পৰিয়ালবৰ্গই নিৰ্মাণ কৰা বিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰ তোৰণ উদ্বোধন কৰে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়াই। পুৱা দহ বজাত শতবৰ্ষ মহোৎসৱৰ উপলক্ষে এশজন বিশিষ্ট ব্যক্তিৰ দ্বাৰা এশখন পতাকা উত্তোলন কৰা হয়। মূল পতাকা উত্তোলন কৰে শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি সঞ্জীৱ চিৰাঙে। এক সুন্দৰ পৰিৱেশত, উদযাপন সমিতিৰ সম্পাদক দীনেশ পায়েঙৰ পৰিচালনাত উক্ত ১০১ খন পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন থলীত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙৰ পৰিচালনাত শতবৰ্ষ বিদ্যালয়ৰ গীত পৰিৱেশন কৰা হয়। তাৰপিছত স্মৃতি তৰ্পণ কাৰ্যসূচী শুভাৰম্ভ কৰে শিল্পী পেঞ্চনাৰ তথা লেখিকা স্বপ্না পায়েঙে। তাৰপিছত পাথৰিচুক গাঁৱৰ ৰাইজে মূল মণ্ডপত নাম কীৰ্তন পৰিৱেশন কৰাৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰ্থনা কৰে। আজি দুপৰীয়া এক বজাৰ পৰা ধ্ৰুৱজ্যোতি পায়েং আৰু আৰু ডাঃ অঞ্জনা তালুকদাৰৰ পৰিচালনাৰে প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ধেমাজিৰ জীৱন বীমা নিগমৰ বিষয়া দিক বিজয় পায়েঙে উদ্বোধন কৰা উক্ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহত ঘোষক হিচাপে ভাৰতীয় ৰেল বিভাগৰ কৰ্মচাৰী আকাশ পায়েঙে অংশগ্ৰহণ কৰে। উক্ত, প্ৰাক্তন ছাত্ৰী সমাৰোহখন পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলৰ সমবেত সংগীতৰে শুভাৰম্ভ কৰা হয়। সমাৰোহখনত প্ৰাক্তন ছাত্ৰ তথা বৰ্ষীয়মান ব্যক্তি, অৱসৰপ্ৰাপ্ত শিক্ষক লোকনাথ পায়েং, মনোজ ৰবিন পায়েং, টিৰাপৰ ৰেণু পায়েং, ভৃগুমণি পায়েং, হৰেশ্বৰ পায়েং, দিকবিজয় পায়েং, সঞ্জীৱ কুমাৰ পায়েং, প্ৰাক্তন অংগনবাডী কৰ্মী ৰূপা পায়েং, বৰালিমৰা উন্নয়ন সমিতিৰ সভাপতি তপন পেগু, শিল্পী পেঞ্চনাৰ মুহিৰাম পায়েং, পৰাগ পায়েং, মুখেশ্বৰ চিৰাং আদিয়ে পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ স্মৃতি চাৰণ কৰি ভাষণ প্ৰদান কৰে আৰু সকলোকে আৱেগিক কৰি তোলে। উক্ত, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলৰ গুমৰাগ নৃত্য, কনকলতা নৰহ, ৰেস্মা পায়েং আদিৰ ঐনিতম, পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলীয় নৃত্য, পাথৰিচুক যুৱতী দল আৰু পাথৰীচুক বোৱাৰী দলৰ দলীয় নৃত্য আদিয়ে সকলোকে মোহাচ্ছন্ন কৰে। উক্ত অনুষ্ঠানত ধেমাজি জীৱন বীমা নিগমৰ বিষয়া দিকবিজয় পায়েঙৰ কবিতা পুথি "আহিবা তুমি নিজান নদীৰ ঘাটলৈ" উন্মোচন কৰে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই। উক্ত, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সমাৰোহত শলাগ জ্ঞাপন কৰে উদ্‌যাপন সমিতিৰ সভাপতি সঞ্জীৱ চিৰাঙে। শতবৰ্ষ মহোৎসৱৰ উপলক্ষে আজি সন্ধিয়া স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। উক্ত, শতবৰ্ষ মহোৎসৱৰ উপলক্ষে দ্বিতীয় দিনা কাইলৈ ১১ জানুৱাৰীত পুৱা পৰিৱেশ নিকাকৰণৰ পাছত শিল্পী পৰাগ পায়েং আৰু কৈলাস পায়েঙৰ পৰিচালনাৰে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শিল্পী পেঞ্চনাৰ মুহিৰাম পায়েং আৰু ৰূপা পায়েঙে উক্ত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। পুৱা দহ বজাত গাঁৱৰ জ্যেষ্ঠ ব্যক্তি আৰু অঞ্চলৰ শিক্ষা গুৰুসকলৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া বাৰ বজাৰ পৰা শতবৰ্ষ মহোৎসৱৰ উপলক্ষে বৃহৎ মুকলি সভা অনুষ্ঠিত হ'ব। অৱসৰপ্ৰাপ্ত শিক্ষক সঞ্জীৱ কুমাৰ পায়েং আৰু সঞ্জীৱ চিৰাঙৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া উক্ত মুকলি সভাখন ত আদৰণী ভাষণ প্ৰদান কৰিব পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙে। মুকলি সভাত মুখ্য অতিথি হিচাপে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ গৌৰৱ গগৈ, মাজুলীৰ বিধায়ক ভুবন গাম, লখিমপুৰৰ বিধায়ক মানৱ ডেকা, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰমানন্দ চায়েডীয়া, মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবী, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা আদিয়ে অংশগ্ৰহণ কৰিব। সেইদিনা সন্ধিয়া সাত বজাৰ পৰা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

## চামগুৰিৰ সোণাৰীবালিত ৩০টা চোৰাং গৰুসহ গাড়ী জব্দ; দুজনক আটক

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে ড্ৰাগছ আৰু চোৰাং গৰুৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা পৰিলক্ষিত হৈছে। কেইদিনমান পূৰ্বে চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে চোৰাং গৰুসহ দুখন গাড়ী জব্দ কৰিবলৈ সক্ষম হোৱাৰ লগতে যোৱা নিশা সোণাৰীবালি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই গাড়ীসহ চোৰাং গৰু জব্দ কৰাৰ লগতে দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত যোৱা নিশা সোণাৰীবালি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। চামগুৰি আৰক্ষী থানাৰ টহলদাৰী আৰক্ষী দলটোৱে অভিযান চলাই থকা সময়ত ধেমাজিৰ চিমেন চাপৰিৰ পৰা গুৱাহাটীৰ অভিমুখে আহি থকা এছ-২৩-বি-চি-৫২৯৯ নম্বৰৰ চোৰাং গৰু ভৰ্তি গাড়ীখন আৰক্ষীৰ দলটোৱে জব্দ কৰে। আৰক্ষীৰ দলটোৱে জব্দ কৰা গাড়ীখনৰ পৰা পৰৱৰ্তী সময়ত ৩০টা চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে অজিত দত্ত আৰু ফৰমুজ আলী নামৰ চোৰাং গৰু সৰবৰাহকাৰী দুজনক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গাড়ীখনৰ পৰা উদ্ধাৰ কৰা চোৰাং গৰুখিনি পৰৱৰ্তী সময়ত গোশালালৈ প্ৰেৰণ কৰা হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

## বাহনা মহাবিদ্যালয়ত বিজ্ঞানগাৰ প্ৰদৰ্শনৰ কাৰ্য্যসূচী

**অসম বাৰ্তা, নিমাতীঘাট, ১০ জানুৱাৰী ঃ** বাহনা মহাবিদ্যালয়ত ৯ জানুৱাৰীত হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন উপলক্ষে বিজ্ঞানগাৰ প্ৰদৰ্শনৰ এক কাৰ্য্যসূচী অনুষ্ঠিত হৈ যায়। উক্ত কাৰ্য্যসূচীত ২৬গৰাকী ছাত্ৰীৰে সৈতে চাৰিগাঁও বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী মনোৰমা খাটুনে অংশগ্ৰহণ কৰা অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহা দেৱে। উক্ত সভাত উপস্থিত থাকে IQAC সমন্বয়ক ড পংকজ বৰা, জৈৱ প্ৰযুক্তি বিদ্যা কক্ষৰ সমন্বয়ক ড° সংগীতা দাস আৰু মল্লিকা বৰুৱা, জাকাৰিয়া আহমেদ। মল্লিকা বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত ড° সংগীতা দাসে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিষয়ে বক্তিতা প্ৰদান কৰে। উক্ত অনুষ্ঠানটিত DNA আৰু উদ্ভিদ কোষৰ বিষয়ে ছাত্ৰী সকলে ব্যৱহাৰিক জ্ঞান লাভ কৰি উপকৃত হয়।

## বঢ়মপুৰত অশোক সিংহলৰ শিলান্যাস

**অসম বাৰ্তা, বঢ়মপুৰ, ১০ জানুৱাৰী ঃ** বঢ়মপুৰ সমষ্টিৰ কঠিয়াতলীত দুখনকৈ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আধাৰশিলা স্থাপন কৰে স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কঠিয়াতলী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু চামগুৰি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ একেলগে আধাৰশিলা স্থাপন কৰে মন্ত্ৰীগৰাকীয়ে। আধাৰশিলা অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা মুকলি সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে বিজেপি চৰকাৰে কৰা উন্নয়নৰ কথা খতিয়ান ৰাইজক অৱগত কৰে। ইপিনে বিধায়ক অখিল গগৈয়ে ভোট চুৰি সন্দৰ্ভত কৰা অভিযোগত মন্ত্ৰী গৰাকীয়ে অখিল গগৈক হিৰ হৈয়ে থাকিবলৈ কয়। আনহাতে বঢ়মপুৰ সমষ্টিত আগন্তুক দিনত কামপুৰ, যমুনামুখ আৰু চাপানলাৰ তিনিখন চিকিৎসালয় পুনৰ নিৰ্মান কৰাৰ প্ৰতিশ্ৰুতি দি '২৬ৰ বিধানসভা নিৰ্বাচনত ৰাইজক বিজেপি দলক ভোট দিবলৈ আহ্বান জনন্দায়।

নিৰ্বাচনৰ সময়ত বাউন্সাৰ লৈ ফুৰা মজিবুৰক অগপৰ পৰা বহিষ্কাৰ

# চামগুৰিত কংগ্ৰেছৰ আৰু এআইইউডিএফৰ ভেটিত কঁপনি তুলি পাঁচ শতাধিৰ অগপত যোগদান

**অসম বাৰ্তা, ৰূপহীহাট, ১০ জানুৱাৰী ঃ** আজি ৰূপহী মজলীয়া বিদ্যালয় প্ৰাঙ্গনত চামগুৰি বিধান পৰিষদৰ সভাপতি আবু বক্কৰ ছিদ্দিকৰ সঞ্চালনাত অগপৰ এক যোগদান সভা অনুষ্ঠিত হয়। উক্ত সভাতে ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মজিবুৰ ৰহমানে লগত দুই শতাধিক ৰাইজ আৰু প্ৰভাৱশালী নেতা নুৰুল আমিন চৌধুৰীয়ে লগত দুই শতাধিক ৰাইজ লগত লৈ অগপ দলত যোগদান কৰে। কংগ্ৰেছ আৰু এআইইউডিএফ দল এৰি আজি সভা খনত পাঁচ শতাধিক পুৰুষ মহিলাই আঞ্চলিকতাবাদী দলটোত যোগদান কৰে। অগপ দলত যোগদান কৰা সকলক মণিমাধৱ মহন্তই অগপ দলৰ দলীয় গামোচা আৰু টুপিৰে আদৰি লয়। অগপৰ চামগুৰি, ৰূপহীহাটৰ কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰা সভাখনত অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা নগাঁও জিলা অগপৰ সভাপতি মণি মাধৱ মহন্তই দলীয় কৰ্মীসকলক উদ্দেশী ভাষণ প্ৰদান কৰে। সমষ্টি পুনঃনিদ্ধাৰণৰ পাছত ভোট বিন্যাসৰ অভাৱনীয় পৰিৱৰ্তনৰ লগে নৱ গঠিত চামগুৰিত ৯০ শতাংশ সংখ্যালঘু ভোটাৰক উদ্দেশী মণিমাধৱ মহন্তই কয় যে অগপ দলৰ আদৰ্শ একত্ৰিত কৰা। খেনোক দেখি ৰান্ধো-বাঢ়োঁ, খনোক দেখি দুৱাৰ মাৰো নীতি ইয়াত নাই। আমি দলটোৰ বুকুৰ সুমাজত অসমত বসবাস কৰা জাতি-জনগোষ্ঠী, ধৰ্মাৱলম্বী মানুহক আমি একত্ৰিত কৰিব বিচাৰো বুলি মণি মাধৱ মহন্তই ভাষণ প্ৰদান কৰি আগন্তুক নিৰ্বাচনৰ বাবে ৰাইজৰ পৰা সহাঁৰি বিচাৰে। মিঞাৰ ভোট নালাগে বুলি মিত্ৰ দল বিজেপিয়ে বুকু ফিন্দাই ঘোষণা কৰাৰ বিপৰীতে অগপ দলৰ নেতাই সংখ্যালঘু ভোটৰ আশাত কিছু নমনীয় হৈ অগপই সকলোৰে সম-বিকাশ, সম-উন্নয়ন আৰু সম-মৰ্যাদাত বিশ্বাস কৰাৰ কথা প্ৰকাশ কৰে। সভাৰ শেষত সাংবাদিকৰে সৈতে হোৱা বাৰ্তালাপত তেওঁ কয় যে, নগাঁও জিলাখন এটা সময়ত অগপৰ দুৰ্গ আছিল। সমষ্টি পুনঃনিৰ্দ্ধাৰণৰ পূৰ্বে নগাঁৱত অগপৰ ৮টা সমষ্টি আছিল যদিও সেয়া এতিয়া হ্ৰাস হৈ ৭ টাহে আছে। তেওঁ কয় যে অগপই এইবাৰ নগাঁৱত কমেও ৪খন সমষ্টি বিচাৰিব আৰু তাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা নেতা-কৰ্মীসকলে যথেষ্ট কষ্ট কৰি থকাৰ কথা প্ৰকাশ কৰে। উল্লেখ্য যে দুবছৰ মান পূৰ্বে ৰকিবুল হুছেইনৰ সংগ ত্যাগ কৰি অগপত যোগদান কৰা মজিবুৰ ৰহমান সন্দৰ্ভতো মণি মাধৱ মহন্তই মন্তব্য কৰে। পূৰ্বে অগপত যোগদান কৰিলেও তেওঁ সদায় বিজেপিৰ হৈ কাম কৰি আহিছিল আৰু বাটে পথে আঁৰি থোৱা বেনাৰ পষ্টাৰত বিজেপিৰ দলীয় প্ৰতীক সংলগ্ন কৰি নিজকে স্বয়ম্ভু নেতাৰ পৰিচয় দি অহা বিতৰ্কিত মজিবুৰক লৈ মণি মাধৱ মহন্তই কঠোৰ স্থিতি প্ৰকাশ কৰে। অগপ-বিজেপিৰ কম্বো নেতা হিচাপে বিতৰ্কত সোমাই পৰা এসময়ৰ ৰকিবুল হুছইনৰ সোঁহাত মজুবিৰ ৰহমানক আজি ৰূপহীহাটত অনুষ্ঠিত সভাখনৰ পৰাই দলৰ পৰা বহিষ্কাৰ কৰা হয়। নিৰ্বাচনৰ সময়ত নিজকে চামগুৰিৰ চিএম বুলি ভাৱি লগত দুই ডজন কলা পোছাকধাৰী বাউন্সাৰ লৈ ফুৰা মজিবুৰ ৰহমানে দল বিৰোধী কামত লিপ্ত হোৱাৰ বাবেই দলৰ পৰা বহিষ্কাৰ কৰাৰ কথা অগপ নেতা মণি মাধৱ মহন্তই ঘোষণা কৰে। উল্লেখ্য যে নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত সংখ্যালঘু অধ্যুষিত সমষ্টিখনত পাঁচ শতাধিক কংগ্ৰেছ-ইউ ডি এফৰ কৰ্মীয়ে অগপত যোগদান কৰা সভাখনত চামগুৰি অগপ সাধাৰণ সম্পাদক নাৰায়ণ বৰা, সভাপতি আবু বক্কৰ ছিদ্দিক, প্ৰাক্তন অধ্যক্ষ মজিবুৰ ৰহমান, প্ৰভাৱশালী নেতা নুৰুল আমিন চৌধুৰী, অগপ মহিলা পৰিষদৰ নেত্ৰী আঞ্জুমা বেগম, আবু বাহাৰ জাকাৰিয়া, মুশফিকুৰ ৰহমানকে ধৰি বহু নেতা কৰ্মীৰ লগেত কেইবা শতাধিক ৰাইজ উপস্থিত থকা দেখা যায়।

প্ৰায় ৯০খনকৈ গ্ৰন্থ আৰু কবিতাপুথি উন্মোচন

# বিজনীত বড়ো সাহিত্য সভাত উদুলি-মুদুলী থেংফাখ্ৰী খেলপথাৰ

**অসম বাৰ্তা, বিজনী, ১০ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৫৬ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনত সাহিত্য প্ৰেমী ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি হৈ পৰিছে অধিবেশনস্থলী। এই অধিৱেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা বড়ো সাহিত্য সভাৰ বিষয়ববীয়া সাহিত্য প্ৰেমী ৰাইজৰ উপস্থিতিত পতাকা উত্তোলন কৰে বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে। শ্বহীদ তৰ্পণ কৰে বড়ো সাহিত্য সভাৰ উপ-সভাপতি সিতাৰাম বসুমতাৰীয়ে। বড়ো সাহিত্য সভাৰ প্ৰয়াত সদস্য সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানৰ আঁত ধৰে বড়ো সাহিত্য সভাৰ আন এগৰাকী উপ সভাপতি প্ৰশান্ত বড়োৱে। ইয়াৰ পিছতে অনুষ্ঠিত হয় স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠান। বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত অধিবেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা "ছানজাৰাং" শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে কোকৰাঝাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ইন্দিৰা বড়োই। উক্ত সভাত নতুন আৰু প্ৰবীণ সাহিত্যিক সকলৰ দ্বাৰা প্ৰকাশিত প্ৰায় ৯০ খনকৈ গ্ৰন্থ আৰু কবিতাপুথি উন্মোচন কৰা হয়। ইফালে উক্ত সভাতে বড়ো সাহিত্য সভাই কেতবোৰ বঁটা প্ৰদান কৰে। বটাঁ সমূহ এনেধৰণৰ শোণিতপুৰৰ ৰবীন নাৰ্জাৰীলৈ "ৰাংচাৰ সাহিত্য বঁটা", বঁটাটোত আছে ১০ হেজাৰ টকা। তামোলপুৰৰ ৰমাকান্ত বসুমতাৰীলৈ "সোমেশ্বৰী ব্ৰহ্ম সাহিত্য বঁটা", বঁটাটোত আছে ৫ হেজাৰ টকা। গুৱাহাটীৰ দেবেন্দ্ৰ নাথ ব্ৰহ্মলৈ "সানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক বঁটা", বঁটাটোত আছে ১০ হেজাৰ টকা। গোৱালপাৰাৰ কণিস্কো হাজোৱাৰীলৈ "হাব্ৰাঘাট বঁটা", বঁটাটোত আছে ১০ হেজাৰ টকা। বিজনীৰ ৰিম্বা ওৱাৰীলৈ "প্ৰবান্নাথ বৰগয়াৰী সাহিত্য বঁটা", বঁটাটোত আছে ৫০ হেজাৰ টকা। গুৱাহাটীৰ তৰেণ বড়োলৈ "প্ৰমিলা খাখলাৰী অনুবাদ বঁটা", বঁটাটোত আছে৩০ হেজাৰ টকা। বা'ৰ বিনোদ চন্দ্ৰ স্বৰ্গীয়াৰীলৈ "ৰামদাস বসুমতাৰী শৈক্ষিক বঁটা", বঁটাটোত আছে ৫০ হেজাৰ টকা। কোকৰাঝাৰৰ নিত্যা বিনোদ ওৱাৰীলৈ "বড়ো বিজৌংনি ফাইকী যোগেন্দ্ৰ কুমাৰ বসুমতাৰী বঁটা", বঁটাটোত আছে ৫০ হেজাৰ টকা। কোকৰাঝাৰৰ শিল্পা ব্ৰহ্মলৈ "সুবুংথিনি ঠাঁন্দে বাণেশ্বৰ ব্ৰহ্ম মাওৰিয়া-হাওৰিয়া বঁটা", বঁটাটোত আছে ৫০ হেজাৰ টকা। তামোলপুৰৰ নয়নমণি বড়োলৈ "২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাতৃভাষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা বঁটা", বঁটাটোত আছে ১০ হেজাৰ টকা। বাক্সাৰ নৰজিৎ বসুমতাৰীলৈ "হাংমাশ্ৰী ব্ৰহ্ম শিক্ষাৰ্থী প্ৰেৰণা বঁটা", বঁটাটোত আছে ২০ হেজাৰ টকা। উক্ত সভাত বিগত ২০২৪ বৰ্ষৰ সাহিত্য অকাডেমি অনুবাদ বঁটা প্ৰাপ্ত কোকৰাঝাৰৰ উত্তৰা বৈসৌমুথিয়াৰী, ২০২৫ বৰ্ষৰ শিশু সাহিত্যত সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত কোকৰাঝাৰৰ বিনয় কুমাৰ ব্ৰহ্ম আৰু ২০২৫ বৰ্ষৰ যুৱ শাখাৰ সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত ওদালগুৰিৰ অমৰ খুংগুৰ বড়োক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

ইফালে বড়ো সাহিত্য সভাৰ আজিৰ দ্বিতীয় দিনৰ কাৰ্যসূচীত বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক নীলকান্ত গয়াৰীয়ে অংশগ্ৰহণ কৰি বড়ো ভাষাৰ




মাধ্যমক অসম চৰকাৰে পূৰ্বৰে পৰা মাহী আইৰ দৃষ্টিৰে চাই আহিছে বুলি সংবাদ মাধ্যমৰ আগত গুৰুতৰ অভিযোগ উত্থাপন কৰে। ইংৰাজী মাধ্যমৰ আগ্ৰাসনৰ পৰা নিজৰ মাতৃভাষাৰ বড়ো মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠান সমূহ ৰক্ষা কৰিবলৈ বড়ো মাধ্যমৰ চৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক ভৰ্তি কৰাবলৈ আহ্বান সাধাৰণ সম্পাদক নীলকান্ত গয়াৰীয়ে আহ্বান জনায়। তেওঁ আৰু কয় যে নিজৰ মাতৃভাষা বড়ো মাধ্যমৰ বিদ্যালয় যদি আমি ৰক্ষা কৰিব নোৱাৰো তেনেহলে বড়ো জাতীয়তাবাদ কেনেকৈ বচাই ৰাখিব পাৰিম। বড়ো মাধ্যমৰ চৰকাৰী বিদ্যালয় সমূহত ছাত্ৰ ছাত্ৰীৰ সংখ্যা দিনক দিনে হ্ৰাস হোৱাটোক লৈ উদ্বেগ প্ৰকাশ কৰে আৰু ইয়াৰ সুযোগ গ্ৰহণ কৰি অসম চৰকাৰে বহু বড়ো মাধ্যমৰ চৰকাৰী বিদ্যালয় ইতিমধ্যেই বন্ধ কৰি অইন বিদ্যালয়ৰ সৈতে সংলগ্ন কৰিছে আৰু আগলৈ কৰি গৈ থকাৰ কথা উল্লেখ কৰে নীলকান্ত গয়াৰীয়ে। ভাষাৰ উত্তৰণৰ ক্ষেত্ৰত বড়ো সাহিত্য সভাই অকলে নহয় নিখিল বড়ো ছাত্ৰ সন্থাৰ লগতে অন্যান্য বড়ো জাতীয় সংগঠনৰ লগত ঐক্যবদ্ধ ভাবে কাম কৰি আহিছো আৰু আগলৈ বহুকেইটা নতুন পৰিকল্পনা লৈ কাম কৰি যোৱাৰ কথা উল্লেখ কৰে বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক নীলকান্ত গয়াৰীৰ। অনুষ্ঠানত এবছুৰ সভাপতি দ্বীপেন বড়ো অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত কয় যে বড়ো সাহিত্য সভা এটা মঞ্চ, ইয়াত সকলো শ্ৰেণীৰ, সকলো স্তৰৰ লোকে কোনো বিভাজন নোহোৱাকৈ একত্ৰিত হয়। এইটো বড়ো জাতিৰ কাৰণে মহান আদৰ্শ যে আমি জাতিৰ কাৰণে, খাদ্যৰ কাৰণে, ভাষাৰ কাৰণে, বড়ো মাধ্যমৰ কাৰণে যিহেতু বড়ো সাহিত্য সভা এটা অভিভাৱক সংগঠন। এই অভিভাৱক সংগঠনৰ মজিয়াত আহি জাতিক আগবঢ়াই নিয়াৰ কাৰণে আমি সদায় ঐক্যবদ্ধ। বড়ো মাধ্যমৰ সমস্যাই হওক, বিদ্যালয় প্ৰাদেশিকৰণৰ সমস্যা, এজনীয়া শিক্ষকৰ সমস্যা, পাঠ্যপুথিৰ সমস্যা আদিৰ গুণগত শিক্ষাৰ কাৰণে যিখিনি কাম কৰিব লাগে আমি বড়ো সাহিত্য সভাৰ প্ৰতিনিধি সভাত আলোচনা কৰি আমি সদায় সিদ্ধান্ত সিদ্ধান্ত লৈ আহিছোঁ। বড়ো সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আমি আগবঢ়াই নিয়াৰ কাৰণে আলোচনা কৰিম। এইক্ষেত্ৰত বড়ো সাহিত্য সভাই সদায় দিশ নিৰ্ণয়কাৰী ভূমিকা লৈ আহিছে। তাৰ কাৰণে বড়ো সাহিত্য সভাৰ কৰ্মী সকলক ধন্যবাদ জনাই ছোঁ। ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ ওপৰত দ্বীপেন বড়োৱে কয় যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ কৰিলে জাতিটোৰ প্ৰতি অহা ভাবুকি বা প্ৰত্যাহ্বান সেইটো উপলব্ধি কৰি প্ৰতিনিধি সভাত এটা প্ৰস্তাৱ আনিছে। সেই মৰ্মে আজিৰ দ্বিতীয় প্ৰতিনিধি সভাত বিস্তাৰিত ভাৱে আলোচনা হ'ব বুলি মন্তব্য কৰে সভাপতি দ্বীপেন বড়োৱে। আনহাতে বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে সাহিত্য সভাৰ কাৰ্যসূচী সমূহ সফল ভাৱে ৰূপায়ণ হৈ আছে বুলি মন্তব্য কৰি কালিৰ প্ৰতিনিধি সভাত কিছুমান আলোচনা হৈছে আজি কেবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ এই অধিৱেশনে বড়ো ভাষা সাহিত্যৰ উন্নয়নৰ ক্ষেত্ৰত এটা মাইলৰ খুটি হৈ থাকিব। ইয়াৰ পৰা নতুন উদ্যোমেৰে, নতুন পৰিকল্পনাৰ আধাৰত ভাষা সাহিত্য বিশ্ব দৰবাৰত প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সাহিত্য সভাইনতুন এটা গতি ল'ব। বিয়লি "পৰিচয় আৰু প্ৰতিৰোধৰ কণ্ঠ: সমসাময়িক বড়ো সাহিত্যত প্ৰৱণতা আৰু পৰিৱৰ্তন" শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰে ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। পদ্মশ্ৰী বঁটা প্ৰাপ্ত ড° অনিল বড়োৰ অধ্যক্ষতাত অনুষ্ঠিত উক্ত আলোচনা চক্ৰত জনপ্ৰিয় লেখিকা অঞ্জলি বসুমতাৰী, কটন কলেজৰ ড° জিতুমণি বসুমতাৰী, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ড° ৰুস্তম ব্ৰহ্ম সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে অনুষ্ঠিত হয় বড়ো সাহিত্য সভাৰ প্ৰাক্তন কৰ্মী সমাৰোহ আৰু কবি সন্মিলন। নিশা অনুষ্ঠিত হয় বড়ো সাহিত্য সভাৰ দ্বিতীয়খন প্ৰতিনিধি সভা। শিল্পী মেঘনাথ মুছাহাৰী আৰু সুবনাথ নাৰ্জাৰী সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে শিল্পী ৰজনী স্বৰ্গীয়াৰীয়ে। দ্বিতীয় দিনৰ কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, এবছুৰ সভাপতি দ্বীপেন বড়ো, মিছিং আগম কেবাঙৰ সাধাৰণ সম্পাদক সুমেশ্বৰ কুপটাক, সোণোৱাল কছাৰী সাহিত্য সভাৰ সাধাৰণ সম্পাদক মৃদুল সোণোৱালসহ কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ১৭-১৮ জানুৱাৰীত কেন্দুগুৰি জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠান

**অসম বাৰ্তা, যোৰহাট, ১০ জানুৱাৰী ঃ** কেন্দুগুৰি জাতীয় বিদ্যালয়ৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান ১৭ আৰু ১৮ জানুৱাৰীত অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ প্ৰথম দিনা পুৱা মূল পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি নবীন গগৈয়ে আৰু বিদ্যালয়ৰ পতাকা উত্তোলন কৰিব অধ্যক্ষা পলি হাজৰিকা বৰাই। ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি বৃহত্তৰ অঞ্চলটোৰ বিশিষ্ট ব্যক্তি সকলে ২৪খন পতাকা উত্তোলন কৰিব। ইয়াৰ পাছতে অৱসৰপ্ৰাপ্ত অধ্যাপিকা ৰুণীমা বৰুৱাই স্মৃতি তৰ্পণ, মৌজাদাৰ অঞ্জু বৰুৱাই প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ননী বৰুৱাই প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰিব। প্ৰথম দিনা পুৱা বিদ্যালয় চৌহদত এই কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত কেন্দুগুৰি কলা কৃষ্টি কেন্দ্ৰত স্মৃতিগ্ৰন্থ উন্মোচন আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হ'ব। অৱসৰপ্ৰাপ্ত অধ্যক্ষা সেৱিকা ফুকনৰ সঞ্চালনাত হ'ব লগীয়া অনুষ্ঠানত ৰেখা কলিতাৰ সম্পাদনাত প্ৰকাশিতব্য স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট বিজ্ঞান লেখিকা ড° অদিতি বেজবৰুৱাই, হাতে লিখা আলোচনী উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আৰতি কুমাৰী দেৱীয়ে আৰু গ্ৰন্থৰ সুবাসঃ তোৰে-মোৰে আলোকৰ যাত্ৰা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব সাহিত্যিক বঁটাপ্ৰাপক তৰুণ চন্দ্ৰ শইকীয়াই। ইয়াৰ পাছতে ন-পুৰণি অভিভাৱকৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব পৰিচালনা সমিতিৰ সভানেত্ৰী তথা বিশিষ্ট বিজ্ঞান লেখিকা ড° ইন্দিৰা বৰুৱাই। গুৰু সেৱা, প্ৰাক্তনৰ মিলন সমাৰোহৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সমাজকৰ্মী পৰিত্ৰ দত্তই। দ্বিতীয় দিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেবেন্দ্ৰনাথ দেৱগোস্বামীয়ে। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই উদ্বোধন কৰিব লগীয়া ৰূপালী জয়ন্তীৰ মুকলি সভাত মুখ্য অতিথি ৰূপে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু নিৰ্দিষ্ট বক্তা ৰূপে অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই অংশ গ্ৰহণ কৰিব। নবীন গগৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগীয়া সভাত টীয়ক সম জিলাৰ আয়ুক্ত মগেন নৰহ, বিদ্যালয় পৰিদৰ্শক বুলি গগৈ ভূঞা, বিশিষ্ট লেখিকা ড° মালিনী, অসম সাহিত্য সভাৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকাই অতিথি ৰূপে অংশগ্ৰহণ কৰিব। বিয়লি শিক্ষক-শিক্ষাৰ্থীৰ সাংস্কৃতিক অনুষ্ঠান আৰু মহাপুৰুষীয়া নাট প্ৰদৰ্শন হ'ব। জয়ন্তীৰ সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি বিদ্যালয়ৰ অধ্যক্ষা পলি হাজৰিকা বৰা, দীপালিমা দুৱৰা চলিহা আৰু উদ্‌যাপন সমিতিৰ সম্পাদক অঞ্জু দত্ত শইকীয়াই কামনা কৰিছে।

# পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯৬ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদ্‌যাপনৰ দুদিনীয়া কাৰ্যসূচীৰ সফল সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জানুৱাৰী ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ শিক্ষানুষ্ঠান পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ৯ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ৯৬ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদ্‌যাপনৰ দুদিনীয়া কাৰ্যসূচী আজি সফল সামৰণি পৰে। কাৰ্যসূচী অনুসৰি যোৱা ৯ জানুৱাৰীৰ পুৱা দহ বজাত গছপুলি ৰোপণ আৰু চাফাই অভিযানৰ শুভাৰম্ভ কৰা হয়। বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠানটি শুভাৰম্ভ কৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত শইকীয়া আৰু প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক জ্যোতিৰ্ময় গোস্বামীয়ে। আজি পুৱা ১০ বজাত বিদ্যালয়ৰ মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়নে আৰু শিক্ষাৰ্থী সন্মিলনৰ পতাকা উত্তোলন কৰে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি বিপুল কুমাৰ মজিন্দাৰে। পুৱা ১০-৩০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু সংগীতসূৰ্য জুবিন গাৰ্গৰ লগতে বিদ্যালয়খনৰ ভূমিদাতাসকল, প্ৰয়াত প্ৰতিষ্ঠাপক সভাপতি, অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন এক অনুষ্ঠান ৰূপায়ণ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত যুটীয়াভাৱে বন্তি প্ৰজ্বলন কৰে মুকুল বেজবৰুৱা আৰু দিলীপ বৰঠাকুৰে। পুৱা এঘাৰ বজাত পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিত্ৰশিল্পী তথা শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ উপাচাৰ্য শৰৎ বৰুৱা আৰু চিত্ৰশিল্পী প্ৰণৱ বৰুৱা বিচাৰক ৰূপে উপস্থিত থকা দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতাখনিৰ ফলাফল অনুসৰি "ক" শাখাত প্ৰথম স্থান, সমীৰ শইকীয়া (ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়) ষষ্ঠ মান শ্ৰেণী, দ্বিতীয় স্থান দেৱাংগ ভূঞা (১১২৫ নং পুৰণিগুদাম আদৰ্শ প্ৰাথমিক বিদ্যালয়), পঞ্চমমান শ্ৰেণী আৰু তৃতীয় স্থান লাভ কৰে সূতাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সপ্তম মান শ্ৰেণীৰ ছাত্ৰী পৰিস্মিতা বৰাই। পঞ্চমমান শ্ৰেণীৰ পৰা অষ্টম মান শ্ৰেণীলৈ উক্ত শাখাৰ বিষয় আছিল "এখন আদৰ্শ বিদ্যালয়ৰ ছবি। "খ" শাখাত শংকৰদেৱ বিদ্যা নিকেতন, পুৰণিগুদামৰ নৱম শ্ৰেণীৰ ছাত্ৰ অভিজ্ঞান কৌশিক বৰাই প্ৰথম স্থান দখল কৰাৰ লগতে একেখন বিদ্যালয়ৰে নৱম শ্ৰেণীৰ ছাত্ৰ ক্ৰমে ধ্ৰুৱজ্যোতি বৈৰাগীয়ে দ্বিতীয় আৰু দেৱাশিস শইকীয়াই তৃতীয় স্থান লাভ কৰে। নৱমমানৰ পৰা দ্বাদশ মান শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিৰ "খ" শাখাৰ বিষয় "পানী প্ৰদূষণ"। পুৱা ১১-৩০ বজাত প্ৰাক্তন শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ "অন্তৰংগ আলাপ অনুষ্ঠান" অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটো পৰিচালনা কৰে প্ৰাক্তন শিক্ষাৰ্থী, সমাজসেৱক তথা প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। অনুষ্ঠানত সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন, জীৱন চন্দ্ৰ বৰা, যতীন বৈৰাগী, দীপক বৰঠাকুৰ, ডাঃ বিকাশ হাজৰিকা আদিয়ে পুৰণিদিনৰ স্মৃতি ৰোমন্থন কৰা লগতে বিদ্যালয়ৰ শিক্ষক নয়নজ্যোতি শইকীয়া আৰু প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল বৰাই দুটি গীত পৰিৱেশন কৰে আৰু পূৰবী শইকীয়াই এটি কবিতা আবৃত্তি কৰি পৰিৱেশটো জীপাল কৰি তোলে। স্মৰ্তব্য যে, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে অনাগত ২০৩০ চনত শতবৰ্ষ উদ্‌যাপন কৰিব আৰু সেই অনুষ্ঠানলৈ প্ৰাক্তন শিক্ষাৰ্থী সমন্বিতে সমূহ ৰাইজৰ সহায়-সহযোগিতা বিনম্ৰতাৰে কামনা কৰিছে।

# শতায়ু সৌৰভ খগেশ্বৰ গগৈৰ ১০৭ সংখ্যক ওপজা দিনত ডাঃ বলীন খাৰঘৰীয়ালৈ সমাজ-সৌষ্ঠৱ বঁটা প্ৰদান

**অসম বাৰ্তা, যোৰহাট, ১০ জানুৱাৰী ঃ** যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত স্বাধীনতা সেনানী তাম্ৰপত্ৰ প্ৰাপক মুক্তিযোদ্ধা খগেশ্বৰ গগৈৰ ১০৭ সংখ্যক ওপজা দিন মুক্তিযুঁজাৰু ভৱনত পালন কৰে। যোৰহাটৰ অৰ্ধশতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ব্যক্তিগত ভাৱে বহুজনে মুক্তিযোদ্ধাগৰাকীক জন্মদিনৰ ওলগ আৰু যোৰহাটৰ বৰ্ষীয়ানজনৰ আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখ্য, যোৰহাটৰ সমাজ জীৱনৰ লগত জড়িত বিশিষ্ট চিকিৎসক ডাঃ বলীন খাৰঘৰীয়াক জন্ম দিনত খগেশ্বৰ গগৈ সমাজ-সৌষ্ঠৱ বঁটা প্ৰদান কৰা হয়। ১৯৮৬ চনতে স্বাস্থ্য, শিক্ষা আৰু পুনৰ সংস্থাপন সমিতি (হাৰ্ছ) গঠন কৰি দুৰ্গম আৰু কোনোদিনে চিকিৎসক নোযোৱা স্থানতো বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ায়। কুঠৰীৰ কুষ্ঠৰোগীসকলৰ মাজলৈ গৈ চিকিৎসাৰ লগতে সংস্থাপনৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিছিল। যোৰহাট চিভিল হস্পিতালৰ অধীক্ষকৰ দায়িত্বত থকা অৱস্থাত তেওঁ কুষ্ঠৰোগী আৰু নি-সহায় পথৰোগীসকলৰ চিকিৎসাৰ অৰ্থে "শ্ৰদ্ধা" আঁচনি গ্ৰহণ কৰিছিল। তদুপৰি অসম চৰকাৰৰ শ্ৰেষ্ঠ পলিঅ' বিষয়াৰ স্বীকৃতি লাভ কৰিছিল। মুক্তিযোদ্ধা খগেশ্বৰ গগৈ অসম গাঁৱৰক্ষী বাহিনীৰ এজন অন্যতম প্ৰতিষ্ঠাপক আৰু বৰ্তমান যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি আছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত লোভনীয় পদ লাভ কৰিবলৈ সক্ষম হৈছিল যদিও কোনো পদ গ্ৰহণ নকৰি মহাত্মাৰ আদৰ্শৰে গোটেই জীৱন সৰল ভাৱে নিৰ্বাহ কৰি গৈছে। আজি যোৰহাটৰ সম্বৰ্ধনা জনোৱা অনুষ্ঠানসমূহ হৈছে-'৮৩ যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ 'সহপাঠী', চিনিয়ৰ চিটিজেন ফ'ৰাম যোৰহাট, ভাৰত বিকাশ পৰিষদ, বৃহত্তৰ চন্দন নগৰজন কল্যাণ সমিতি, যোৰহাট বালক বিদ্যালয়, '৭৫-'৮২ৰ বান্ধোন, চিলাৰায় দিৱস উদ্‌যাপন সমিতি, যোৰহাট জিলা পৰিৱেশ মঞ্চ, লিচুবাৰী সাহিত্য সভা, নেচিয়া, ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰামী লুকিনাথ শেনচোৱা স্মৃতিৰক্ষা সমিতি, যোৰহাট সাংস্কৃতিক মঞ্চ, টাই আহোম ছাত্ৰ সন্থা, জয়া সংগীত মহাবিদ্যালয়, তাইচাব যোৰহাট, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজা চক্ৰৱৰ্তী, দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, 'সেৱা'ৰ সভাপতি হেমেন কুমাৰ শইকীয়া, যুৱ কংগ্ৰেছৰ কৃষাণ বৰুৱা, ভাৰতীয় জনতা পাৰ্টি আৰু তিতাবৰৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, অসম সাহিত্য সভাৰ কোষাধ্যক্ষ মণিৰাম লাহন, জিলা প্ৰতিনিধি উত্তম কুমাৰ হাজৰিকা, যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা, বাবুলাল গগৰ, বয়োজ্যেষ্ঠ ব্যক্তি দুলাল গোস্বামী, ভোলানাথ সাহিত্য সভাৰ ড° দিপালী খাৰঘৰীয়া কলিতা, লেখিকা সন্থাৰ সভানেত্ৰী মাননি গগৈ বৰুৱা, ৰ'দালিৰ প্ৰতাপ চন্দ্ৰ শৰ্মা, অষ্টমী দত্ত, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অনিলচন্দ্ৰ গগৈ, ৰাজমাও পুখুৰী সংৰক্ষণ সমিতিৰ স্বদেশ দে আদি। মুক্তিযোদ্ধা সন্মিলনৰ কাৰ্যকৰী সভাপতি গিৰীশ চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ আগবঢ়ায় সন্মিলনৰ সম্পাদক তথা পৰিয়ালৰ ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। সন্মিলনৰ তৰফৰ পৰা উপ-সভাপতিদ্বয় ড° প্ৰমোদ চন্দ্ৰ নেওগ, আভা হাজৰিকা, কাৰ্যালয় সম্পাদক মুনিন্দ্ৰ নাথ দত্ত, নিলীমা নেওগ, ডলি শইকীয়া, সোণালী বুঢ়াগোহাঁই, প্ৰণতি বৰুৱা, বেদান্ত দত্ত, প্ৰণৱ দলৈ, নেচিয়াৰ সৌৰভ জ্যোতি বৰুৱা, চন্দন নগৰৰ জ্যেষ্ঠ ব্যক্তি ড° বিপিন খাঁড়ীয়া, সূৰ্য গগৈকে ধৰি বহুজনে দুয়োগৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত সভাত দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰাহুল বৰা, প্ৰসেনজিৎ লাহনে গীত, শিশুশিল্পী অভিশ্ৰুতি কলিতা, কাঞ্চন ফুকন, গভীয়া গৰবী নেৱৰে নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানৰ আঁতধৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ মৌচুমী মহন্তই।

# ভকতগাঁও মনিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে চতুৰ্দশ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ৰহা, ১০ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৰহাৰ অন্তগত আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ভকতগাওঁ মনিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ সপ্তাহজোৰা বাৰ্ষিক ক্ৰীড়া সমাৰোহ আৰু প্ৰতিষ্ঠা দিৱস টি অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে, ২০১৩ চনৰ প্ৰতিষ্ঠা লাভ কৰা এই শিক্ষানুষ্ঠানখনে চলিত বৰ্ষত ত্ৰয়োৰ্দশ বৰ্ষ সম্পূৰ্ণ কৰি চতুৰ্দশ বৰ্ষত ভৰি দিছে। আজি বিদ্যালয় প্ৰাংগণত অতি উলহ-মালহেৰে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক আজিজুল হকে আঁত ধৰা অনুষ্ঠান টিত প্ৰথমে পতাকা উত্তোলন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ইকবাদুল ইছলামে। ইয়াৰ পাছতে হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতিচ্ছৱিৰ সন্মুখত পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিনে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ ভূমি দাতা স্বগীয় উচন আলীৰ বিদেহী আত্মাৰ চিৰশান্তি বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি সঞ্জয় কুমাৰ কাকতি লগতে অৱশৰপ্ৰাপ্ত শিক্ষক ফকৰুল ইছলাম, ৰফিকুল ইছলাম আৰু অঞ্চলৰ জেষ্ঠ ব্যক্তি তপন ডেকাই ছাত্ৰ-ছাত্ৰী সকলক লৈ সুন্দৰ বক্তব্য আগবঢ়াই। ৬ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা বাৰ্ষিক ক্ৰিয়া সমাৰোহত অংকুৰ পৰা দশম শ্ৰেণীলৈকে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৌৰ, ৰিলে দৌৰ, লং জাম্প, হাই জাম্প কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিজয়ী প্ৰতিযোগীসকলক আজি প্ৰতিষ্ঠা দিৱসতে পুৰস্কৃত কৰা হয়। ইয়াৰ লগতে যোৱা বৰ্ষত অনুষ্ঠিত হোৱা বাৰ্ষিক ক্ৰিয়া সমাৰোহৰ পুৰস্কাৰ সমূহো বিতৰণ কৰা হয় আৰু যোৱা বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্দ্ধনা জনোৱা পিছত বিদ্যালয়ৰ শিক্ষয়িত্ৰীসকল আৰু ছাত্ৰীসকলে মিলি সমবেত সংগীত পৰিৱেশন কৰা পাছত ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন গীত-নৃত্যৰ সমাহাৰে এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সাস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ জাতীয় সংগীতৰে অনুষ্ঠানটিৰ সফল সামৰণি পৰে। উক্ত অনুষ্ঠানত বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সকলো বিষয়ববীয়া, অভিভাৱক সকল আৰু গণ্য-মাণ্য ব্যক্তিসকল উপস্থিত থাকে।

# সংগীতজ্ঞ তথা লেখিকা কল্পনা ভৰালীৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ১০ জানুৱাৰী ঃ** চাৰিগাঁৱৰ ভৰালী চুকৰ পূবেৰুণ মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক, সংগীতজ্ঞ, লেখিকা তথা সমাজসেৱিকা কল্পনা ভৰালীৰ যোৱা নিশা মৃত্যু হয়। চাৰিগাঁও ভৰালী চুক নিবাসী আজীৱন শিশুপ্ৰেমী মহিলাগৰাকীয়ে ১৯৬৬ চনত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত মুম্বাইৰ গন্ধৰ্ব সংগীত মহাবিদ্যালয়ৰ পৰা গায়নত ১৯৭৮ চনত বিষাৰদ ডিগ্ৰী লৈ সংগীতভাৰতী নামৰ এখন সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰি বহু ছাত্ৰ-ছাত্ৰীক সংগীত শিক্ষা প্ৰদান কৰিছিল। প্ৰথমতে চাৰিগাঁও জ্যোতি মইনা পাৰিজাতৰ মইনা হৈ পাছত পূবেৰুণ মইনা পাৰিজাতৰ পৰিচালিকা আৰু সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল। তদুপৰি পূবেৰুণ মহিলা সমিতি গঠন কৰাৰ লগতে তেওঁ সন্মিলিত কৃষ্টি সংঘ, চাৰিগাঁও ২নং পানী যোগান আঁচনিকে ধৰি অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। কবিতা পুথি মৰুদ্যান, লুইতপৰীয়াৰ বিহুগীত, শিশু উপন্যাস সেউজ কুঁৱৰীৰ দেশ, মৰম দেউলত চুন্নী, গল্প সংকলন অন্য কুন্তী প্ৰৱাহ, নানা ৰঙী গল্প, গীতৰ মণিমালাকে ধৰি কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰা লেখিকাগৰাকীৰ লেখা বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ হৈছে। তদুপৰি ডিব্ৰুগড় আৰু যোৰহাট অনাতাঁৰ কেন্দ্ৰৰ যোগে তেওঁৰ নাটক, গীত, মত সম্প্ৰচাৰ হৈছে। যোৰহাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীগৰাকীয অবিবাহিত আছিল। মৃত্যুৰ সময়ত তেওঁ নবৌয়েকে, ভতিজাক সহ আত্মীয়ক এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

# অভয়াপুৰীত ভোগালী মেলাৰ আয়োজন

**অসম বাৰ্তা, অভয়াপুৰী, ১০ জানুৱাৰী ঃ** অভয়াপুৰী পৌৰসভাৰ উদ্যোগত অভয়াপুৰী ৰাজবাৰী পুখুৰী চৌহদত বৃহৎ পৰিসৰত আজিৰে পৰা আৰম্ভ হৈছে ভোগালী মেলা। এই মেলা ১০ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। ভোগালী বিহুৰ আনন্দ, উৎসৱমুখৰ পৰিৱেশ আৰু থলুৱা সংস্কৃতিৰ স্বাদ লৈ অঞ্চলবাসীয়ে এই মেলালৈ বৃহৎ উৎসাহ প্ৰদৰ্শন কৰিছে। উক্ত ভোগালী মেলাত অঞ্চলটোৰ কেইবাটাও মহিলা আত্মসহায়ক গোটে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। মেলাত স্থাপন কৰা বিপনীসমূহত মহিলা আত্মসহায়ক গোটসমূহে নিজ হাতে প্ৰস্তুত কৰা পৰম্পৰাগত পিঠা-পনা, লাৰু, চিৰা-মুৰি, লগতে বিভিন্ন থলুৱা খাদ্য-সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে। ইয়াৰ জৰিয়তে একেদৰে মহিলা আত্মনিৰ্ভৰশীলতা বৃদ্ধি পোৱাৰ লগতে থলুৱা খাদ্যসংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰো সম্ভৱ হৈ উঠিছে। ভোগালী মেলাৰ শুভ উদ্বোধন কৰে অভয়াপুৰীৰ বিশিষ্ট নাগৰিক অমলেন্দু দাসে। আজি মুকলি হোৱা উদ্বোধনী অনুষ্ঠানত অভয়াপুৰী পৌৰসভাৰ পৌৰপতি, উপ-পৌৰপতি, সমজিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অতিথিসকলে ভোগালী মেলাৰ জৰিয়তে সামাজিক সম্প্ৰীতি, সংস্কৃতি আৰু অৰ্থনৈতিক বিকাশত সহায়ক হোৱাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে, ভোগালী মেলাই অঞ্চলটোৰ লোকসকলৰ মাজত উৎসৱৰ আনন্দ বিয়পোৱাৰ লগতে থলুৱা শিল্পী, খাদ্য আৰু পৰম্পৰাক এক নতুন পৰিসৰ প্ৰদান কৰিছে।

# মে-ডাম-মে-ফীত যোৰহাটৰ ছ্যুকাফা সমন্বয় ক্ষেত্ৰত ৰাজ্যিক ভিত্তিত ৰচনা-চিত্ৰাংকন প্ৰতিযোগিতা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১০ জানুৱাৰী ঃ** যোৰহাট পশ্চিম অঞ্চলৰ ম'হবন্ধাস্থিত স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰ (সমাজ)-এ বিগত বছৰবোৰৰ দৰে এইবছৰো ৩১ জানুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফী অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। সেইদিনা অন্যান্য কাৰ্যসূচীৰ লগতে ৰাজ্যিক ভিত্তিত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। সপ্তম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলে ৰচনা প্ৰতিযোগিতাত যোগদান কৰিব পাৰিব। ৰচনাৰ বিষয় 'মে-ডাম-মে-ফী আৰু টাই আহোম সমাজ'। ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত অসমীয়া অথবা ইংৰাজী যিকোনো বিষয়তে ৫০০ শব্দৰ ভিতৰত ৰচনাখন লেখিব লাগিব। প্ৰথম, দ্বিতীয়, তৃতীয় স্থানপ্ৰাপ্তক মানপত্ৰৰ লগতে ক্ৰমে ৩, ২, ১০০০ নগদ টকা প্ৰদান কৰিব। কাকত সমিতিয়ে যোগান ধৰিব যদিও অন্যান্য সামগ্ৰীৰ লগতে অধ্যয়ন কৰি থকা শ্ৰেণীৰ প্ৰমাণপত্ৰ লগত আনিব লাগিব। অসমৰ যিকোনো এটা উৎসৱ বিষয়ক লৈ পঞ্চমৰ পৰা সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে দিনৰ ১০ বজাৰ পৰাই চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰয়োজনীয় সামগ্ৰীৰ লগতে অধ্যয়ন কৰি থকা শ্ৰেণীৰ প্ৰমাণপত্ৰ লগত আনিব লাগিব। পুৰস্কাৰৰূপে মানপত্ৰৰ লগতে প্ৰথম, দ্বিতীয়, তৃতীয় ক্ৰমে ৩, ২, ১০০০ টকা নগদ প্ৰদান কৰিব। আগ্ৰহীসকলে স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰ (সমাজ)ৰ সৈতে সবিশেষ জানিবলৈ ফোন ৯৩৬৫৫৬১৯৫৪, ৯৩৯৫৫৯৬৪৭৫তে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

**নগাঁও জিলাত সাতটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন মন্ত্ৰী অশোক সিংহলৰ**

# নগাঁও জিলা পৰিভ্ৰমণ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন ইত্যাদি বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ

**অসম বাৰ্তা, নগাঁও, ১০ জানুৱাৰী ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি নগাঁও জিলা ভ্ৰমণ কৰে। মন্ত্ৰী গৰাকীয়ে প্ৰথমে নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিত চাপৰমুখ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, লাওপানী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বাৰপুজীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বুঢ়াগোহাঁই থান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পিছত মন্ত্ৰী গৰাকীয়ে বঢ়মপুৰ বিধানসভা সমষ্টিত কঠীয়াতলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। আৰু শেষত তেওঁ নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত কলংপাৰ হালোৱাগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া এই চিকিৎসালয় কেইখন ১৫ মাহত নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্মী নিৰ্ধাৰণ কৰা হৈছে। পৃথক পৃথক কৈ অনুষ্ঠিত হোৱা এই আধাৰশিলাৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা তিনিখন ৰাজহুৱা সভাতো মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। এই ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী গৰাকীয়ে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই অসমত যুগান্তকাৰী পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। স্বাস্থ্যখণ্ডত হোৱা উন্নয়নৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমত পূৰ্বৰ ৬খন চিকিৎসা মহাবিদ্যালয়ৰ ঠাইত বৰ্তমান সময়ত ১৪খন চিকিৎসা মহাবিদ্যালয়ৰ কাৰ্য্যক্ষম হৈ আছে। অহা পাঁচ বছৰত আৰু ১০ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। প্ৰতি বছৰে ১৭০০ এম বি বি এছ চিকিৎসক ওলোৱাৰ ফলত লাহে লাহে চিকিৎসকৰ নাটনি কমি আহিছে। অসমৰ চিকিৎসালয়ত ৯৯ শতাংশ ঔষধ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু চিকিৎসা মহাবিদ্যালয়ৰ পৰা আয়ুস্মান আৰোগ্য মন্দিৰ লৈকে এই ঔষধ উপলব্ধ কৰা হৈছে। অসমৰ ১২৬টা বিধান সভা সমষ্টিত আয়োজন কৰা বৃহৎ স্বাস্থ্য শিবিৰত ১৯ বছৰৰ তলৰ জটিল ৰোগত আক্ৰান্ত প্ৰায় ৪০ হাজাৰ শিশু আৰু কিশোৰৰ উন্নত চিকিৎসা অসমৰ চিকিৎসা মহাবিদ্যালয়ৰ লগতে প্ৰয়োজন অনুসৰি অসমৰ বাহিৰৰ ৰাজ্যত চিকিৎসা কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে সভাত অৱগত কৰে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে এখন স্বাৱলম্বী, বিকশিত আৰু সুৰক্ষিত আধুনিক অসম নিৰ্মাণ গঢ়াৰ বাবে দিনে নিশাই কাম কৰি আছে। এখন বিকশিত অসম নিৰ্মাণ কৰিবলৈ স্বাস্থ্যবান মানৱ সম্পদ গঢ় দিব লাগিব বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে স্বাস্থ্যবান সমাজৰ লগতে স্বাস্থ্যবান অসম নিৰ্মাণ কৰিবলৈ সুখ আৰু শৃংখলিত জীৱন যাপন আৰু যোগাভ্যাস বা আন শাৰীৰিক অনুশীলন কৰিব লাগিব বুলি তওঁ কয়। তেওঁ কয় যে ৰোগৰ চিকিৎসাতকৈ নিৰোগী হৈ থকাটো বেছি গুৰুত্বপূৰ্ণ। স্বাস্থ্যবান বক্তি সমাজৰ সম্পদ। সেইবাবে আমি শাৰীৰিক ভাৱে সক্ৰিয় হৈ থাকিব লাগিব। স্বাস্থ্যবান হৈ থাকিলেহে অসমৰ মানুহ অৰ্থনৈতিক ভাৱে শক্তিশালী হৈ থাকিব পাৰিব। সেয়েহে প্ৰতিগৰাকী নাগৰিককে নিজৰ বাবে এঘণ্টা সময় আছুতীয়াকৈ ৰাখি যোগাভ্যাস, খোজ কঢ়া বা আন শাৰীৰিক অনুশীলনৰ অভ্যাস গঢ়ি তুলিবলৈ সভাত উপস্থিত ৰাইজক আহ্বান জনাই। সভাত মন্ত্ৰী গৰাকীয়ে মেধা ভিত্তিত ডেৰ লক্ষাধিক চৰকাৰী চাকৰি প্ৰদান, মহিলা সবলীকৰণ বাবে মহিলা উদ্যমিতা আচনিকে আদিকে ধৰি ৰাজ্য চৰকাৰে বিগত পাঁচ বছৰত বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত কৰি থকা বিভিন্ন আঁচনি সমূহৰ বিষয়ে বিতংভাৱে আলোকপাত কৰে। তেওঁ এখন আধুনিক বিকশিত অসম নিৰ্মাণ কৰাৰ লগতে অসমক ভাৰতৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত স্থান দিবলৈ ৰাইজক আশীৰ্বাদ দিবলৈ সকলোকে আহ্বান জনায়। নগাঁও জিলাৰ ৰহা, বঢ়মপুৰ আৰু নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিত পৃথক পৃথক কৈ অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত বিধায়কসকল ক্ৰমে শশীকান্ত দাস, জিতু গোস্বামী আৰু ৰূপক শৰ্মাৰ উপৰি নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, তিৱা স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ( স্বাস্থ্য) সুদিপ নাথ, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক পঞ্চম কুমাৰ বৰা প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়া সকলৰ উপৰি নগাঁও বিজেপি জিলা সভাপতি সুবৰ্ণ সিং, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাৰ লগতে বহুতো গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ XV Financeৰ প্ৰতিটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ২, ৪২, ৮২, ৯৪৫.০০টকা পুঁজিৰে নিৰ্মিত হ'ব লগীয়া এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত LDR (2 কক্ষ), পৰীক্ষা/ট্ৰাইজ ৰুম, এনবিচিচি, মাইনৰ অ'টি, নাৰ্ছ ৰেষ্ট ৰুম, মহিলা ৱাৰ্ড, পুৰুষ ৱাৰ্ড, স্বাস্থ্য আৰু সুস্থতা কক্ষ/বক্তৃতাগৃহ, মেডিকেল ষ্টৰ', অ'পিডি, জৰুৰীকালীন/ড্ৰেছিং ৰুম/ টিকাকৰণ কক্ষ, আয়ুষ অ'পিডি, প্ৰতিষেধক শীতলীকৰণ শৃংখল কক্ষ, পেথ লেব, কাৰ্যালয়, অপেক্ষা কক্ষ, ডায়েটাৰী চাৰ্ভিচেছ ৰুম, ৱাশ্বিং এৰিয়াৰ বাবে ঠাই, ফিডিং কক্ষৰ লগতে আন আনুষংগিক সুবিধা থাকিব। আনহাতে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি নগাওঁ জিলা ভ্ৰমণৰ কাৰ্যসূচীৰ প্ৰথমে জিলাখনৰ কপিলী নৈৰ দক্ষিণত অৱস্থিত আনুমানিক ১২ শ শতিকাত স্থাপন হোৱা প্ৰাচীন ঐতিহ্যমণ্ডিত আই বসুন্ধৰী থান দৰ্শন কৰি পূজা অৰ্চনা কৰাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ লগত মত বিনিময় কৰে। ইয়াৰ উপৰি মন্ত্ৰী গৰাকীয়ে বসুন্ধৰী এল আই এছ জলসিঞ্চন আঁচনিখন পৰিদৰ্শন কৰে। উল্লেখ্য যে বিগত ২০ বছৰ অধিক কাল বিকল হৈ থকা এই বসুন্ধৰী এল আই এছ জলসিঞ্চন আঁচনিখন বিভাগে পুনৰ্জীৱিত কৰাৰ ফলত অঞ্চলটোৰ প্ৰায় ৩৫০ হেক্টৰ কৃষভূমিত কৃষক ৰাইজে খেতি কৰিব পৰাকৈ পানী যোগান সম্ভৱ হৈ উঠিছে।

## মুকালমুৱাত ক্ষুদ্ৰ পুথিভঁৰাল স্থাপন এগৰাকী মহিলা বিষয়াৰ

# যুৱ-প্ৰজন্মক কিতাপৰ প্ৰতি নিচাসক্ত কৰাৰ প্ৰয়াস এগৰাকী লেখিকাৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুকালমুৱাৰ পদপথত এটি ক্ষুদ্ৰ পুথিভঁৰাল স্থাপনৰ জৰিয়তে এক ব্যতিক্ৰমী পৰিৱেশৰ সূচনা কৰিছে এগৰাকী মহিলা লেখিকাই। পুথিভঁৰালটোৰ নাম দিছে 'বৈ যা বাটৰুৱা'। পদপথৰ দাঁতিত স্থাপন কৰা পুথিভঁৰালটোৱে বিভিন্ন প্ৰান্তৰ বাটৰুৱাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। শৈশৱৰে পৰা অধ্যয়নৰ প্ৰতি থকা নিচা আৰু লেখা মেলা কৰা এগৰাকী মহিলা বিষয়াই এটি ক্ষুদ্ৰ পুথিভঁৰাল সাজি উলিয়াই পদপথৰ বাটৰুৱা পঢ়ুৱৈৰ বাবে কিতাপ পঢ়াৰ সুবিধা কৰিছে। লেখিকাগৰাকীয়ে পুথিভঁৰালটো স্থাপন কৰি সামাজিক মাধ্যমত লিখিছে যে বহুদিনীয়া এক সপোন লৈ কিতাপৰ পৃথিৱীখনৰ সৈতে নতুন প্ৰজন্মক চিনাকি কৰাই কিতাপ পঢ়াৰ পৰিৱেশ গঢ়ি তোলাতো তেওঁৰ মনতে নৈতিক দায়িত্ব হিচাপে লৈছে। এই মহিলা লেখিকাগৰাকী হৈছে শিৱানী বৰা। বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত লেখিকা শিৱানী বৰাই মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যাললয়ৰ সন্মুখৰ গুৱাহাটী-মুকালমুৱা- দৌলাশাল-বৰপেটা মূল ঘাইপথৰ দাঁতিত পথিকৰ বাবে পুথিভঁৰালটো সম্পূৰ্ণ কৰি উলিয়াইছে। উক্ত ক্ষুদ্ৰ পুথিভঁৰালটোত তেওঁ নিজে লিখা তিনিখনকৈ কিতাপৰ উপৰিও অন্যান্য লেখকৰ কেইবাখনো গ্ৰন্থৰে এটি পূৰ্ণাংগ পুথিভঁৰাললৈ ৰূপান্তৰিত কৰিছে। বৰক্ষেত্ৰীত বিষয়া হিচাপে কৰ্মৰত লেখিকাগৰাকীৰ এই প্ৰয়াসক বৰক্ষেত্ৰীৰ পঢ়ুৱৈ সমাজ তথা সচেতন মহলে ভূয়সী প্ৰশংসা কৰাও পৰিলক্ষিত হৈছে। লেখিকাগৰাকীৰ বিশ্বাস যে তেওঁৰ এই কৰ্মই যুৱ- প্ৰজন্মৰ মাজত অধ্যয়নৰ এক আন্দোলন গঢ়ি তুলিব। অসমৰ প্ৰতিটো অঞ্চলতেই এনে ক্ষুদ্ৰ পুথিভঁৰাল গঢ়ি উঠাৰ কামনা কৰা লেখিকাগৰাকীয়ে কামনা কৰিছে যাতে পথচাৰীসকলে ক্ষুদ্ৰ পুথিভঁৰালটোত এপলক বৈ সকলোৱে হাতত তুলি লওক কিতাপ। যাৰ বাবে তেওঁ পুথিভঁৰালটোৰ নাম দিছে 'বৈ যা বাটৰুৱা'। ইয়াৰ জৰিয়তে নৱ-প্ৰজন্মৰ মাজত এক ভাল অভ্যাস গঢ়ি উঠাৰ লগতে নৱ প্ৰজন্মৰ মাজলৈ এক ভাল বাৰ্তা যাব বুলিও লেখিকা শিৱানী বৰাই উল্লেখ কৰে। লেখিকাগৰাকীয়ে সামাজিক মাধ্যমত মন্তব্য আগবঢ়াইছে এনেদৰে, "আমাৰ ঘৰুৱা পৰিৱেশটো পঢ়াৰ মাজেৰে গৈছিল। সৰুৰে পৰা হাতত কিতাপ তুলি দিছিল। যাৰ দ্বাৰা মই কিতাপৰ পৃথিৱীখনৰ সৈতে পৰিচিত। মই লিখিও ভালপাওঁ। মই লিখা ৫খন কিতাপ আছে। ইয়াৰে এখন গল্প সংকলন আৰু চাৰিখন উপন্যাস। এই সন্দৰ্ভত শিৱানী বৰাই কয় বৰ্তমান আধুনিক সময়ৰ তথ্য প্ৰযুক্তিৰ যুগত মানুহৰ মাজত কিতাপ পঢ়াৰ অভ্যাসটো নাইকিয়া হৈ গৈছে। এতিয়া ডিজিটেল যুগ আৰম্ভ হোৱাত শিশুসকল মোবাইলৰ সৈতেই ডাঙৰ হয়। যাৰ বাবে কিতাপ পঢ়াৰ অভ্যাস নাইকিয়া হৈ গৈছে। সেয়েহে তেওঁ এটি শিশু বা এজন ছাত্ৰক কিতাপৰ সৈতে পৰিচয় কৰাই দিয়াতো অতিকৈ জৰুৰী বুলি অনুভৱ কৰি এই পদক্ষেপ গ্ৰহণ কৰিছে। আমি যিমানেই আগবাঢ়ি নাযাওক কিয় কিতাপ পঢ়িবই লাগিব। কিতাপৰ মাজৰেহে কিবা এটা শিকিব পাৰি। কিতাপৰ জ্ঞানখিনি সদায় চিৰস্থায়ী। উল্লেখ্য যে বৃহত্তৰ বৰক্ষেত্ৰী অঞ্চলত নিচাজাতীয় দ্ৰব্যৰ অবাধ সেৱনে নৱ-প্ৰজন্মক বিপথে পৰিচালিত কৰাৰ সময়তে মুকালমুৱাত এগৰাকী চৰকাৰী বিষয়া হিচাপে কৰ্মৰত হৈ থকা লেখিকাগৰাকীয়ে কিতাপৰ নিচাৰে ড্ৰাগছৰ নিচাক পৰাভূত কৰাৰ বাবে কৰা প্ৰয়াসক সকলোৱে উচ্চ প্ৰশংসা কৰিছে।

## সম্পাদকীয়

# উৰুকাৰ বজাৰত মূল্য নিয়ন্ত্ৰণ; বিশেষ টাস্ক ফৰ্চ

**মা**ঘ বিহু অসমীয়া সমাজ-সংস্কৃতিৰ এক অঙ্গ। এই উৎসৱত উৰুকাৰ ভোজ-ভাতৰ ধুমধামে এক সুখৰ স্মৃতিৰ সৃষ্টি কৰে। কিন্তু দুখৰ বিষয়, কেইবছৰমানৰ পৰা উৰুকাৰ আগমুহূৰ্তত মাছ-মাংস, কণী, গাখীৰ আদি খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি যোৱা দেখা যায়। অসাধু ব্যৱসায়ীয়ে চাহিদা বৃদ্ধি পালে দাম অনিয়ন্ত্ৰিতভাৱে বঢ়াই দিয়ে, যাৰ ফলত সাধাৰণ মানুহৰ বাবে উৰুকাৰ প্ৰস্তুতি কষ্টকৰ হৈ পৰে। এনে পৰিস্থিতিত অসম চৰকাৰে উৰুকাৰ বজাৰত কঠোৰ নজৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যাৰ বাবে নিশ্চয় সকলো শ্ৰেণীৰ মানুহে স্বস্তি পালে। যোৱা শনিবাৰে মীন বিভাগ আৰু পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে সংবাদমেলত এই বিষয়ে ঘোষণা কৰিছে। তেওঁ কৈছে যে জিলা আয়ুক্তসকলে নিৰ্ধাৰণ কৰা মূল্যতহে মাছ-মাংস আদি বিক্ৰী কৰিব পৰা যাব। ইয়াৰ বাবে বিশেষ টাস্ক ফৰ্চ গঠন কৰি বজাৰে বজাৰে নিৰীক্ষণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত যোৱা বছৰৰ পৰা এই ব্যৱস্থা হাতত লোৱা হৈছে। চৰকাৰৰ এই পদক্ষেপ নিশ্চয়ৰূপে সাধাৰণ ৰাইজৰ হিতাৰ্থে। অৱশ্যে, চৰকাৰৰ এই ঘোষণাৰ পিছত সাধাৰণ ৰাইজৰ মনত নানান প্ৰশ্ন উদয় হৈছে। প্ৰথম আৰু প্ৰধান প্ৰশ্ন হ'ল- নিৰ্ধাৰিত মূল্যবোৰ কেনেদৰে স্থিৰ কৰা হ'ব? দাম স্থিৰ কৰোঁতে পূৰ্বৰ বজাৰ দৰ, উৎপাদন খৰচ, পৰিবহণ ব্যয়, ব্যৱসায়ীৰ যুক্তিসঙ্গত লাভ আদি বিবেচনা কৰিব নে? যদি দাম অত্যন্ত নিম্নমানৰ হয়, তেন্তে ব্যৱসায়ীয়ে সামগ্ৰী বিক্ৰী কৰাত অনিচ্ছা দেখুৱাব পাৰে, ফলত বজাৰত অভাৱে দেখা দিব পাৰে। আনহাতে, দাম বেছি হ'লে ৰাইজৰ কোনো লাভ নহ'ব। দ্বিতীয়তে, বিশেষ টাস্ক ফৰ্চৰ কাৰ্যকৰীতা কিমানদূৰ সফল হ'ব? প্ৰতিখন জিলাত থকা সকলো বজাৰ একে সময়তে চোৱাটো টাস্ক ফৰ্চৰ বাবে কিমান সম্ভৱপৰ হ'ব? সীমিত লোকবল আৰু সম্পদৰে এই কাজ সফলতাৰে সম্পাদন কৰাটো এক প্ৰত্যাহ্বান। তৃতীয়তে, ৰাইজে অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ কি ব্যৱস্থা আছে? অভিযোগ দাখিল কৰাৰ পদ্ধতি সৰল, দ্ৰুত আৰু গোপনীয় হ'ব লাগে, নহ'লে ৰাইজে ভয়ত অভিযোগ কৰিবলৈ আগবাঢ়ি নাহে। আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল- মূল্য নিয়ন্ত্ৰণৰ লগত খাদ্য সামগ্ৰীৰ গুণাগুণৰ নিশ্চয়তা কেনেদৰে ৰক্ষা কৰিব? কেতিয়াবা দাম কমাৰ সুযোগত ব্যৱসায়ীয়ে নিম্নমানৰ সামগ্ৰী বিক্ৰী কৰিবলৈ ল'ব পাৰে। গতিকে, গুণাগুণ পৰীক্ষাৰ বাবে পৃথক ব্যৱস্থা থাকিব লাগিব। লগতে, এই ব্যৱস্থা কেৱল উৰুকালৈ সীমিত নাৰাখি অন্যান্য উৎসৱ-পাৰ্বণতো প্ৰয়োগ কৰিবলৈ চৰকাৰে চিন্তা কৰিব লাগে। কিয়নো, দীপাৱলী, ঈদ, জন্মাষ্টমী আদি অনুষ্ঠানতো একেধৰণৰ সমস্যাই দেখা দিয়ে। সাধাৰণ মানুহে আৰু এটা প্ৰশ্ন সুধিব পাৰে- যোৱা বছৰো একে ব্যৱস্থা লোৱা হৈছিল, কিন্তু ইয়াৰ প্ৰভাৱ কিমান দূৰগামী হৈছিল? মূল্য নিয়ন্ত্ৰণৰ বাবে দীৰ্ঘম্যাদী নীতিৰ প্ৰয়োজন নেকি? সৰ্বোপৰি, চৰকাৰৰ এই পদক্ষেপক সাধাৰণ ৰাইজে ইতিবাচক দৃষ্টিৰে চাইছে। কিন্তু ইয়াৰ সফল বাস্তৱায়নহে প্ৰকৃত পৰীক্ষা। ইয়াত চৰকাৰ, ব্যৱসায়ী আৰু ৰাইজ- তিনিওটা পক্ষৰে সহযোগিতাৰ প্ৰয়োজন। ব্যৱসায়ীসকলে যুক্তিসঙ্গত লাভৰ মাজেদি ব্যৱসায় চলোৱা উচিত, ৰাইজে সচেতন হৈ অসাধুতাৰ বিৰুদ্ধে থিয় দিব লাগিব, আৰু চৰকাৰে পাৰদৰ্শিতাৰে এই ব্যৱস্থা পৰিচালনা কৰিব লাগিব। উৰুকাৰ বজাৰত ন্যায় প্ৰতিষ্ঠা হ'লে মাঘ বিহুৰ উৎসৱ আৰু উল্লাসময় হ'ব। আশা কৰোঁ, চৰকাৰৰ এই যন্ত্ৰণাই উৰুকাৰ বজাৰত ন্যায় প্ৰতিষ্ঠা কৰিব পাৰিব। মাছ-মাংসৰ দাম স্থিৰ ৰাখি সাধাৰণ ৰাইজক উৰুকাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাত সহায় কৰিব। মাঘ বিহুৰ উৎসৱ আনন্দময় হওক- এয়ে আমাৰ কামনা।

# মেজিৰ স্থলীত ভেলাঘৰ সাজি বিহু মৰা অনুচিত নেকি?

**অ**সমৰ বাপতি সাহোন বিহু তিনিটাৰ ভিতৰত মাঘ বিহু অসমীয়াৰ ভোগৰ বিহু। মাঘ বিহুক সেয়েহে ভোগালী বিহু বুলিও কয়। আমাৰ সকলোৰে অৱগত এই যে পুহ মাহৰ সংক্ৰান্তিৰ দিনা মেজি জ্বলাই ভোগৰ উৎসৱ ভোগালী বিহু বা মাঘ বিহু অনুষ্ঠিত কৰা হয়। বিহুৰ আগদিনাখনক উৰুকা বুলি কোৱা হয়। উৰুকাৰ সন্ধিয়া গাঁৱৰ নামঘৰৰ, সংঘ, সামাজিক অনুষ্ঠান -প্ৰতিষ্ঠান আদিৰ চৌহদ আৰু কোনো কোনোৱে পথাৰত ভেলাঘৰ আৰু মেজি সাজি তাৰ তলত আত্মীয়স্বজন, বন্ধু বান্ধৱ মিলি এসাজ ভাত মাছ-মাংসৰে ভালকৈ খোৱাৰ পৰম্পৰা অতিজৰে পৰা চলি আহিছে। আজিকালি অৱশ্যে পথাৰত ভেলাঘৰ সাজি মেজি জ্বলোৱা দৃশ্য চাবলৈ পোৱা একেবাৰে দুৰ্লভ। সম্প্ৰতি অসমীয়াৰ বাপতি সাহোন বিহু তিনিটাৰ বৈশিষ্ট্য আৰু চাৰিত্ৰিক দিশটোৰ ওপৰত আমি কোনো কোনো ক্ষেত্ৰত কুঠাৰঘাত কৰিছোঁ নেকি? অসমৰ কেইবাটাও জাতীয় আৰু সাংস্কৃতিক সংগঠনে ইতিমধ্যে মাঘ বিহুৰ পৰম্পৰা ৰক্ষা কৰাৰ কিছুমান নীতি -আদৰ্শ সামাজিক মাধ্যমৰ যোগেদি প্ৰতি বছৰে প্ৰচাৰ কৰি অহা দেখা গৈছে। মাঘ বিহুৰ পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ গৈ বহাগ বিহুত প্ৰদৰ্শন কৰা পৰিৱেশ্য কলাসমূহ পৰিৱেশন কৰাতো এক খিছিৰি বুলি অভিহিত কৰিব খোজে বহুতে। বিশেষকৈ নগাঁৱৰ নেহৰু বালিত অনুষ্ঠিত ভোগালী উৎসৱত সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত কৰি মাঘ বিহুৰ পৰম্পৰাক উদযাপন সমিতিয়ে ভৰিৰে মোহাৰি পেলোৱা বুলি অভিযোগ উঠি আহিছে। সেইটো তেওঁলোকৰ পৰম্পৰা বুলি দাই খাৰিব খোজা কথাটোও বহুতে আপত্তি কৰি অহা দেখি আহিছোঁ। তদুপৰি কেইবাটাও বৈদ্যুতিন চেনেলত প্ৰাক্-ভোগালী বিহু উদযাপনৰ নামত ৰং-ৰহইছ, হুঁচৰি, বিহু নাচ আদি পৰিবেশন কৰি ভোগালী বিহুৰ পৰম্পৰা আৰু বৈশিষ্ট্যক ম্লান কৰা অভিযোগৰ কথা নকলো বাৰু। আনকি মুক্তি বাহিনী অসমে (স্বাধীন) তথা "আলফা" ই প্ৰত্যেক বছৰে মেজি জ্বলাই মেজিৰ কাষত বিহু পৰিৱেশন কৰি আনন্দ উপভোগ কৰি অহা দৃশ্যই সামাজিক মাধ্যমত ভাইৰেল হোৱা দৃশ্যও বিদ্যমান। এতিয়া কথা হ'ল অসমীয়া বুলি আমি নিজকে পৰিচয় দি ভালপোৱা সকলে বছৰেকৰ বিহু দিনা, সেইয়া লাগিলে বহাগ বিহু, মাঘ বিহু বা কাতি বিহু যিয়েই নহওক, বাপতি-সাহোন বিহুত ঢোল তাল বজাই আনন্দ-স্ফূৰ্তি কৰা দেখি সেইয়া পৰম্পৰা গৰ্হিত কাম বুলি কোৱাসকলে অলপ ভাবি চোৱা উচিত বুলি ভাবো। কাৰণ, আমি গাঁৱৰ মানুহ। সৌ সিদিনালৈকে গাঁওবোৰত বিদ্যুত সংযোগ নাছিলেই। আজিৰ দৰে বৈদ্যুতিন ডি-জেৰো প্ৰভাৱ পৰা নাছিল। সেইসময়ত তোলনি বিয়া, বৰ-বিয়া, পাৰ্টি, বিহু আদিত ঢোল-তালৰেই প্ৰভাৱ বেছি আছিল। মাহ-দিনৰ লেখ-জোখ নাছিল। আজি অত্যাধুনিক প্ৰযুক্তিয়েও অসমীয়াৰ বাপতি সাহোন বিহুকেইটাত ঢোল-তালৰ প্ৰভাৱক ম্লান কৰিব নোৱাৰাটো অসমীয়া হিচাপে আমি গৌৰৱহে কৰিব লাগে। প্ৰতিবাদ কিয়? গীতিকাৰৰ ভাষাত - আমি লাগিব লাগে ক'ত লাগি আছো ক'ত? অসমৰ সাংস্কৃতিক জগতৰ পুৰোধা ব্যক্তিসকলৰ লগতে জাতীয় সংগঠনসমূহে উপলব্ধি কৰা উচিত, মেজিৰ স্থলিত ভেলাঘৰ সাজি বিহু মৰা অনুচিত নেকি?

*ব্ৰজেন দাস*
*ঠিকনা শিৱসাগৰ*
*ফোন : ৮৬৩৮৭৫৯৬৭৯*

◀◀ শিশুৰ বিকাশৰ বাবে শাৰীৰিক খেলাৰ উপৰিও সৃজনশীল আৰু শিক্ষামূলক খেলাৰ গুৰুত্বও অপৰিসীম। অংকন, ৰং কৰা বা সমস্যা সমাধান মূলক (ছবিৰ টুকুৰা মিলাই সম্পূৰ্ণ ছবি তৈয়াৰ কৰা, খেলি-মেলি কৰি থোৱা শব্দ মিলোৱা, সংখ্যা মিলোৱা আদি) খেলৰ দৰে সৃজনশীল খেলাই শিশুৰ কল্পনাশক্তি, চিন্তাশীলতা আৰু সৃজনশীলতাৰ বিকাশ ঘটায়। এই ধৰণৰ খেলাই শিশুক নিজৰ ভাৱনা প্ৰকাশ কৰাৰ সুযোগ দিয়ে, যি তেওঁলোকৰ আৱেগিক বিকাশৰ বাবে অতি উপকাৰী। আনহাতে, এই খেল সমূহে শিশুক সমস্যা সমাধান, যুক্তিভিত্তিক চিন্তা, মনোৰঞ্জন সুলভ শিক্ষা, হাত আৰু চকুৰ সমন্বয় সাধন, স্মৃতিশক্তিৰ উন্নয়ন আদিৰ ক্ষেত্ৰত আগবঢ়ায় নি শৈক্ষিক ক্ষমতা বৃদ্ধি কৰি তোলে। ▶▶

# শিশুৰ শাৰীৰিক কাৰ্য আৰু খেল-ধেমালি

নলিনী ৰঞ্জন ভূঞা

**শি**শুৰ জীৱনত খেল-ধেমালিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। খেল-ধেমালি কেৱল শিশুৰ সময় কটোৱাৰ উপায় নহয়, বৰঞ্চ ই তেওঁলোকৰ শাৰীৰিক, মানসিক, সামাজিক আৰু আৱেগিক বিকাশৰ এক অপৰিহাৰ্য অংশ। শিশুৰ শৰীৰ আৰু মগজুৰ সুস্থ বিকাশৰ বাবে শাৰীৰিক কাৰ্যকলাপ আৰু খেল-ধেমালিৰ কোনো বিকল্প নাই। খেলৰ মাজেৰে শিশোৱে কেৱল শাৰীৰিকভাৱে সক্ষম হৈ উঠাই নহয়, সামাজিক আৰু মানসিকভাৱেও পৰিপূৰ্ণ হৈ উঠে। খেলৰ জৰিয়তে শিশুসকলে নিজৰ নিজৰ বুদ্ধিমত্তা প্ৰকাশ কৰাৰ সুযোগ পায় আৰু শিশুটি অধিক কল্পনামুখী হয়। খেল ধেমালিয়ে শিশুক আনন্দিত কৰাৰ লগতে শাৰীৰিক বিকাশত সহায় কৰে। আমাৰ এই লেখাত শিশুৰ শাৰীৰিক কাৰ্যকলাপ, খেল-ধেমালিৰ গুৰুত্ব, ইয়াৰ বিভিন্ন দিশ আৰু সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে এটি আলোচনা ডাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

শিশুৰ শাৰীৰিক বিকাশৰ ক্ষেত্ৰত খেল-ধেমালিয়ে কেনেদৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, সেই কথা সকলো পিতৃ-মাতৃ আৰু শিক্ষকে গভীৰভাৱে উপলব্ধি কৰাতো অতিকে প্ৰয়োজন। শৰীৰৰ পেশী আৰু হাড়ৰ গঠন শক্তিশালী কৰাৰ লগতে খেলে শিশুৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। যি শিশোৱে নিয়মিতভাৱে খেল-ধেমালিত অংশগ্ৰহণ কৰে, তেওঁৰ শৰীৰত স্থূলতা, বিকাশহীনতাৰ দৰে অসুখৰ সম্ভাৱনা কমি যায়। শাৰীৰিক কাৰ্যকলাপে শৰীৰৰ পৰিৱৰ্তনশীলতা আৰু সহনশীলতা বৃদ্ধি কৰে, যাৰ ফলত শিশোৱে দৈনন্দিন জীৱনত বেছি সক্ৰিয় আৰু উৎসাহী হৈ উঠে। যেতিয়া শিশুয়ে দৌৰে, জঁপিয়ায় বা অনান্য শৰীৰ সঞ্চালন হোৱা খেল ধেমালি খেলে তেতিয়া তেওঁলোকৰ মাংসপেশী শক্তিশালী হয়, হাড়ৰ গঠন মজবুত হয় আৰু শৰীৰৰ সমন্বয় ক্ষমতা বৃদ্ধি পায়। এই ধৰণৰ কাৰ্যকলাপে শিশুৰ হৃদযন্ত্ৰৰ স্বাস্থ্যৰ উন্নতি ঘটায়, ৰক্ত সঞ্চালন বৃদ্ধি কৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰে।



খেল-ধেমালিয়ে শিশুৰ মানসিক বিকাশতো গভীৰ প্ৰভাৱ পেলায়। যেতিয়া শিশোৱে খেল পথাৰত দৌৰাদৌৰি কৰে বা কোনো দলগত খেলত অংশ লয়, তেতিয়া তেওঁৰ মগজুত 'এণ্ডৰফিন' নামৰ এবিধ ৰাসায়নিক পদাৰ্থ নিঃসৃত হয়, যিয়ে তেওঁক সুখী কৰি ৰাখে আৰু তৃপ্তি লাভ কৰে। ইয়াৰ উপৰিও খেলে শিশুৰ চিন্তাশক্তি, সিদ্ধান্ত লোৱাৰ দক্ষতা আৰু সমস্যা সমাধানৰ কৌশল উন্নত কৰে। উদাহৰণ স্বৰূপে- এজন শিশোৱে ফুটবল খেলি থাকোঁতে ক'ত বল পাছ দিব লাগে বা ক'ৰ পৰা বিপক্ষ দলৰ আক্ৰমণ অহাৰ সম্ভাৱনা থাকে এইবোৰ দ্ৰুতভাৱে চিন্তা কৰি বাধা দিয়াৰ পদক্ষেপ লব পাৰে। একেদৰে খেলে শিশুৰ বৌদ্ধিক ক্ষমতাকো সজীৱ কৰি ৰাখে। আজিকালিৰ ডিজিটেল যুগত শিশুসকলৰ মাজত স্মাৰ্টফোন, টেলিভিছন আৰু ভিডিঅ' গেমৰ প্ৰতি আসক্তি বৃদ্ধি পাইছে, যাৰ ফলত শাৰীৰিক কাৰ্যকলাপৰ পৰিমাণ হ্ৰাস পাইছে। এই পৰিৱৰ্তনৰ ফলত স্থূলতা, ডায়েবেটিছ আৰু হৃদৰোগৰ দৰে স্বাস্থ্যজনিত সমস্যা শিশুৰ মাজত বৃদ্ধি পাইছে। সেয়েহে শিশুক নিয়মিত খেলা-ধূলাৰ প্ৰতি উৎসাহিত কৰাটো অতি জৰুৰী। উদাহৰণ স্বৰূপে-চাইকেল চলোৱা, সাঁতোৰ বা ফুটবল খেলাৰ দৰে কাৰ্যকলাপে শিশুক সক্ৰিয় আৰু সুস্থ কৰি ৰাখে। এই কাৰ্যকলাপ সমূহে শিশুৰ শৰীৰৰ নমনীয়তা বৃদ্ধি কৰে আৰু তেওঁলোকক শক্তিশালী কৰি তোলে। ইয়াৰ উপৰিও নিয়মিত শাৰীৰিক কাৰ্যকলাপে শিশুৰ টোপনিৰ মান উন্নত কৰে, যি তেওঁলোকৰ মানসিক স্বাস্থ্যৰ বাবেও অতি উপকাৰী। খেল-ধেমালিৰ জৰিয়তে শিশুৰ মানসিক বিকাশো ত্বৰান্বিত হয়। খেলাৰ সময়ত শিশুৱে নতুন নতুন কথা শিকে, সমস্যা সমাধানৰ দক্ষতা গঢ়ি তোলে আৰু নিজৰ সৃজনশীলতা প্ৰকাশ কৰে। যেতিয়া শিশুয়ে খেলৰ প্ৰতি আগ্ৰহ কৰে বা দলীয় ভিত্তিত খেলিবলৈ আগবাঢ়ি যায় আৰু খেলাৰ নিয়ম মানি চলে, তেতিয়া তেওঁলোকৰ চিন্তাশক্তি আৰু যুক্তিবিচাৰৰ ক্ষমতা বৃদ্ধি পায়। উদাহৰণ স্বৰূপে -লুকাভাকু খেলাৰ সময়ত শিশু জনে কৌশলগত ভাৱে চিন্তা কৰে যে, লুকাই থকা শিশুজন ক'ত থাকিব পাৰে বা তেওঁক কেনেকৈ বিচাৰি উলিয়াব পাৰিব। এনে কথাই তেওঁলোকৰ চিন্তাৰ বিকাশত সহায় কৰে। আনহাতে, অংকন কৰা, ৰং কৰা বা খেলি মেলি হৈ থকা বস্তু সঠিক ভাৱে মিলোৱা আদিৰ দৰে কাৰ্যকলাপে শিশুৰ কল্পনাশক্তি আৰু সৃজনশীলতাৰ বিকাশ ঘটায়। এই ধৰণৰ খেলাই শিশুক নিজৰ চিন্তা আৰু আৱেগ প্ৰকাশ কৰাৰ সুযোগ দিয়ে, যি তেওঁলোকৰ মানসিক স্বাস্থ্যৰ বাবে অতি উপকাৰী। খেলা-ধূলাৰ জৰিয়তে শিশুৰ মানসিক চাপ হ্ৰাস পায়। স্কুলৰ পঢ়াশুনা, পৰীক্ষা বা পৰিয়ালৰ পৰা পোৱা চাপৰ প্ৰভাৱ শিশুৰ মনতো পৰিব পাৰে। খেলাৰ সময়ত শিশোৱে এই সকলোবোৰ চিন্তাৰ পৰা মুক্ত হৈ আনন্দ উপভোগ কৰে, যি তেওঁলোকৰ মানসিক সুস্থতাৰ বাবে অতি প্ৰয়োজনীয়। খেলৰ জৰিয়তে শিশুৰ মাজত আত্মবিশ্বাস আৰু আত্মসন্মানৰ বিকাশ ঘটে, কিয়নো তেওঁলোকে নিজৰ দক্ষতা আৰু সাফল্যৰ অভিজ্ঞতা লাভ কৰে।

শিশুৰ সামাজিক দক্ষতাৰ বিকাশত খেল-ধেমালিৰ ভূমিকা অতুলনীয়। দলবদ্ধ খেল যেনে- ক্ৰিকেট, কবাডি বা ফুটবলৰ দৰে খেলত শিশুসকলে একেলগে কাম কৰিবলৈ শিকে। এই খেলা সমূহত তেওঁলোকে নিয়ম মানি চলা, দলীয় কামৰ মনোভাৱ আৰু নেতৃত্বৰ গুণৰ বিকাশ ঘটাৰ দৰে বিষয় সমূহৰ জ্ঞান আয়ত্ত কৰে। উদাহৰণস্বৰূপে-ক্ৰিকেট খেলাৰ সময়ত এজন শিশুৱে দলক নেতৃত্ব দিবলৈ শিকে, আন এজনে দলৰ সদস্য হিচাপে সহযোগিতা কৰিবলৈ শিকে। এই প্ৰক্ৰিয়াই শিশুক শৃংখলা, দায়িত্ববোধ আৰু নৈতিকতাৰ ধাৰণা শিকায়। একেদৰে দলগত খেলৰ জৰিয়তে শিশোৱে-জিকিবলৈ হ'লে দলৰ প্ৰতিজন সদস্যৰে পৰিশ্ৰম আৰু সমন্বয় যে আৱশ্যক সেই বিষয়েও শিক্ষা লাভ কৰে। আনকি হাৰ মানি ল'বলগীয়া হ'লেও খেলুৱৈসকলে সেয়া গ্ৰহণ কৰি পুনৰ চেষ্টা কৰিব লাগে- এই শিক্ষাই শিশুক জীৱনৰ প্ৰতি এক ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলাত অৰিহণা যোগায়। খেলাৰ সময়ত শিশোৱে নিজৰ সহপাঠী বা বন্ধুৰ সৈতে সম্পৰ্ক গঢ়ি তোলে, যি তেওঁলোকৰ সামাজিকতাৰ বিকাশত সহায় কৰে। দলগত ভাৱে খেলাৰ সময়ত শিশুৰ মাজত মতানৈক্য বা সংঘাত হ'ব পাৰে। এনে পৰিস্থিতিত তেওঁলোকে নিজৰ মাজতে আলোচনা কৰি সমাধান বিচাৰি উলিয়ায়, যিয়ে তেওঁলোকৰ সংঘাত সমাধানৰ দক্ষতাও বৃদ্ধি কৰে। এই দক্ষতাই শিশুক ভৱিষ্যত জীৱনত, বিশেষকৈ কৰ্মক্ষেত্ৰত বা সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত অতি উপকাৰী কৰি তোলে। খেলাৰ জৰিয়তে শিশোৱে সহানুভূতি, ধৈৰ্য্য আৰু আনৰ দৃষ্টিভংগী বুজি পোৱাৰ ক্ষমতা শিকে, যি তেওঁলোকৰ সামাজিক জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ।


শিশুৰ বিকাশৰ বাবে শাৰীৰিক খেলাৰ উপৰিও সৃজনশীল আৰু শিক্ষামূলক খেলাৰ গুৰুত্বও অপৰিসীম। অংকন, ৰং কৰা বা সমস্যা সমাধান মূলক (ছবিৰ টুকুৰা মিলাই সম্পূৰ্ণ ছবি তৈয়াৰ কৰা, খেলি-মেলি কৰি থোৱা শব্দ মিলোৱা, সংখ্যা মিলোৱা আদি) খেলৰ দৰে সৃজনশীল খেলাই শিশুৰ কল্পনাশক্তি, চিন্তাশীলতা আৰু সৃজনশীলতাৰ বিকাশ ঘটায়। এই ধৰণৰ খেলাই শিশুক নিজৰ ভাৱনা প্ৰকাশ কৰাৰ সুযোগ দিয়ে, যি তেওঁলোকৰ আৱেগিক বিকাশৰ বাবে অতি উপকাৰী। আনহাতে, এই খেল সমূহে শিশুক সমস্যা সমাধান, যুক্তিভিত্তিক চিন্তা, মনোৰঞ্জন সুলভ শিক্ষা, হাত আৰু চকুৰ সমন্বয় সাধন, স্মৃতিশক্তিৰ উন্নয়ন আদিৰ ক্ষেত্ৰত আগবঢ়ায় নি শৈক্ষিক ক্ষমতা বৃদ্ধি কৰি তোলে। অসমৰ পৰম্পৰাগত খেল যেনে- ঢোপখেল, কড়িখেল, টাংগুটি আদি খেলাই শিশুক স্থানীয় সংস্কৃতিৰ সৈতে জড়িত কৰি ৰাখে। এনে খেলৰ জৰিয়তে শিশোৱে নিজৰ ঐতিহ্য আৰু পৰিচয়ৰ বিষয়ে জানিব পাৰে, যিয়ে তেওঁলোকৰ সাংস্কৃতিক সচেতনতা বৃদ্ধি কৰে। শিশুৰ খেল-ধেমালিৰ প্ৰভাৱ কেৱল ব্যক্তিগত স্তৰতেই সীমাবদ্ধ নহয়, ই সমাজৰ ওপৰতো গভীৰ প্ৰভাৱ পেলায়। খেলৰ জৰিয়তে শিশোৱে সমাজৰ নিয়ম-কানুন, সংস্কৃতি আৰু মূল্যবোধৰ বিষয়ে শিকে। খেলপথাৰত শিশুৰ মাজত জাতি, ধৰ্ম বা অৰ্থনৈতিক পটভূমিৰ কোনো বৈষম্য নাথাকে। এই একত্ৰীকৰণৰ মানসিকতাই শিশুক এক সুস্থ আৰু সমতামূলক সমাজ গঢ়ি তুলিবলৈ প্ৰেৰণা দিয়ে। উদাহৰণ স্বৰূপে- যেতিয়া শিশু সকলে দলীয় খেলত অংশগ্ৰহণ কৰে, তেতিয়া তেওঁলোকে একেলগে মিলাপ্ৰীতিৰে কাম কৰাৰ আৰু পৰস্পৰৰ প্ৰতি সন্মান দেখুওৱাৰ গুৰুত্ব বুজি পায়। এই অভিজ্ঞতাই তেওঁলোকক ভৱিষ্যতে এক দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সহায় কৰে।

আধুনিক পৰিৱেশত শিশুৰ খেল-ধেমালিৰ সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহো চিন্তনীয় বিষয় হৈ পৰিছে। ডিজিটেল ডিভাইচৰ প্ৰতি আসক্তিৰ ফলত শিশুৰ শাৰীৰিক কাৰ্যকলাপ হ্ৰাস পাইছে। নগৰীয়া অঞ্চলত খেলপথাৰৰ অভাৱ, নিৰাপত্তাৰ সমস্যা আৰু অভিভাৱকৰ ব্যস্ত জীৱনশৈলীৰ বাবে শিশুৰ খেলা-ধূলাৰ সুযোগ সীমিত হৈ পৰিছে। গাঁৱলীয়া অঞ্চলতো আধুনিকতাৰ প্ৰভাৱত পৰম্পৰাগত খেলাৰ প্ৰচলন কমি আহিছে। এই পৰিস্থিতিৰ পৰা উদ্ধাৰ পাবলৈ শিশুক খেল-ধেমালিৰ প্ৰতি উৎসাহিত কৰাত পিতৃ-মাতৃ আৰু শিক্ষকৰ ভূমিকা অপৰিহাৰ্য। তেওঁলোকে শিশুৰ বাবে সুবিধাজনক পৰিৱেশ সৃষ্টি কৰিব লাগে, য'ত শিশোৱে মুক্তভাৱে খেলিব পাৰে। ঘৰুৱা কাম-বনৰ মাজতো শিশুক শাৰীৰিক কাৰ্যকলাপত জড়িত কৰিব পাৰি। উদাহৰণ স্বৰূপে- সন্তানৰ সৈতে বাই চাইকেল চলোৱা, বাগিচাত কাম কৰা বা সাঁতোৰ আদি কৰিলে শিশোৱে আনন্দৰ মাজেৰে শাৰীৰিক ব্যায়াম কৰিব পাৰে। এনে কৰিলে শিশুৰ আত্মবিশ্বাস আৰু পৰিয়ালৰ সৈতে সম্পৰ্ক বৃদ্ধি হয়। স্কুলত শাৰীৰিক শিক্ষাৰ পাঠ্যক্ৰমত অধিক গুৰুত্ব দিয়া উচিত। খেলপথাৰ আৰু ক্ৰীড়া সুবিধাৰ উন্নতিৰ জৰিয়তে শিশুক নিয়মিত খেলা-ধূলাৰ সুযোগ প্ৰদান কৰিব পাৰি। সমাজৰ স্থানীয় পৰ্যায়ত খেলপথাৰ নিৰ্মাণ, ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন আৰু শিশুৰ বাবে নিৰাপদ পৰিৱেশৰ সৃষ্টি কৰাটো জৰুৰী। পৰম্পৰাগত খেলৰ প্ৰচাৰৰ জৰিয়তে শিশুক নিজৰ সংস্কৃতিৰ সৈতে জড়িত কৰি ৰাখিব পাৰি। উদাহৰণ স্বৰূপে-অসমৰ পৰম্পৰাগত খেলৰ প্ৰতিযোগিতাৰ আয়োজন কৰিলে শিশুৰ মাজত স্থানীয় সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব। শিশুৰ বাবে উপযুক্ত খেলৰ প্ৰকাৰ বাছনি কৰোঁতে তেওঁলোকৰ বয়স, শাৰীৰিক ক্ষমতা আৰু ৰুচিৰ বিষয় সম্পৰ্কেও গুৰুত্ব দিব লাগে। সৰু শিশুক দৌৰা, জাপ মৰা, বলৰ বিভিন্ন খেল আদিৰ জৰিয়তে শাৰীৰিকভাৱে সক্ৰিয় কৰি তুলিব পাৰি। অন্যহাতে, প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিশুৰ বাবে ফুটবল, ক্ৰিকেট, বেডমিণ্টন, কাবাডি আদি দলগত খেল অধিক উপযোগী। কিশোৰ-কিশোৰী সকলৰ বাবে এথলেটিকছ, ভলীবল, বাস্কেটবল আদি প্ৰতিযোগিতা মূলক খেলে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক দক্ষতাৰ পৰিপূৰক হ'ব পাৰে। শিশুৰ খেল-ধেমালিৰ গুৰুত্বৰ বিষয়ে সচেতনতা বৃদ্ধিৰ বাবে সমাজৰ সকলো স্তৰৰ মানুহৰ সহযোগিতা প্ৰয়োজন। শিশুক খেলাৰ সুযোগ প্ৰদান কৰিলে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ উন্নতি ঘটে, যি তেওঁলোকৰ শিক্ষণ আৰু জীৱনৰ প্ৰতি দৃষ্টিভংগীৰ ওপৰতো ইতিবাচক প্ৰভাৱ পেলায়। খেলৰ জৰিয়তে শিশোৱে নিজৰ সম্ভাৱনা আৱিষ্কাৰ কৰে, আত্মবিশ্বাস গঢ়ি তোলে আৰু সমাজৰ এক দায়িত্বশীল সদস্য হিচাপে গঢ়ি উঠে। সেয়েহে শিশুৰ খেল-ধেমালিক এক সামাজিক আৰু সাংস্কৃতিক কাৰ্যকলাপ হিচাপে গণ্য কৰি ইয়াৰ প্ৰচাৰৰ বাবে সকলোৱে একেলগে কাম কৰা উচিত।

পৰিশেষত ক'ব পাৰি যে- শিশুৰ শাৰীৰিক কাৰ্যকলাপ আৰু খেল-ধেমালিৰ প্ৰতি থকা আগ্ৰহ কেৱল তেওঁলোকৰ বৰ্তমানৰ সুস্থতাৰ বাবেই নহয়, ভৱিষ্যতৰ বাবেও অতি গুৰুত্বপূৰ্ণ। এজন সুস্থ, সক্ৰিয় আৰু সামাজিকভাৱে সক্ষম শিশু-পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ বাবে মূল্যৱান সম্পদ হৈ উঠে। গতিকে, শিশুক মোবাইল আৰু টি ভিৰ স্ক্ৰীনৰ পৰা আঁতৰাই খেল পথাৰলৈ লৈ যোৱাটো আজিৰ সময়ৰ এক অতি প্ৰয়োজনীয় কৰ্তব্য। খেলৰ মাজেৰে শিশোৱে শিকে, বিকশিত হয় আৰু জীৱনৰ প্ৰতি এক সুস্থ আৰু সুন্দৰ দৃষ্টিভংগী গঢ়ি তোলে। সেয়েহে, শিশুৰ সৰ্বোত্তম বিকাশৰ বাবে শাৰীৰিক কাৰ্যকলাপ আৰু খেল-ধেমালিক অগ্ৰাধিকাৰ দিব লাগে। খেলাৰ মাধ্যমত শিশুৰ জীৱনত আনন্দ আৰু শিক্ষাৰ সমন্বয় ঘটাব পাৰিলে আমি তেওঁলোকৰ ভৱিষ্যতক অধিক উজ্জ্বল কৰি তুলিব পাৰিম।

## সম্পাদকলৈ চিঠি

# নৱবৰ্ষ, গীটিংছ কাৰ্ড অতীত আৰু বৰ্তমান




**ব**ছৰে বাগৰ সলালে। স্মৃতিবোৰ বিস্মৃতিৰ বুকুত নিৰলে শুই পৰিল। বহু চিন্তা, বহু কল্পনাৰ অৱসান ঘটাই সময় ৰূপী দানৱৰ সুদীৰ্ঘ হাতেৰে মোহাৰি পেলালে বহু উৎকণ্ঠা। পোৱা-নোপোৱা, বিশ্বাস -অবিশ্বাসেৰে ভাৰাক্ৰান্ত এটি বছৰৰ পৰিক্ৰমাত অলেখ খতিয়ান। বিশেষকৈ যোৱা বছৰটোত আমাৰ সকলোৰে হিয়াৰ আমঠুক এক দুষ্টচক্ৰই আমাৰ পৰা আঁতৰাই নিলে। মানুহ ৰূপী দানৱৰ এনে বিভৎস নিশংসতাৰ গৰিহনা দিয়াৰ ভাষাই বিচাৰি পোৱা নাযায়।

গতিশীল সময়। সময় ঘড়ীৰ এই বিনন্দীয়া ৰেহৰূপ দেখি আমি হতভম্ব হওঁ। আজিৰ সময়ত নৱবৰ্ষৰ ধামখুমীয়া আমাৰ মাজত নাই। আমাৰ দিনবোৰ ক্ৰমান্বয়ে এক নীৰস, মাধুৰ্য্যহীন হৈ পৰা যেন বোধ হয়। য'ত কোনো কাম বা চিন্তাত স্বয়ংক্ৰিয়তা নাই। সৃষ্টিশীল পৃথিৱীখন থমকি ৰৈছে। বিশ্বাসহীনতাই যেন মনবোৰ কুৰুকি খাইছে। সদায় কিবা এক ত্ৰাসৰ মাজেৰে আমি সময়বোৰ পাৰ কৰিছোঁ। মানৱতাবোধ শালীনতা আদি গুণবোৰ আমাৰ নৱপ্ৰজন্মৰ আচাৰ-ব্যৱহাৰত নোহোৱা হৈছে। ইয়াৰ কাৰণ বিচাৰিবলৈ হ'লে আমি পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱৰ কথা নিশ্চয়কৈ ক'ব লাগিব। আমাৰ সন্তানসকলৰ মাজত ৰঘূমলাৰ দৰে বাঢ়ি অহা মবাইল প্ৰীতিও এটা ইয়াৰ কাৰণ। আধ্যাত্মিকতা পাহৰি পেলোৱা আমাৰ ল'ৰা-ছোৱালীবোৰ আজি সংযমী নহয়। এনড্ৰইদ ফোনৰ বহুল ব্যৱহাৰে সিহঁতৰ স্বভাৱ খিংখিঙীয়া কৰাৰ লগতে সিহঁতক আত্মকেন্দ্ৰিক কৰি তুলিছে।

নতুন বছৰৰ নতুন দিনবোৰক প্ৰত্যাহবান জনোৱাৰ প্ৰাক মুহূৰ্তত মনৰ মনিকোঠাত তিৰবিৰাই উঠিছে কিছুমান ৰং-বিৰঙী বিভিন্ন ধৰণৰ কাগজৰ শুভেচ্ছাপত্ৰই! লগতে সেই মোহনীয়া সময়বোৰ যেতিয়া মোৰ দৰে কণ কণ মইনাহঁতে বহুদিন আগৰেপৰা গ্ৰীটিংছ কাৰ্ড কিনিবলৈ পইছা গোটোৱা দিনবোৰ! পঢ়া-শুনাৰ মাজতে দুখনমান কাৰ্ড নিজে ৰং-তুলিকাৰে সজোৱাৰ ব্যস্ততা। বিদ্যালয়ত গৈ কোনে কিমানখন গ্ৰীটিংছ কাৰ্ড পাইছে তাৰ হিচাব, মানে বিষয় হৈ পৰে আলোচনাৰ .... কোনোবা প্ৰিয় শিক্ষকক নিজ হাতেৰে ৰং-তুলিকাৰে সজাই আলোকচিত্ৰ এটিৰে বিদায়-সম্ভাষণ জনোৱাৰ দিনবোৰৰ গুৰুত্বই সুকীয়া আছিল।

আজি আধুনিকতাৰ ধামখুমীয়াত আন্তৰিক ওলগ বা সম্ভাষণ আদিবোৰ কিবা যেন আচহুৱা ৰূপত উপস্থাপিত হোৱাৰ দৰে অনুভৱ হয় - All the Best, congrats আদিৰ প্ৰাচুৰ্যতাত আমি আজি যেন আন্তৰিক উমাল উন্মাদনাৰ পৰা বহু যোজন দূৰলৈ ছিটিকি পৰাৰ দৰে অনুমান হয়। শ হাজাৰটা মেছেজ এক মিনিটতে প্ৰেৰণ কৰাৰ সময়ত এই শুভেচ্ছা পত্ৰৰ কিয়েইবা গুৰুত্ব থাকিব? অত্যাধুনিক বতাহজাকে বেয়াকৈ কোবাই যোৱাৰ বাবে নৱপ্ৰজন্মই বয়োজেষ্ঠ সকলক কৰা আদৰ সন্মান বা ব্যৱহাৰ আদিৰ ক্ষেত্ৰত ও কিছু ভবাৰ থল নিশ্চয় নথকা নহয়!

বৰ্তমানৰ যুগটো হ'ল স্মাৰ্টফোনৰ যুগ বিজ্ঞান-প্ৰযুক্তিৰ সুন্দৰ সন্ধিক্ষণত উপভোগ্য বিলাসী জীৱন যাত্ৰাত গ্ৰীটিংছ কাৰ্ড বা শুভেচ্ছা পত্ৰৰ ব্যৱহাৰ অপ্ৰাসংগিক যেনেই লাগে। কিয়নো একেটা "মেছেজকে" শ -হাজাৰ জনলৈ পঠিয়াব পৰা সুবৰ্ণ সুযোগ আজি আমাৰেই হাতত, আনকি বিজ্ঞান আৰু প্ৰযুক্তি- কাৰিকৰীৰ বুদ্ধিদীপ্ততাত সমগ্ৰ বিশ্বই আজি আমাৰ হাতৰ মুঠিত উপলব্ধ। দিনক দিনে সূক্ষ্মৰ পৰা সূক্ষ্মতৰলৈ পয্যবসিত হৈছে মানৱ জ্ঞান-ধাৰণা আৰু চিন্তা-চৰ্চাৰ উপস্থাপন প্ৰক্ৰিয়া। যুগৰ পৰিবৰ্তনে আমাক এনে এটা পয্যায়লৈ পৰ্যবসিত কৰিছে য'ত স্বাচ্ছন্দময় জীৱনত কেৱলমাত্ৰ চমকপ্ৰদ বিলাসীতাৰ পয়োভৰ ঘটা হে দেখা গৈছে। জীৱনটোক মৰ্মে মৰ্মে উপলব্ধি কৰি সুখ স্বাচ্ছন্দ আৰু প্ৰতিযোগিতাৰ মাজেৰে দিন কটোৱাৰ আজি অমল সময়!

যিহেতু আমি মানুহ, অতীত প্ৰীতি বা অতীত জীৱনৰ প্ৰতি অনুৰাগ, "Nastaljia" আমাৰ সহজাত প্ৰবৃত্তি। কিন্তু সময় পৰিবৰ্তনশীল। সময়ৰ প্ৰত্যাহ্বানক সাৰোগত কৰি জীৱনক আগুৱাই নিয়াত অতীতৰ প্ৰতি দায়বদ্ধতা বা মোহে নিশ্চয় আমাক বিচলিত কৰি তোলে, ইয়াৰ ফলশ্ৰুতিত মনৰ জগতখন কেতিয়াবা যেন শিথিল হৈ পৰে..... অতীতৰ সময়বোৰ, পোৱা- নোপোৱাৰ মিঠা উন্মাদনাবোৰ বিস্মৃতিৰ গৰ্ভৰপৰা আপোনা- আপুনি ওলাই আহে তেতিয়াই আমি তুলনা কৰোঁ দুটি সময় ......অতীত আৰু বৰ্তমান!

*ৰেখা বৰকটকী*
*যোৰহাট*

## মাজুলীৰ কৃষকৰ গুৰে দখল

ভেলাঘৰৰ অঘোষিত প্ৰতিযোগিতা। এফালে গাঁৱৰ যুৱকসকলে ভেলাঘৰ, মেজি সাজিছে। আনফালে মহিলা-যুৱতীসকলে আখলত পিঠা-পনা বনাইছে। তাৰ মাজতে আখলত উঠিছে বিহুগীতৰ ৰগৰো। সমান্তৰালভাৱে সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান জাতি-জনগোষ্ঠীৰ মিলন ভূমি মাজুলীতো ভোগৰ ভোগালীক লৈ ৰাইজৰ ব্যস্ততাৰ অন্ত নাই। এটা সময়ত ভোগালী স্থান হিচাপে পৰিচিত আছিল নদীদ্বীপ মাজুলী। মাজুলীত উৎপাদিত থলুৱা সামগ্ৰীৰে এসময়ত ৰাজ্যৰ বিভিন্ন বজাৰত চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছিল। মাজুলী বুলি কলে এতিয়াও ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকে এক ভোগালী ঠাই বুলিয়েই ধৰি লয়। মাজুলীত উৎপাদিত সামগ্ৰী বুলি কলে এতিয়াও ৰাজ্যৰ বজাৰত চাহিদাও বৃদ্ধি পায়। পৰিৱৰ্তিত পৰিস্থিতিত সেই সুনাম আগতকৈ স্তিমিত যদিও এতিয়াও মাজুলীৰ মাটিৰ দালি, ৰঙা চাউল, গুৰ, আঠা দৈয়ে পূৰ্বৰ দৰেই গ্ৰাহকৰ সমাদৰ লাভ কৰি আহিছে। মাজুলীৰ প্ৰাকৃতিক পৰিৱেশত প্ৰাকৃতিক পলসেৰে জীপাল হৈ পৰা মাটিমাহ, কাঠ আলু, কুঁহিয়াৰ খেতি আৰু গুৰৰ লগতে অতি চহকী সুস্বাদু দৈ গাখীৰৰ সোৱাদ যি এবাৰ লৈছে সি আজীৱন মনত ৰাখিছে। মাজুলীৰ সেই প্ৰাচীন ঐতিহ্য খহনীয়াই কিছু পৰিমাণে ম্লান কৰিলেও এতিয়াও মাজুলীত সুস্বাদু দৈ আৰু গুৰৰ ভোগ শেষ হোৱা নাই। কৃষি, কৃষক আৰু পথাৰৰ সুঘ্ৰাণ লৈ ৰঙালী, কঙালী, ভোগালী তিনিওটি কৃষি কেন্দ্ৰিক উৎসৱে প্ৰতিজন অসমীয়াৰ বুকুত শিপাই আছে। ঠিক একেদৰে শিপাই আছে মাজুলী বাসীৰ বুকুতো। শাওণত সিঁচা বীজ আহিন কাতিত গাভৰু হৈ উঠে, অভাৱ অনাতন পাহৰি ভিন্ন লোকাচাৰৰ মাজেৰে সোণালী পথাৰখনৰ পৰা সোণগুটি চপাই বছৰেকৰ পৰিশ্ৰমৰ পিছত মাঘৰ বিহুত ভোগ-বিলাস কৰে। তৈয়াৰ কৰে নানান পিঠা লাৰু জলপানো। বিশেষকৈ অসমীয়া সমাজ-সংস্কৃতিত মাঘবিহুত দৈ ৰ এক সুকীয়া স্থান আছে। ইতিহাস প্ৰসিদ্ধ সত্ৰনগৰী মাজুলীৰ দৈৰ জনপ্ৰিয়তা সম্পৰ্কে সকলো জ্ঞাত। পূৰ্বে বিবাহ -সবাহ সকলোতেই মানুহে মাজুলীৰ দৈ বিচাৰিছিল আৰু সেই একেই জনপ্ৰিয়তা এতিয়াও অক্ষুণ্ণ আছে। পুৰণি অসমীয়া সমাজখনত জলপান খোৱাতো এক পৰম্পৰা আছিল। জলপান হিচাপে বৰা চাউলৰ সান্দহ, দৈ আৰু গুৰ খাইছিল। মাজুলীৰ দৈৰ চাহিদা একেদৰেই আছে। মাঘ বিহুৰ সময়ত ইয়াৰ চাহিদা অধিক ৰূপত বৃদ্ধি পায়। এতিয়া ঘৰে ঘৰে গৈ দৈ-গাখীৰ বিচাৰিব নালাগে যি কোনো সময়তেই মহল সমূহৰ পৰা ক্ৰয় কৰিব পাৰি দৈ আৰু ক্ৰীম। পূৰ্বতে ডাঙৰ ডাঙৰ বাঁহৰ চুঙা কাটি তাত দৈ প্ৰস্তুত কৰা হৈছিল আৰু সাঁফৰ হিচাপে তৰা পাত, কলপাত অথবা শুকান খেৰ তিয়াই ব্যৱহাৰ কৰিছিল। এতিয়া অৱশ্যে সেয়া অতীত হ'ল। মাটিৰে নিৰ্মিত পাত্ৰত এতিয়া দৈ প্ৰস্তুত কৰা দেখা যায়। গৰু, ম'হৰ গাখীৰৰ পৰা তৈয়াৰ কৰা দৈৰ বাবেই মাজুলী একপ্ৰকাৰে বিখ্যাত। মাজুলীৰ দৈ ইমানেই খমখমীয়া যে দৈ সহ পাত্ৰ ওলোটাই দিলেও পৰি নাযায়। ইয়াৰ গুণাগুণৰ লগত সকলোৰে পৰিচিত সেয়ে ইয়াৰ সমাদৰো আছে, আছিল আৰু ভৱিষ্যতেও থাকিব বুলি ক'ব পাৰি। সম্প্ৰতি মাজুলীত গঞা ৰাইজৰ ভোগালীক লৈ ব্যাপক ব্যস্ততা। উৎপাদনৰ ক্ষেত্ৰতো মাজুলীৰ এক সুকীয়া নাম আছে। এই ভোগালীৰ বতৰত মাজুলীৰ অন্যান্য গাঁও সমূহতকৈ অধিক ব্যস্ত মাজুলীৰ ভকত চাপৰিবাসী। বান গড়াখহনীয়াই প্ৰতিবছৰেই জুৰুলা কৰা, অতি স্পৰ্শকাতৰ ভকত চাপৰিবাসী এতিয়া ব্যস্ত কুহিয়াৰ পেৰাত। ভোগালীৰ সময়ত ভকতচাপৰি বাসীৰ এয়া স্বাভাৱিক ব্যস্ততা। কাৰণ সমগ্ৰ মাজুলীৰ লগতে উজনি অসমৰ যোৰহাট, গোলাঘাট, শিৱসাগৰ, গৌৰীসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, ডিমৌ, মৰান, উত্তৰ অসমৰ লক্ষিমপুৰ, ধেমাজি, ধকুৱাখানাকে ধৰি অসমৰ অন্যান্য স্থানত মাজুলী ভকত চাপৰি গুৰৰ সুকীয়া চাহিদা আছে। প্ৰতিবছৰ খড়া খহনীয়াত আক্ৰান্ত হৈ খেতি মাটি হেৰুৱাই অহা ভকতচাপৰিৰ ১৪ খন গাঁৱৰ চাৰি শতাধিক পৰিয়ালৰ কৃষি বিপ্লৱে মাজুলীৰ লগতে উজনি অসমৰ পাচলিৰ বজাৰ খনত প্ৰচুৰ অৰিহণা যোগাই আহিছে। গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ বাবে ভকতচাপৰি বাসীয়ে পাৰ্যমানে কাম কৰি অহা পৰিলক্ষিত হৈছে। বাৰিষা বানপানীৰ বাবে শালি খেতি কৰিও উপকৃত নোহোৱা পৰিয়াল সমূহে বাম খেতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে পৰিয়াল পোহপাল দি আহিছে। এই বৰ্ষত ভীমপাৰা গাঁৱৰ কৃষ্ণ বৰা, নগেন ফুকন, বিশ্ব বৰা, মইনা বৰা, প্ৰভাত শইকীয়া আৰু জামুগুৰি বুবুল বৰা, গজেন বৰা, হৰেণ বৰা, কলিৰাম কলিতা, দিগন্ত কলিতা, জয়ৰাম কলিতা, মণিৰাম বৰা, ১নং পদুমণিৰ মহেন্দ্ৰ বৰা, হৰেণ বৰা, প্ৰদীপ বৰা, ৩নং পদুমণিৰ কমল বৰা, দুলাল হাজৰিকা, ঘনশ্যাম বৰা, মদাৰগুৰিৰ পবিত্ৰ চেকনিধৰা, কোযেশ্বৰ চেকনিধৰা, দেহিৰাম বৰা আদিকে ধৰি অৰ্ধশতাধিক লোকে কুহিয়াৰ খেতি কৰি আহিছে। ভকত চাপৰিৰ ৫০০ শতকৈয়ো অধিক পৰিয়াল এতিয়া কুহিয়াৰ খেতিত ব্যস্ত হৈ আছে। প্ৰতি কেজি গুৰত ৫৫-৬০ টকাকৈ বিক্ৰী কৰিছে কৃষক সকলে। প্ৰতিতো পৰিয়ালতে ২০০ ভানৰ ওপৰত কুহিয়া উৎপাদন হোৱা বুলি জানিব পৰা গৈছে। আনহাতেদি উজনি মাজুলীৰ কহিয়াৰবাৰী, মলং, ফুটচাং, অভয়পুৰীয়া, মিলনপুৰ, নিকিনিখোৱা আদি গাঁৱতো কৃষকে কুহিয়াৰ খেতি কৰি আহিছে। কৃষকসকলে এই কুহিয়াৰ খেতিৰ পৰা বছেৰেকত প্ৰায় ১ লাখৰ পৰা ২ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰি অহা বুলি জানিবলৈ দিয়াৰ লগতে গত বৰ্ষসমূহতকৈ এই বৰ্ষত কুহিয়াৰ অধিক উৎপাদন হোৱা বুলি আমাক জানিবলৈ দিয়ে। এইবাৰ মাজুলীৰ বহু কৃষকে কুহিয়াৰ খেতিৰে গুৰ প্ৰস্তুত কৰি ভোগালীৰ বতৰত যথেষ্ট উপকৃত হোৱা বুলি জানিব পৰা গৈছে। ইফালে দ্বীপ জিলা মাজুলীৰ সমগ্ৰ গাঁৱত এতিয়া ঢেকীৰ শব্দত পাৰ হৈছে দিন-ৰাতি। চিৰা খুন্দা, সান্দহ, পিঠাগুৰি খুন্দাৰ লগতে আখলত আৰম্ভ হৈছে তিলপিঠা, ঘিলা পিঠাকে ধৰি অন্যান্য পিঠা পনা তৈয়াৰৰ পৰ্ব। আনহাতে মাজুলীৰ উত্তৰ কমলাবাৰী, আউনীআটী, দক্ষিণপাটকে আদি কৰি প্ৰায়বোৰ উদাসীন সত্ৰৰ বৈষ্ণৱ সকলেও নিজেই উৰালত পিঠাগুড়ি খুন্দি মাঘবিহুত বিভিন্ন পিঠা-পনা, জলপান তৈয়াৰ কৰি সকলোকে আপ্ৰায়ণৰ বাবে সাজু হোৱা পৰিলক্ষিত হৈছে। অসমীয়াৰ বাপতিসাহোন ভোগৰ ভোগালীক আদৰিবলৈ সমগ্ৰ ৰাজ্যৰ লগতে ব্যাপক উচাহ, উদ্দীপনাৰে এতিয়া মাজুলীবাসীও সাজু হৈ উঠিছে।

## ২০২৪ চনৰ ১৫ আগষ্টত

সংস্থা (এন আই এ)য়ে গুৱাহাটীৰ বিশেষ আদালতত পৰিপূৰক অভিযোগনামা দাখিল কৰিছে। এই পৰিপূৰক অভিযোগনামাত নতুনকৈ দুজন অভিযুক্তক অন্তৰ্ভুক্ত কৰা হৈছে— ভাৰ্গৱ গগৈ আৰু ছুমু গগৈ। দুয়োজনেই ডিব্ৰুগড় জিলাৰ বাসিন্দা। এই দুজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ বিভিন্ন ধাৰা, এ'প্ল'চিভ চাবষ্টেনচ এক্ট (Explosive Substances Act) আৰু অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন (UAPA)-ৰ ধাৰাসমূহৰ অধীনত অভিযোগ আনা হৈছে। এই গোচৰত মুঠ অভিযুক্তৰ সংখ্যা এতিয়া পাঁচজনলৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে ২০২৫ চনৰ জুন মাহত এন আই এয়ে আন তিনিজন অভিযুক্তৰ বিৰুদ্ধে প্ৰথম অভিযোগনামা দাখিল কৰিছিল। এন আই এৰ তদন্তত প্ৰকাশ পোৱা তথ্য অনুসৰি, ভাৰ্গৱ গগৈ আৰু ছুমু গগৈয়ে ২০২৪ চনৰ আগষ্ট মাহত অসম আৰক্ষীয়ে জব্দ কৰা মুঠ ১১টা আই ই ডিৰ ভিতৰত চাৰিটা আই ই ডি বিভিন্ন স্থানত সংস্থাপন কৰিছিল। অভিযুক্ত জাহ্নু বৰুৱাক এই কামৰ বাবে পুঁজি প্ৰদান কৰাৰো তথ্য উদ্ধাৰ হৈছে। আলফা(স্বা)ৰ মুৰব্বী পৰেশ বৰুৱাই স্বাধীনতা দিৱস বৰ্জন আৰু প্ৰতিবাদৰ আহ্বান জনোৱাৰ পিছতে এই বিস্ফোৰক সামগ্ৰী স্থাপন কৰা হৈছিল বুলি তদন্তত উল্লেখ আছে। উল্লেখ্য যে, ২০২৪ চনৰ স্বাধীনতা দিৱসৰ দিনা সমগ্ৰ অসমতে আই ই ডি বিস্ফোৰণৰ ভাবুকিৰ সৃষ্টি হৈছিল। আলফা(স্বা)ই এই ভাবুকি প্ৰচাৰ কৰাৰ পিছতে অসম আৰক্ষীয়ে ব্যাপক অভিযান চলাই বিভিন্ন স্থানৰ পৰা মুঠ ১১টা আই ই ডি আৰু বিস্ফোৰক সদৃশ সামগ্ৰী উদ্ধাৰ কৰিছিল। এই গোচৰ প্ৰথমে দিছপুৰ থানাত পঞ্জীয়ন কৰা হৈছিল। পৰৱৰ্তী সময়ত ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত এই গোচৰ এন আই এৰ হাতত হস্তান্তৰ কৰা হয়। ২০২৫ চনৰ জুন মাহত এন আই এই ভাৰ্গৱ গগৈ আৰু ছুমু গগৈক গ্ৰেপ্তাৰ কৰে। এন আই এৰ তদন্ত বৰ্তমানো অব্যাহত আছে আৰু অধিক তথ্য উদ্ধাৰৰ বাবে সংস্থাটোৱে কাম কৰি আছে। এই ঘটনাই ৰাজ্যত সুৰক্ষাৰ দিশত নতুনকৈ প্ৰশ্নৰ সৃষ্টি কৰিছে।

## কংগ্ৰেছৰ ঠিকনা এতিয়া

প্ৰধান বিৰোধী দল কংগ্ৰেছ আৰু ৰাইজৰ দলৰ সভাপতি অখিল গগৈক তীব্ৰ কটাক্ষ কৰাৰ লগতে তেখেতে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিহালী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থিত্বক লৈও কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। 'কংগ্ৰেছৰ সংস্কৃতি হ'ল ৰাইজক এৰি পলাই থকা' সাংসদ দত্তই কংগ্ৰেছ দলক কঠোৰ সমালোচনা কৰি কয় যে যি সময়ত বিৰোধী দল হিচাপে তেওঁলোক ৰাইজৰ মাজত থাকিব লাগিছিল, তেনে সময়ত তেওঁলোকে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে এজাহাৰ দিবলৈ থানাই থানাই ঘূৰি ফুৰিছে। তেওঁ প্ৰশ্ন কৰে, "কংগ্ৰেছ দল ৰাইজৰ মাজত থাকিব লাগে নে ভোট চোৰৰ নামত থানাত গৈ বহি থাকিব লাগে?" তেওঁৰ মতে, কংগ্ৰেছৰ হাতত বৰ্তমান ৰাইজৰ বাবে কোনো ইচ্ছা নাই, যাৰ বাবে তেওঁলোকে কেৱল নাটক কৰি আছে। গৌৰৱ গগৈৰ 'ৰাইজৰ পদূলিত কংগ্ৰেছ' শীৰ্ষক অভিযানক তেওঁ ২০০১ চনৰ তৰুণ গগৈ চৰকাৰৰ বিফল প্ৰচেষ্টাৰ সৈতে তুলনা কৰি কয় যে এইবোৰ অৱশেষত 'ফুটুকাৰ ফেন'ত পৰিণত হ'ব। আনকি গৌৰৱ গগৈৰ গৃহ সমষ্টি যোৰহাটতে পৰামৰ্শৰ বাবে ৰখা বাকচ ৰাইজে বিচাৰি পোৱা নাই বুলিও তেওঁ কটাক্ষ কৰে। 'অখিল গগৈয়ে চান্দা বিচৰাটো পুৰণি অভ্যাস' শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মন্ত্ৰীৰ পৰা ২০ কোটি টকা দাবী কৰা বুলি চৰ্চিত বিষয়টো সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰঞ্জিত দত্তই কয় যে অখিল গগৈৰ বাবে এয়া নতুন কথা নহয়। তেওঁ কয়, "আন্দোলনজীৱি অখিল গগৈয়ে আন্দোলনৰ সময়তো ধন দাবী কৰি আছিল। তেওঁ কাৰ পৰা কেতিয়া কিমান ধন লৈছিল, তাৰ তথ্য আমাৰ হাতত নথকা নহয়।" দত্তই স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে অখিল গগৈ থাকিব, তেতিয়ালৈকে এই 'ধনদাবী'ৰ সংস্কৃতিও থাকিব। বিহালীৰ প্ৰাৰ্থী হ'ব লাগিব 'ভূমিপুত্ৰ' বিহালী বিধানসভা সমষ্টিৰ বাবে ২০২৬ চনৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী বাছনি সন্দৰ্ভত এক ডাঙৰ ঘোষণা কৰি সাংসদগৰাকীয়ে কয় যে বিহালীত কেৱল স্থানীয় লোকেহে প্ৰাৰ্থিত্ব লাভ কৰিব। বাহিৰৰ কোনো ব্যক্তিয়ে ইয়াত টিকট নাপায়, এই ক্ষেত্ৰ অৰূপ কুমাৰ দাস অথাৎ মুনীন্দ দাস হ'ব পাৰে বিজেপি পাথী এই সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি তেওঁ স্পষ্ট ইংগিত দিয়ে যে গুৱাহাটী নিবাসী চিৰঞ্জীৱ পাঠক আৰু লখিমপুৰৰ উৎপল হাজৰিকাই প্ৰাৰ্থিত্ব লাভ কৰাৰ সম্ভাৱনা নাই। তাৰ পৰিৱৰ্তে তেওঁ স্থানীয় নেতা মুনীন্দ্ৰ দাস অথবা অৰূপ কুমাৰ দাসৰ মাজৰ কোনোবা এজন প্ৰাৰ্থী হোৱাটো নিশ্চিত বুলি উল্লেখ কৰে। বিৰোধী মিত্ৰজোঁটৰ অংক আৰু ভৱিষ্যদ্বাণী সাংসদ ৰঞ্জিত দত্তই দাবী কৰে যে বিহালী আসনখন কংগ্ৰেছে চিপিআই(এম-এল)ক এৰি দিবলৈ বাধ্য হ'ব। তেওঁৰ মতে, বিৰোধী মিত্ৰজোঁটত বিহালী আসনখন চিপিআই(এম-এল) আৰু সৰভোগ সমষ্টি চিপিএমক দিয়াৰ বাহিৰে কংগ্ৰেছৰ কোনো বিকল্প নাই। সংবাদমেলত সাংসদগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ এমজিএনৰেগা আৰু জনকল্যাণমূলক আঁচনিসমূহৰ ওপৰতো আলোকপাত কৰে। আজিৰ এই সংবাদমেলত ৰঞ্জিত দত্তৰ মন্তব্যই বিহালীৰ ৰাজনীতিত নতুন সমীকৰণৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে।

## নিৰ্বাচনৰ পূৰ্বে ৰাজনীতিত

ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰি নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ সম্ভাৱনাক লৈ বৰ্তমান বহুল জল্পনা-কল্পনা চলি আছে। এই সকলো খবৰৰ মাজতে শংকৰজ্যোতি বৰুৱাই নিজে সামাজিক মাধ্যমৰ জৰিয়তে এই জল্পনাক স্পষ্টভাৱে অস্বীকাৰ কৰিছে। তেওঁ লিখিছে যে, তেওঁৰ মাত ভাঙি থকাৰ বাবে ফোন বন্ধ ৰখা হৈছে আৰু কথা পাতিবলৈ অসুবিধা হৈছে। তেওঁৰ পোষ্টত উল্লেখ কৰা হৈছে— "দিনটোৰ ৰাজনৈতিক বাতৰি সন্দৰ্ভত ইতিমধ্যে মই মোৰ মত প্ৰকাশ কৰিছো। বহুতে খবৰ লৈছে, ফোন কৰিছে, পৰামৰ্শ দিছে। সকলোকে ধন্যবাদ জনাইছো। সদায় ৰাইজৰ বাবে কাম কৰি যাম আৰু যি সিদ্ধান্ত ল'ম, আগতিয়াকৈ আপোনালোক সকলোকে জ্ঞাত কৰিম।" শংকৰজ্যোতি বৰুৱাৰ এই বিবৃতিৰ পিছতো ৰাজনৈতিক মহলত তেওঁৰ ভৱিষ্যত পদক্ষেপক লৈ কৌতূহল অব্যাহত আছে। ছাত্ৰনেতা হিচাপে দীৰ্ঘদিন ধৰি অসমৰ বিভিন্ন সমস্যাৰ প্ৰতি সোচ্চাৰ হৈ অহা শংকৰজ্যোতি বৰুৱাৰ ৰাজনৈতিক প্ৰৱেশে যদি সঁচাকৈয়ে ঘটে, তেন্তে আগন্তুক নিৰ্বাচনত ইয়াৰ প্ৰভাৱ পৰিব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। বৰ্তমানলৈকে তেওঁ কোনো দলত যোগদানৰ বিষয়ে স্পষ্ট ঘোষণা কৰা নাই। তথাপি তেওঁৰ প্ৰতি ৰাইজৰ মাজত থকা আস্থা আৰু জনপ্ৰিয়তাই ৰাজনীতিৰ দিশত তেওঁৰ পদক্ষেপক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। আগন্তুক দিনকেইটাত শংকৰজ্যোতি বৰুৱাৰ পৰা অধিক স্পষ্ট বাৰ্তা অহাৰ সম্ভাৱনাক লৈ ৰাজনৈতিক মহলত অপেক্ষা বাঢ়িছে।

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ

উদ্দীপনাৰ সৃষ্টি হৈছে। অধিৱেশন স্থলীত যাতে লক্ষ লক্ষ ভক্ত-শিষ্যই কোনো অসুবিধা নোহোৱাকৈ অংশগ্ৰহণ কৰিব পাৰে, তাৰ বাবে যুদ্ধকালীন ভিত্তিত চলিছে বিভিন্ন প্ৰস্তুতিমূলক কাম-কাজ। এই উদ্দেশ্যৰে শুক্ৰবাৰে জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত উপস্থিত হয় অসম চৰকাৰৰ মন্ত্ৰী পিযুষ হাজৰিকা। মন্ত্ৰীগৰাকীয়ে আদৰণি সমিতিৰ সদস্যসকলৰ সৈতে বিস্তৃত আলোচনাত মিলিত হৈ অধিৱেশনৰ সকলো কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। তেওঁ অধিৱেশন স্থলীত আহি থকা লক্ষ লক্ষ ভকত-ভক্তক যাতে উত্তম আতিথেয়তা প্ৰদান কৰিব পৰা যায় আৰু একো অভাৱ নাথাকে, তাৰ বাবে বিশদভাৱে পৰামৰ্শ আৰু দিশ-নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শনে আয়োজকসকলক অধিক উৎসাহিত কৰিছে। উল্লেখযোগ্য যে, অধিৱেশন স্থলী পৰিদৰ্শনৰ সময়ত মন্ত্ৰী পিযুষ হাজৰিকাক সংগ দিয়ে প্ৰাক্তন লোকসভা সদস্য পল্লৱলোচন দাস আৰু নাদুৱাৰ বিধায়ক পদ্ম হাজৰিকাই। পৰিদৰ্শনৰ অন্তত তেওঁলোকে অধিৱেশনৰ প্ৰস্তুতিৰ অগ্ৰগতিৰ বিষয়ে সন্তোষ প্ৰকাশ কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। এই অধিৱেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ ভক্তৰ উপস্থিতিৰ আশা কৰা হৈছে। ইতিমধ্যে স্থানীয় লোকে শ্ৰমদানৰ জৰিয়তে মূল মণ্ডপ, অস্থায়ী নামঘৰ, ভোজনাগাৰ আদি নিৰ্মাণত অংশগ্ৰহণ কৰি ঐক্যৰ প্ৰতীক স্থাপন কৰিছে। এই মহান অনুষ্ঠানে অসমৰ সাংস্কৃতিক আৰু ধৰ্মীয় ঐতিহ্যক অধিক প্ৰসাৰিত কৰাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শক নতুন প্ৰজন্মৰ মাজত জাগ্ৰত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## উৰুকাৰ বজাৰৰ অসাধু

বিশেষ টাস্ক ফৰ্চ (এছ টি এফ) গঠন কৰা হৈছে। এই টাস্ক ফৰ্চই প্ৰতিখন বজাৰ নিৰীক্ষণ কৰি অভিযান চলাব। ইতিমধ্যে নিৰীক্ষণৰ কাম আৰম্ভ হৈ গৈছে।" মন্ত্ৰী কৃষ্ণেন্দু পালে অধিক কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত যোৱা বছৰৰ পৰা এই ব্যৱস্থা গ্ৰহণ কৰা হৈ আহিছে। মাছ, মাংস, কণী আৰু গাখীৰ যাতে উৎকৃষ্ট মানদণ্ডৰ লগতে উচিত মূল্যত ৰাইজৰ হাতত পৰে, তাৰ বাবে বিশেষ গুৰুত্ব দিয়া হৈছে। জিলা আয়ুক্তসকলে প্ৰতিটো জিলাত মাছ-মাংসৰ নিৰ্ধাৰিত মূল্য নিৰ্ধাৰণ কৰিব আৰু সেই মূল্যৰ বাহিৰত বিক্ৰী কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে সকীয়াই দিয়ে যে, "যিসকলে ক'লাবজাৰ চলাই বা অত্যধিক মূল্যত সামগ্ৰী বিক্ৰী কৰিব, তেওঁলোকৰ বিৰুদ্ধে আইন অনুসৰি যথাযথ ব্যৱস্থা লোৱা হ'ব। দুয়োটা বিভাগকে সক্ৰিয় কৰি তোলা হৈছে।" প্ৰতি বছৰে মাঘ বিহুৰ উৰুকাৰ সময়ত অসাধু ব্যৱসায়ীসকলে মাছ-মাংসৰ দাম অস্বাভাৱিকভাৱে বৃদ্ধি কৰি ৰাইজক অসুবিধাত পেলোৱাৰ অভিযোগ পোৱা যায়। এইবাৰ চৰকাৰৰ এই কঠোৰ পদক্ষেপৰ ফলত ৰাইজে ন্যায্য মূল্যত উৎকৃষ্ট মানৰ খাদ্য সামগ্ৰী লাভ কৰিব পৰাৰ সম্ভাৱনা বাঢ়িছে। বিভাগীয় কৰ্তৃপক্ষই সকলো ব্যৱসায়িক অনুৰোধ জনাইছে যে, নিৰ্ধাৰিত নিয়ম মানি চলি ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱসায় কৰক। উৰুকাৰ বজাৰ যাতে শান্তিপূৰ্ণ আৰু ন্যায়সঙ্গতভাৱে চলি থাকে, তাৰ বাবে প্ৰশাসনৰ এই অভিযান অব্যাহত থাকিব। উৰুকাৰ বজাৰত সকলোৱে সচেতন হৈ থাকিলে আৰু অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে প্ৰয়োজনীয় তথ্য প্ৰদান কৰিলে এইবাৰৰ বিহু উৎসৱ অধিক সুন্দৰ আৰু সকলোৰে বাবে সুখময় হ'ব বুলি আশা কৰা হৈছে।

## দিল্লীত তালিবানৰ প্ৰথম

আফগানিস্তানৰ বৰ্তমান তালিবান চৰকাৰক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়াৰ দিশে অগ্ৰসৰ হৈছে নেকি বুলি ৰাজনৈতিক আৰু কূটনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি হৈছে। ২০২১ চনত তালিবানে দ্বিতীয়বাৰৰ বাবে আফগানিস্তানত ক্ষমতা দখল কৰাৰ পিছত দিল্লীত থকা আশ্ৰফ ঘনী চৰকাৰৰ শেষ কূটনৈতিক চিহ্নসমূহো মচি পেলোৱা হৈছে। ইয়াৰ পূৰ্বে দিল্লীত আশ্ৰফ ঘনী যুগৰ ৰাষ্ট্ৰদূত মহম্মদ ইব্ৰাহিমখিলে দায়িত্ব পালন কৰি আহিছিল। কিন্তু নূৰ আহমেদ নূৰৰ নিযুক্তিয়ে এক নতুন কূটনৈতিক অধ্যায়ৰ সূচনা কৰিছে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। নূৰ আহমেদ নূৰ তালিবানৰ সৈতে দীৰ্ঘদিনীয়া সম্পৰ্ক থকা এজন প্ৰভাৱশালী কূটনীতিবিদ। তালিবানে ক্ষমতা দখল কৰাৰ পিছত তেওঁ বৈদেশিক মন্ত্ৰালয়ৰ প্ৰথম ৰাজনৈতিক সঞ্চালক হিচাপে কাম কৰিছিল। তেওঁ ইতিমধ্যে দিল্লীত উপস্থিত হৈ নিজৰ কাৰ্যভাৰ গ্ৰহণ কৰিছে। এই নিযুক্তিৰ পটভূমিত অপাৰেচন সিন্দুৰৰ সময়ত ভাৰতীয় প্ৰতিনিধি আনন্দ প্ৰকাশৰ কাবুল ভ্ৰমণ আৰু তাৰ পিছত আফগান বৈদেশিক মন্ত্ৰী আমিৰ খান মুত্তাকীৰ ভাৰত ভ্ৰমণক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। সেই সময়ত পাকিস্তানৰ হেঁচাৰ মাজতো মুত্তাকীয়ে ভাৰতীয় বৈদেশিক মন্ত্ৰী ড° এছ জয়শংকৰৰ সৈতে সাক্ষাৎ কৰি নিৰাপত্তা সহযোগিতাৰ বিষয়ে বিস্তৃত আলোচনা কৰিছিল। মুত্তাকীয়ে সংবাদমেলত স্পষ্ট কৰি দিছিল যে, আফগানিস্তানৰ মাটিক কোনো দেশৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব আৰু দুয়োখন দেশৰ মাজত যোগাযোগ অব্যাহত থাকিব। অপাৰেচন সিন্দুৰৰ সময়ত তালিবান চৰকাৰে ভাৰতৰ পক্ষত থিয় দিয়াৰ কথাও উল্লেখ কৰিছিল। এই সকলো ঘটনাৰ পিছতেই এতিয়া দিল্লীত তালিবানৰ ৰাষ্ট্ৰদূত নিযুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিশেষজ্ঞসকলৰ মতে, এই পদক্ষেপ ইছলামাবাদ আৰু চাংহাই সহযোগিতা সংস্থাৰ (SCO) যুটীয়া প্ৰভাৱৰ মাজত ভাৰতে পাকিস্তানক ওলোটাই হেঁচাত ৰখাৰ এক শক্তিশালী কূটনৈতিক বাৰ্তা। পাকিস্তানে আমেৰিকা আৰু চীনৰ সৈতে ঘনিষ্ঠতা বঢ়াই ভাৰতৰ ওপৰত চাপ সৃষ্টি কৰাৰ চেষ্টা চলাই আহিছে। এনে পৰিস্থিতিত পাকিস্তানৰ বিৰোধী হিচাপে পৰিচিত তালিবানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি ভাৰতে কৌশলগত সুবিধা ল'ব বিচাৰিছে বুলি বিশে-ষণ কৰা হৈছে। কেৱল কূটনীতিতেই নহয়, স্বাস্থ্য খণ্ডতো দুয়োখন দেশৰ মাজত সম্পৰ্ক অধিক দৃঢ় হৈছে। আফগান স্বাস্থ্যমন্ত্ৰী মৌলবী নূৰ জালাল জালালীয়ে উল্লেখ কৰিছে যে, পাকিস্তানৰ সৈতে সম্পৰ্কৰ অৱনতিৰ পিছত ঔষধ আৰু চিকিৎসা সামগ্ৰীৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ভাৰত এতিয়া তেওঁলোকৰ বাবে এক গুৰুত্বপূৰ্ণ বিকল্প হৈ পৰিছে। বৰ্তমান আফগান নাগৰিকসকলে চিকিৎসা, ব্যৱসায় আদিৰ বাবে ভাৰতীয় ভিছাৰ বাবে আবেদন কৰাৰ সুবিধা পাইছে। যদিও ভাৰতে এতিয়াও তালিবান চৰকাৰক আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা নাই, তথাপি তেওঁলোকে নিযুক্তি দিয়া কূটনীতিবিদসকলক গ্ৰহণ কৰাত মান্তি হোৱাৰ ইংগিত পোৱা গৈছে। ২০২৩ চনত তালিবানে এজন কূটনীতিবিদক দিল্লীলৈ পঠিয়াবলৈ চেষ্টা কৰিছিল যদিও সেই সময়ত গ্ৰহণ কৰা নহৈছিল। পৰৱৰ্তী সময়ত ইক্ৰামুদ্দিন কামিলক মুম্বাইৰ কনছুলেটত নিযুক্তি দিয়া হৈছিল। কিন্তু এতিয়া নূৰ আহমেদ নূৰৰ নিযুক্তিয়ে ভাৰত-আফগানিস্তান সম্পৰ্কত এক নতুন অধ্যায়ৰ আৰম্ভণি ঘটাইছে বুলি মন্তব্য কৰা হৈছে। আগন্তুক দিনত ভাৰতে তালিবান চৰকাৰক আনুষ্ঠানিক স্বীকৃতি দিয়ে নে নাই সেয়া এতিয়া বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে।

## টকা পইচাৰ আঁচনি নহ'লেও

সন্মিলন আজি জিলাখনৰ গোপালথান পলিটেকনিকেল ইনষ্টিটিউচন প্ৰাঙ্গণত অনুষ্ঠিত হয়। নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা পঞ্চায়ত সন্মিলনত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকি জিলাখনৰ জিলা পৰিষদৰ সদস্য আৰু বিভিন্ন পঞ্চায়ত প্ৰতিনিধি সকলৰ লগত মত বিনিময় কৰি পঞ্চায়ত প্ৰতিনিধি সকলৰ এলেকাত ৰূপায়ণ হৈ থকা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ নিমাণ, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণ, ৰাজহুৱা শ্মশান নিৰ্মাণ, শৌচালয় নিৰ্মাণ, খোৱা পানী, বিনামূলীয়া উজ্জ্বলা গেছ সংযোগকে ধৰি বিভিন্ন আঁচনি সমূহ যাতে সঠিকভাৱে ৰূপান হয় তাৰ বাবে পঞ্চায়ত প্ৰতিনিধিসকলক আঁচনি ৰূপায়ণ হোৱা ঠাইসমূহত উপস্থিত হৈ তদাৰক কৰিবলৈ আহ্বান জনায়। টকা পইচাৰ আঁচনি নহলেও পঞ্চায়ত সভাপতিৰ কৰিব লগা বিভিন্ন আঁচনি আছে। তাক লক্ষ্য কৰিব লাগিব আৰু এই আঁচনি সমূহ আগবঢ়াই নিব লাগিব বুলি দোহাৰে। তদুপৰি ভাষণৰ মাজতে বিভিন্ন প্ৰশ্ন কৰি পঞ্চায়ত প্ৰতিনিধিসকলক আলাপ আলোচনাৰ মাজেৰে আঁচনি গ্ৰহণ আৰু কাৰ্যকৰি কৰিবলৈ আহ্বান জনায়। পঞ্চায়ত সন্মিলনত গৌৰৱময় উপস্থিতি হিচাপে জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি ভাষণত কয় যে, মহাত্মা গান্ধীয়ে ৰাম ৰাজ্যৰ সপোন দেখিছিল আৰু পঞ্চায়ত ব্যৱস্থা গঠনৰ ওপৰত গুৰুত্ব দিছিল। গতিকে পঞ্চায়ত প্ৰতিনিধিসকলে তেওঁলোকৰ নিজ নিজ অঞ্চলৰ তৃণমূল পৰ্যায়ৰ সমস্যা সমূহ সমাধান কৰিব লাগিব। আনহাতে প্ৰতিটো আঁচনিৰ বিপৰীতে চৰকাৰে আবণ্টন দিয়া ধনৰ সঠিক ব্যয় কৰি অসমত পঞ্চায়ত ব্যৱস্থা নিকা আৰু অধিক শক্তিশালী কৰিব লাগিব বুলি কয়। বিষয়া ইন্দ্ৰজিৎ দত্তই পৰিচালনা কৰা সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত সচিব মুনিন্দ্ৰ শৰ্মাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰি থকা বিভিন্ন আঁচনিৰ আভাস দাঙি ধৰে। সভাত পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সঞ্চালক পবিত্ৰ কলিতা, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা গীতুমনি বৈশ্য, জিলা পৰিষদৰ উপাধ্যক্ষ্য হীতেশ ব্ৰহ্ম, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰণৱ গোস্বামী, বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাকে ধৰি নলবাৰী গ্ৰামোন্নয়ন বিভাগৰ কেইবাগৰাকীও বিষয়াই অংশগ্ৰহণ কৰি গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ ওপৰত ভাষণ দিয়ে। উল্লেখ্য যে, পঞ্চায়ত সন্মিলনত জিলাখনৰ বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰকে ধৰি আন ১১খন জিলা পৰিষদৰ সদস্য আৰু ৬৫খন গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

## জ্যেষ্ঠ অধিবক্তাসকলৰ

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰটোক লৈ ৰাজ্যজুৰি চলি থকা তীব্ৰ আলোচনা আৰু দাবীৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছে এখন গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। দলে শনিবাৰে ঘোষণা কৰে যে প্ৰয়াত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু ন্যায়িক প্ৰক্ৰিয়াৰ অগ্ৰগতি তীক্ষ্ণ দৃষ্টিৰে পৰ্যবেক্ষণ কৰিবলৈ জ্যেষ্ঠ অধিবক্তাসকলৰ এখন বিশেষ সমিতি গঠন কৰা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এপিচিচি) সভাপতি শ্ৰী গৌৰৱ গগৈৰ নিৰ্দেশত এই সমিতি গঠন কৰা হৈছে। দলৰ সাধাৰণ সম্পাদক (সংগঠন) বিপুল গগৈয়ে প্ৰেৰিত এক বিবৃতিত এই কথা জনাই কয় যে, "প্ৰয়াত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটোৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াৰ প্ৰতি অসম প্ৰদেশ কংগ্ৰেছে সদায় গুৰুত্ব দি আহিছে। ন্যায় নিশ্চিত কৰাৰ বাবে এই সমিতিয়ে নিয়মিতভাৱে পৰ্যবেক্ষণ চলাব আৰু প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিব।" এই সমিতিত সদস্য হিচাপে নিযুক্তি লাভ কৰিছে নিম্নলিখিত জ্যেষ্ঠ অধিবক্তাসকলে: হাফিজ ৰছিদ আহমেদ চৌধুৰী, ৰাম প্ৰসাদ সৰমাহ, দিলীপ চৌধুৰী, হামিদুৰ ৰহমান, হেমন্ত কলিতা, ৰুবি গগৈ। উল্লেখ্য যে, এই সিদ্ধান্ত ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বাবে বিশেষ জনঅধিবক্তাৰ (ছেচেল পাব্লিক প্ৰচিকিউটাৰ) পাঁচজনীয়া দল অনুমোদন জনোৱাৰ মাত্ৰ এদিন পিছতে লোৱা হৈছে। ৰাজ্য চৰকাৰে নিযুক্ত কৰা এই দলত অন্তৰ্ভুক্ত হৈছে: জিয়াউল কামাৰ (বিশেষ জনঅধিবক্তা), ব্ৰজেন্দ্ৰ মোহন চৌধুৰী (অতিৰিক্ত জনঅধিবক্তা), কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু বিকাশ জম্মা (সহকাৰী জনঅধিবক্তা)। এই বিশেষ দলৰ গঠনৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছে নিজৰ পক্ষৰ পৰা এখন সমান্তৰাল পৰ্যবেক্ষণ সমিতি গঠন কৰি জনাইছে যে দলে গোচৰটোৰ প্ৰতি অত্যন্ত সজাগ আৰু ন্যায় প্ৰক্ৰিয়াত কোনো ধৰণৰ ত্ৰুটি নহ'বলৈ সকলো প্ৰয়াস কৰিব।

## গুৱাহাটীৰ উচ্চ ন্যায়ালয়

শইকীয়াই ৰংমহলত প্ৰস্তাৱিত নতুন বিচাৰিক সংকুলৰ শিলান্যাস অনুষ্ঠানৰ পূৰ্বে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মহাধিবক্তাই কয় যে, বিগত ৩-৪ বছৰ ধৰি এই স্থানান্তৰ প্ৰক্ৰিয়াক লৈ বিভিন্ন মহলত মতভেদ চলি আহিছে। কোনো অংশই সমৰ্থন কৰিছে আৰু কোনো অংশই বিৰোধ কৰি আহিছে। তেওঁ স্পষ্ট কৰে যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল মুখ্য ন্যায়াধীশ সন্দীপ মেহতাৰ কাৰ্যকালত। তেওঁ অধিক ব্যাখ্যা কৰি কয়, ২০২২ চনৰ অক্টোবৰ-নৱেম্বৰ মাহত বৰাগাঁৱলৈ চিজেএম আদালত স্থানান্তৰৰ চেষ্টা হৈছিল যদিও তেতিয়ালৈকে উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ কোনো আলোচনা হোৱা নাছিল। বাৰ কাউন্সিলে কেৱল এখন কোৰ্ট স্থানান্তৰ কৰিলে অসুবিধা হ'ব বুলি জনাইছিল, কিন্তু সকলো কোৰ্ট একেলগে লৈ গ'লে আপত্তি নাথাকিব বুলিও মত দিছিল। ন্যায়াধীশসকলৰ নিৰাপত্তা আৰু সুবিধাৰ কথা উত্থাপন কৰি শইকীয়াই কয় যে, পূৰ্বে ১৯ জন ন্যায়াধীশ থকাৰ ঠাইত বৰ্তমান ৩০জন হৈছে। ফলত নিৰাপত্তাৰ প্ৰশ্ন উঠিছে। বৰ্তমান ন্যায়াধীশসকলে ফ্লেটত থাকিবলগীয়া হৈছে আৰু মাত্ৰ ৭টা কোৱাটাৰ উপলব্ধ। মহিলা ন্যায়াধীশসকলৰ বাবে বহাৰ লগতে থকা-খোৱাৰ সুব্যৱস্থা নাই। পাৰ্কিং, কেণ্টিন আৰু প্ৰেক্ষাগৃহৰ অভাৱ আছে। প্ৰায় এহাজাৰ প্ৰেকটিচ কৰা অধিবক্তাই গাড়ীতেই চেম্বাৰ খুলিবলগীয়া হয়। তেওঁ লগতে কয় যে মুখ্য ন্যায়াধীশৰ কোৱাটাৰটো হেৰিটেজ ভৱন হিচাপে ঘোষিত হৈছে। ২০২৩ চনত সন্দীপ মেহতাই স্থানান্তৰৰ বাবে অনুৰোধ জনাইছিল। এই প্ৰক্ৰিয়া অসম চৰকাৰে একপক্ষীয়ভাৱে লোৱা নহয় [illegible]
হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পক সমৰ্থন জনাই কয় যে, হাইক'ৰ্ট বাৰ এচ'চিয়েচনৰ ধৰ্মঘটৰ কোনো যুক্তি নাই। গুৱাহাটীৰ পৰা ৰংমহললৈ মাত্ৰ ৪০০-৫০০ টকা খৰচত যাব পাৰি। ফেব্ৰুৱাৰীত নতুন দলং মুকলি হ'লে নিমিষতে উচ্চ ন্যায়ালয়লৈ যোৱা সম্ভৱ হ'ব। তেওঁ অধিক কয় যে, আগন্তুক ১০ বছৰত ৰিং ৰোডৰ কাষে কাষে মেট্ৰ' ট্ৰেইনৰ ব্যৱস্থা কৰা হ'ব। যিসকলে বিৰোধ কৰিছে তেওঁলোকে নিৰাশা দেখে, কিন্তু তেওঁ আশাৰ দৃষ্টিৰে চায়। এই সিদ্ধান্ত ন্যায়াধীশসকলৰ। প্ৰথম পৰ্যায়ত ৫০০ কোটি আৰু পিছত ১২০০ কোটি টকাৰে এখন পূৰ্ণাংগ "জুডিচিয়েল চিটি" গঢ়ি তোলা হ'ব। শিলান্যাস অনুষ্ঠান ১১ জানুৱাৰীত অনুষ্ঠিত হ'ব বুলি নিৰ্ধাৰিত হৈছে যদিও বাৰ এচ'চিয়েচনৰ প্ৰতিবাদ আৰু অনশন অব্যাহত আছে। এই প্ৰকল্পই অসমৰ বিচাৰ ব্যৱস্থাক আধুনিকীকৰণ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## ইৰানত গণবিদ্ৰোহ! হিংসাত্মক

বিৰুদ্ধে পোনপটীয়া গণবিদ্ৰোহৰ ৰূপ লৈছে। বিশেষকৈ শুকুৰবাৰে নিশাৰ পৰা প্ৰতিবাদৰ তীব্ৰতা অভূতপূৰ্বভাৱে বৃদ্ধি পোৱাৰ পিছতে চৰকাৰে সমগ্ৰ দেশতে ইণ্টাৰনেট সেৱা সম্পূৰ্ণৰূপে কৰ্তন কৰি দিছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যম যেনে 'টাইম মেগাজিন' আৰু অন্যান্য প্ৰতিবেদন অনুসৰি, কেৱল তেহৰাণৰ ছখন হাস্পতালতে অন্ততঃ ২১৭জন প্ৰতিবাদকাৰীৰ মৃত্যু হৈছে। ইয়াৰ অধিকাংশৰ মৃত্যু হৈছে নিৰাপত্তা বাহিনীৰ গুলীচালনাৰ ফলত। তেহৰাণৰ উপৰিও মছহাদ, কোম, ইছফাহান, বুশ্বহৰ আদি ১১০খনতকৈও অধিক চহৰত হিংসাত্মক সংঘৰ্ষ অব্যাহত আছে। চৰকাৰী তথ্য অনুসৰি, এতিয়ালৈকে প্ৰতিবাদকাৰীৰ সংখ্যা ২১৭জন আৰু নিৰাপত্তা বাহিনীৰ ১৪জন জোৱানৰ মৃত্যু হৈছে। ইয়াৰ উপৰি ২,০০০ৰো অধিক লোক আহত হৈছে আৰু প্ৰায় ২, ৩০০ জনক আটক কৰা হৈছে। বহু ঠাইত প্ৰতিবাদকাৰীসকলে বেংক লুটপাত চলোৱাৰ লগতে ধৰ্মীয় অনুষ্ঠানস্থলী, চৰকাৰী ভৱন আৰু অন্যান্য স্থাপত্যত অগ্নিসংযোগ কৰিছে। এই গণ-আন্দোলনৰ সূত্ৰপাত হৈছিল বিগত বছৰৰ ২৯ ডিচেম্বৰত। ইৰানী মুদ্ৰা 'ৰিয়াল'ৰ অভাৱনীয় মূল্যহ্ৰাসৰ প্ৰতিবাদত তেহৰাণৰ মাজমজিয়াত ব্যৱসায়ীসকলে দোকান-পোহাৰ বন্ধ কৰি প্ৰতিবাদ আৰম্ভ কৰে। ৩০ ডিচেম্বৰত তেহৰাণ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই আন্দোলনত যোগদান কৰে। পৰৱৰ্তী সময়ত প্ৰতিবাদ অধিক তীব্ৰ হৈ পৰে আৰু ২ জানুৱাৰীৰ পৰা মুখা পৰিহিত কিছুসংখ্যক সশস্ত্ৰ ব্যক্তি ৰাজপথত ওলাই অহাৰ পিছত নিৰাপত্তা বাহিনীৰ সৈতে সংঘৰ্ষ অত্যন্ত হিংসাত্মক ৰূপ লয়। প্ৰথমতে মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আৰু মুদ্ৰাস্ফীতিৰ বিৰুদ্ধে আৰম্ভ হোৱা এই আন্দোলন ক্ৰমান্বয়ে দেশৰ ধৰ্মীয় শাসন ব্যৱস্থা আৰু চৰকাৰৰ বিৰুদ্ধে এক বৃহৎ গণবিদ্ৰোহলৈ পৰিণত হৈছে। বৰ্তমানলৈকে ৫ লাখতকৈও অধিক লোকে এই আন্দোলনত অংশগ্ৰহণ কৰিছে বুলি দাবী কৰা হৈছে। তেহৰাণৰ মেয়ৰ আলীৰেজা জকানীয়ে চৰকাৰী সংবাদ মাধ্যমক জনোৱা মতে, প্ৰতিবাদকাৰীসকলে চহৰৰ আন্তঃগাঁথনিৰ ব্যাপক ক্ষতিসাধন কৰিছে। তেওঁ অভিযোগ কৰিছে যে হাস্পতাল, চিকিৎসা কেন্দ্ৰ আৰু ইছলামিক ৰিভলুশ্যনেৰী গাৰ্ড কৰ্পছ (IRGC)-ৰ চাউনীসমূহতো আক্ৰমণ চলোৱা হৈছে। মানৱাধিকাৰ সংগঠনসমূহে অভিযোগ উত্থাপন কৰিছে যে, প্ৰতিবাদ দমনৰ উদ্দেশ্যে চৰকাৰে ইণ্টাৰনেট সেৱা কৰ্তন কৰি জনসাধাৰণৰ যোগাযোগ বিচ্ছিন্ন কৰাৰ চেষ্টা চলাইছে। বিশেষজ্ঞসকলে এই পৰিস্থিতিক ইৰানৰ ইতিহাসৰ অন্যতম গভীৰ ৰাজনৈতিক আৰু মানৱীয় সংকট বুলি অভিহিত কৰিছে। বৰ্তমান ইৰানৰ ভৱিষ্যত কোন দিশে ল'ব সেয়া সম্পূৰ্ণ অস্পষ্ট হৈ পৰিছে। আন্দোলনকাৰীসকলৰ দাবী আৰু চৰকাৰৰ প্ৰতিক্ৰিয়াৰ **মাজত সংঘাত অধিক তীব্ৰ হোৱাৰ আশংকা বাঢ়িছে।**

## অখিল গগৈ ৰজা হৈ

ভাৰতৰ প্ৰধানমন্ত্ৰী সদায় এগৰাকী হিন্দু ব্যক্তি হ'ব। এ আই এম আই এমৰ মুৰব্বী আছাউদ্দিন ওৱেইছিৰ মন্তব্যৰ প্ৰতিক্ৰিয়া স্বৰূপে মুখ্যমন্ত্ৰীয়ে কয়, "সংবিধান অনুসৰি যিকোনো ভাৰতীয় নাগৰিক প্ৰধানমন্ত্ৰী হ'ব পাৰে। কিন্তু ভাৰতবৰ্ষ এখন হিন্দু ৰাষ্ট্ৰ, হিন্দু সভ্যতাৰ ৰাষ্ট্ৰ। গতিকে আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ আৰু ক'ব পাৰোঁ যে ভাৰতৰ প্ৰধানমন্ত্ৰী সদায় এগৰাকী হিন্দু ব্যক্তি হ'ব।" ওৱেইছিয়ে মহাৰাষ্ট্ৰৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত কৈছিল যে, এনে এটা দিন আহিব যেতিয়া হিজাব পিন্ধা এগৰাকী কন্যাই এই দেশৰ প্ৰধানমন্ত্ৰী হ'ব। এই মন্তব্যৰ প্ৰতি প্ৰতিক্ৰিয়া জনাই মুখ্যমন্ত্ৰীয়ে এইদৰে স্পষ্ট অৱস্থান গ্ৰহণ কৰে। আনহাতে বিধায়ক অখিল গগৈক লৈ মুখ্যমন্ত্ৰীয়ে তীব্ৰ কটাক্ষ কৰে। অখিল গগৈয়ে নিজকে উজনিৰ ৰজা বুলি কোৱা প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "অখিল গগৈ ৰজা হৈ থাকক, মোৰ কোনো আপত্তি নাই। আমি প্ৰজা হৈ থাকিলেই হ'ল। তেওঁ ৰজা হৈ থাকিলে ভাল, আমি প্ৰজা হৈ থাকিলে ভাল।" তেওঁ অধিক কয় যে, "কেৱল অখিল গগৈয়ে ফেচবুক লাইভ কৰাটো এৰি নিদিয়ক। ৰাতি চাই ভাল লাগে। কালি কৈছে ইংলেণ্ড, আমেৰিকাৰ পৰা উকিল আনিব। তেওঁ ইমানো নাজানে যে বিদেশী উকিলে ভাৰতৰ আদালতত থিয় হ'ব নোৱাৰে। আইন অনুসৰি সম্ভৱ নহয়। তেওঁৰ ইমানো জ্ঞান নাই। তেওঁ এণ্টাৰটেইনমেণ্ট দিয়ে। ৰাতি শুনক, আৰাম পাব।" কংগ্ৰেছৰ যোগদান অভিযানক লৈ মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক কটাক্ষ কৰি কয়, "গৌৰৱ গগৈয়ে যিসকলক যোগদান কৰাই আছে, সেইসকলৰ নাম মোৰ ২৫ বছৰীয়া ৰাজনৈতিক জীৱনত কেতিয়াও শুনা নাই। এয়া সম্পূৰ্ণ নাটক। অসমৰ কি হ'ব লাগিব সেয়া জনতাই জনাই দিছে। এই অধ্যায় এতিয়া বন্ধ হৈ গৈছে। জনতাই মন স্থিৰ কৰি লৈছে কাক ভোট দিব আৰু কাক নিদিব।" ইফালে নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জনায় যে, আজিলৈকে ১.৫৬ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে আৰু কেইবাটাও বিভাগৰ নিযুক্তি এতিয়াও বাকী আছে। তেওঁ কয়, "১০ ফেব্ৰুৱাৰীৰ ভিতৰত সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিম। আমি কোনো গোচৰ নোহোৱাকৈ ১ লাখৰ ঠাইত ১.৬০ লাখ নিযুক্তি দিবলৈ সক্ষম হৈছোঁ। গোটেই নিযুক্তি সম্পূৰ্ণ হ'লে সংখ্যা ১ লাখ ৭০ হাজাৰৰ পৰা ১ লাখ ৭৫ হাজাৰলৈ হ'ব। ঠিকাভিত্তিক নিযুক্তি এতিয়াও বাকী আছে। এই মডেলটো বিভিন্ন ৰাজ্যই গ্ৰহণ কৰিছে। এ ডি আৰ ইৰ তৃতীয় ফেজ নিৰ্বাচনৰ পিছত হ'ব।" মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজ্যত নতুনকৈ ৰাজনৈতিক বিতৰ্কৰ সূত্ৰপাত কৰিছে। বিশেষকৈ ভাৰতক হিন্দু ৰাষ্ট্ৰ বুলি অভিহিত কৰা আৰু প্ৰধানমন্ত্ৰীৰ ধৰ্ম সম্পৰ্কীয় ঘোষণাই বিভিন্ন মহলত সমালোচনাৰ সৃষ্টি কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে।

## ধমধমাৰ দ্বীনি জলছাহ তথা ধৰ্মীয় সভাত অসমৰ জনপ্ৰিয় শিল্পী জিকিৰ সম্ৰাট বুলবুল হুছেইন

**অসম বাৰ্তা, ধমধমা, ৯ জানুৱাৰী** ঃ ধমধমাৰ ঐতিহাসিক হজৰত মিলাউদ্দিন খানকাহ মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত আৰু জলছাহ পৰিচালনা সমিতিৰ সহযোগত দ্বীনি জলছাহৰ আয়োজন। অহা ১৯ জানুৱাৰিত অবিভক্ত কামৰূপ জিলাৰ তথা বৰ্তমান নলবাৰী জিলাৰ ধমধমাৰ অতি পুৰণি মছজিদ হজৰত মিলাউদ্দিন খানকাহ মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত আৰু জলছাহ পৰিচালনা সমিতিৰ সহযোগত ১৭০৩ খ্ৰীষ্টাব্দত স্থাপিত হোৱা "মছজিদ"টোৰ চাৰিমহলীয়াকৈ পুনৰ নিৰ্মাণ আৰু মানৱ সমাজত শান্তি- সম্প্ৰীতি, একতা ভাতৃত্ববোধ অক্ষুণ্ন ৰখাৰ স্বাৰ্থত এখনি দ্বীনি জলছাহৰ আয়োজন কৰা হয়। এই দ্বীনি জলছাহ(ধৰ্মীয়সভা)ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ জনপ্ৰিয় শিল্পী, জিকিৰ সম্ৰাট বুলবুল হুছেইন। ধমধমা অঞ্চলৰ অতিকৈ পুৰণি তথা বুৰঞ্জী প্ৰসিদ্ধ মছজিদ হৈছে হজৰত মিলাউদ্দিন খানকাহ মছজিদ। এই মছজিদটো হেনো ১৭০৩ খ্ৰীষ্টাব্দত স্থাপন কৰা হৈছিলে। জনশ্ৰুতি অনুসৰি এই মছজিদটোক কেন্দ্ৰকৰিয়েই বৃহত্তৰ অঞ্চলটোত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈছিল বুলি জনা যায়। অহা ১৯ জানুৱাৰীত হ'বলগীয়া ধৰ্মীয় সভাখনত নিৰ্দষ্ট বক্তা হিচাপে উপস্থিত থাকিব কলকাতাৰ আন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন মুফাসসিৰে কোৰান, বিশিষ্ট ইছলামিক চিন্তাবিদ হজৰত মৌলানা মুফতি শ্বেখ আনোৱাৰা হুছেইন সাইদী আল ফাত্তাহী। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বৰাজোলৰ অৱসৰী চি.আই.এচ.এফ.জোৱান বিশিষ্ট সমাজ কৰ্মী তাজনুৰ আলী চাহেব। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বৃহত্তৰ ধমধমা অঞ্চলৰ আলহাজ হাফিজ কাৰি আমজাদ আলী চাহেব। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি নুৰুল হক, বৰ্ণিবাৰী মিলন উচ্চমাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক আলহাজ তাইজুদ্দিন আহমেদ, এবিএমছুৰ সভাপতি টাইছুন হুছেইন, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক আজিজুল ৰহমান, সদৌ অসম গমদে জাতীয় পৰিষদৰ, উপ সভাতি ছহিদ আলী আহমেদ, নলবাৰী জিলা বিজেপি সংখ্যালঘু মৰ্চাৰ সভাপতি সোণাবৰ আলী, প্ৰতীক্ষা হস্পিতালৰ বিশিষ্ট চিকিৎসক ডাঃতাইজুদ্দিন আহমেদ আদিৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট লোক। উদযাপন সমিতিয়ে সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা উপস্থিতি কামনা কৰিছে।

# বহিঃৰাজ্যত অসমৰ যুৱকৰ ৰহস্যজনক মৃত্যু

**অসম বাৰ্তা, হাজো, ৯ জানুৱাৰী** ঃ কামৰূপ জিলাৰ তীৰ্থনগৰী হাজো ৰামদিয়াৰ উদীয়মান যুৱক তথা ছয় বছৰীয়া পুত্ৰৰ পিতৃ বৰ্হি ৰাজ্যত ৰহস্য জনক মৃত্যু হোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৰ্হি ৰাজ্যত ৰহস্যজনক ভাৱে মৃত্যুক আকোঁৱালি লোৱা যুৱকজন সঞ্জীৱ ডেকা (৩২)। ঘটনাৰ সবিশেষ জানিব পৰা মতে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া বঙালটোলাৰ দেউৰী চুবুৰীৰ জগদীশ ডেকাৰ একমাত্ৰ পুত্ৰ সঞ্জীৱ ডেকা কেইবা বছৰ আগতে ভাৰতীয় ৰে'ল সেৱা প্ৰাধিকৰণৰ ডাইনেমিক এণ্টাৰপ্ৰাইজৰ ঠিকাভিত্তিক কৰ্মচাৰী হিচাপে নিয়োজিত হৈ আছিল। ছুটিৰ দুদিন মান ঘৰত থকাৰ পিছত পুনৰ যোৱা ৭ জানুৱাৰীত গুৱাহাটী-দিল্লী অভিমুখী ব্ৰহ্মপুত্ৰ মেইলৰ এচি কোচত কৰ্তব্যৰত অৱস্থাত গৈ থাকোঁতে পুৱতি নিশা সঞ্জীৱৰ মৃতদেহ উত্তৰ প্ৰদেশৰ কানপুৰৰ পৰা দুশ মিটাৰ মান দূৰত ৰে'ল আৰক্ষীয়ে ৰে'লআলিৰ দাঁতিত উদ্ধাৰ কৰে। পিছত ৰে'ল আৰক্ষীয়ে সঞ্জীৱৰ পৰিচয় পত্ৰৰ পৰা ঠিকনা লাভ কৰি পৰিয়ালৰ লগত যোগাযোগ অব্যাহত ৰাখে। পৰিয়ালৰ লোকে সঞ্জীৱৰ মৃত্যু হোৱা খবৰ লাভ কৰাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয় সমগ্ৰ ঘৰখনৰ লগতে চুবুৰীটোত। কণমানি সন্তানটিক বুকুত সাৱটি স্বামী হাৰা পত্নীৰ কান্দোনে উপস্থিত সকলোৰে চকু সেমেকাই তোলে। ইফালে ৰেল আৰক্ষীয়ে এইটো এটা দুৰ্ঘটনা বুলি জানিবলৈ দিয়াৰ বিপৰীতে সঞ্জীৱৰ পৰিয়াল তথা চুবুৰীয়াই সঞ্জীৱক কোনো দুৰ্বৃত্তই হত্যা কৰি ৰে'লৰ পৰা পেলাই দিয়াৰ অভিযোগ উত্থাপিত কৰে আৰু শীঘ্ৰেই ঘটনাৰ উচিত তদন্ত কৰি দোষীক কৰায়ত্ব কৰাৰ বাবে দাবী উত্থাপন কৰে।

## যোৰহাট বাঁহফলা, চাৰিগাঁও ভি ডি পি পুনৰ্গঠন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৯ জানুৱাৰী** ঃ যোৰহাট পুলিবৰ থানা এলেকাৰ বাঁহফলা, চাৰিগাঁও ভি ডি পি ৯ জানুৱাৰীত পুনৰ্গঠন কৰা হয়। চৰকাৰৰ গৃহ বিভাগৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত ১৮-৪০ বছৰৰ ভিতৰৰ যুৱক-যুৱতী ২৫ গৰাকীক লৈ গঠন কৰা চাৰিগাঁও ভি ডি পিখন পৰিচালনাৰ বাবে বেবাই পেগুৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিজয় দলেক সভাপতি, দিব্যজ্যোতি পেগুক সম্পাদকৰূপে লৈ গঠন কৰা সমিতিখনক দায়িত্ব অৰ্পণ কৰে। চৰকাৰী গাঁওপ্ৰধান থগেশ্বৰ পেগুৱে উদ্দেশ্য ব্যাখ্যা কৰা সভাত পূৰ্বৰ সমিতিৰ সভাপতিয়ে পদত্যাগ কৰে। পুলিবৰ থানা গাঁৱৰক্ষী বাহিনীৰ চক্ৰ সংগঠক দিগন্ত কুমাৰ বৰা, সভাপতি হৰেন ভূমিজ, উপদেষ্টা ৰমেন শইকীয়াই গাঁৱৰক্ষী বাহিনীৰ বাবে চৰকাৰৰ নিৰ্দিষ্ট বিভাগে প্ৰেৰণ কৰা নীতি-নিৰ্দেশনা ব্যাখ্যা কৰে। চাৰিগাঁও ভোজখাঁতী জনজাতি মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাখনত চাৰিগাঁও ভোজখাঁতীৰ বাসিন্দাসকল উপস্থিত থাকে। ইফালে, বাঁহফলা ৰংগমঞ্চত অনুষ্ঠিত আন এখন সভাত বাঁহফলা ভি ডি পিখন পুনৰ্গঠন কৰা হয়।

## জ্ঞান জ্যোতি সাহিত্যিক, সাংস্কৃতিক সমিতিৰ কেলেণ্ডাৰ উন্মোচন আৰু চিত্ৰাংকণ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ৯ জানুৱাৰী** ঃ জ্ঞান জ্যোতি সাহিত্যিক, সাংস্কৃতিক সমিতি শিৱসাগৰৰ উদ্যোগত মেকিপুৰ বাগিচা প্ৰাথমিক বিদ্যালয়ত সমিতিখনৰ যোৱা কালি এখন কেলেণ্ডাৰ উন্মোচনৰ লগতে আৰু কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটো প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধা জনাই মায়াবিনী গীতেৰে আৰম্ভ কৰা হয়। ইয়াৰ পিছতে মেকিপুৰ ১নং লাইন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সেবী দাস গুপ্তা গোৱালাই কেলেণ্ডাৰখন উন্মোচন কৰে। প্ৰায় ১১ গৰাকী কেলেণ্ডাৰ মডেলৰ চিনাকি পৰ্বৰ সমান্তৰালকৈ মডেলসকলে নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি 'ক' আৰু 'খ' দুটা শাখাত অনুষ্ঠিত কৰা চিত্ৰাংকণ প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। কেলেণ্ডাৰখন প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত বিশেষ ভাৱে সহযোগিতা আগবঢ়োৱা "ফেশ্বন জ'ন" ক ধন্যবাদ আৰু কৃতজ্ঞতা জনায় জ্ঞান জ্যোতি সাহিত্যিক, সাংস্কৃতিক সমিতিৰ সভাপতি জ্ঞান অংকুৰ গগৈ আৰু সম্পাদক বিকাশ কিচানে। অনুষ্ঠানত সমাজকৰ্মী সুশেন দত্ত, ববিতা ৰাজোৱাৰে বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে মডেল বন্দীতা দহোটীয়া, অনন্ত দত্ত, ঋষি কাশ্যপ, মৃগাংক বড়া, সূৰজনীতা শ্ৰীবাস্তৱ, পাঞ্চুৰিকা দাস, জোনাক বড়া, বিদিশা বৰা, ৰিচমা চুতীয়া, ৰূপালী শব্দকৰ উপস্থিত থাকে।

## জ্যেষ্ঠ সাংবাদিক আব্দুল গফুৰৰ আহমদৰ মাতৃ হাজিৰা বেগমৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, আমগুৰি, ৯ জানুৱাৰী** ঃ আমগুৰিৰ জ্যেষ্ঠ সাংবাদিক আব্দুল গফুৰৰ আহমদৰ মাতৃ ধৰ্মপ্ৰাণ মহিলা হাজিৰা বেগম (৮৫)ৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। সুযোগ্য মাতৃ, সৎ, অমায়িক মহিলা গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰা লগে-লগে অগনণ গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। হাজিৰা বেগমৰ মৃত্যুত সদৌ অসম সাংবাদিক সন্থা, সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থা, মৰাবজাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক গোট, মৰাবজাৰ মুক্তাব প্ৰাৰ্থমিক বিদ্যালয়, নামতি প্ৰেছ ক্লাব, আমগুৰি প্ৰেছ ক্লাব, চামগুৰি ৰক্তদান গ্ৰুপ, দিকচু উচ্চ মাধ্যমিক বিদ্যালয়, বেচৰকাৰী সংস্থা মানুহ মানুহৰ বাবে, চামগুৰি আৰু মৰাবজাৰ ঈদগাহ পৰিচালনা সমিতিৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ মৃত্যু সময়ত একমাত্ৰ পুত্ৰ-বোৱাৰী, পাঁচগৰাকী জী-জোঁৱাই, নাতি-নাতিনী সহ বহু আত্মীয় স্বৰ্জনক ইহ-সংসাৰত এৰি থৈ গৈছে।

# ডুমডুমাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৮ জানুৱাৰী** ঃ ডুমডুমাৰ সমীপৰ এঠেঙীয়াত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আজি পুৱা এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা এটা পৰিত্যক্ত ঘৰৰ পাছফালে গাঁওৰক্ষী বাহিনীৰ এটা দলে পৰি থকা অৱস্থাত মৃতদেহটো প্ৰত্যক্ষ কৰি ডুমডুমা আৰক্ষীক খবৰ দিয়ে। ততালিকে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰি থকা অৱস্থাত মৃতদেহটো উদ্ধাৰ কৰে। পিন্ধনত লংপেণ্ট আৰু চাৰ্ট পৰিহিত প্ৰায় ৫৫ বছৰীয়া মৃতদেহটো চিনাক্ত কৰিব পৰা নাই। ক'ৰ মানুহ, কেনেকৈ আহি মৃত্যু হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে আৰু চিনাক্তকৰণৰ সুবিধাৰ্থে মৰ্গত ৰখাৰ ব্যৱস্থা কৰিছে।

# সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক আৰু ওদালগুৰি জিলা সমিতিৰ যৌথ উদ্যোগত দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, খৈৰাবাৰী, ১০ জানুৱাৰী** ঃ ওদালগুৰি জিলাৰ খৈৰাবাৰী গুৰিহাটী ৰাস মন্দিৰ প্ৰাঙ্গণত ১০ আৰু ১১ জানুৱাৰী শনিবাৰ আৰু ৰবিবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছে সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক ও ওদালগুৰি জিলা সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশন। ১০ জানুৱাৰী শনিবাৰে ৰাতিপুৱা অধিৱেশন স্থলীৰ মুখ্যদ্বাৰ উন্মোচন কৰে খৈৰাবাৰী বিশিষ্ট সমাজ সেৱক খগেন নাৰ্জাৰীয়ে। ওদালগুৰি জিলা সমিতি ও খৈৰাবাৰী আঞ্চলিক সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি জগদীশ চৰকাৰ, সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ সভাপতি শংকৰ দাস, সদৌ বিটিচি বাঙালি যুৱ -ছাত্ৰ ফেডাৰেশনৰ খৈৰাবাৰী আঞ্চলিক সমিতিৰ সভাপতি অমৰ দাসৰ লগতে বহু সংখ্যক ব্যক্তিয়ে। ইয়াৰ উপৰিও গছ পুলি ৰোপণ কৰে সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ প্ৰতিষ্ঠাপক সম্পাদক মদন শৰ্মা, উত্তৰ খৈৰাবাৰী আঃ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক প্ৰদীপ চৌধুৰীয়ে। স্মৃতি তৰ্পণ কৰে সদৌ বিটিচি বাঙালি যুৱ-ছাত্ৰ ফেডাৰেশনৰ উপদেষ্টা শ্যামল চৰকাৰে। বিশিষ্ট মনীষী ব্যক্তি সকলৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে দুলাল ৰয়, গৌৰাঙ্গ দাস, অপূৰ্ব শৰ্মা, হৰেন্দ দৈমাৰি, তুষাৰ চক্ৰৱৰ্ত্তী, তপন দেবনাথ, দেৱ কুমাৰ নাৰ্জৰী, আৰু কৰুণা ৰাভাই। অন্যহাতে খৈৰাবাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰৱক্তা সুৱৰ্ণ দেৱীয়ে হিয়াৰ আমঠু, হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ প্ৰতিশ্ৰবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছত কণ-কণ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰঙ্কণ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ইয়াৰ লগে-লগে অতিথিশালা আৰু শ্বহীদ বেদী উন্মোচন কৰি বন্তি প্ৰজ্বলন কৰে। সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৬৫ নং কলাইগাঁও বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়োই। অন্যহাতে সন্ধিয়া প্ৰতিনিধি সভাৰে প্ৰথম দিনৰ কাৰ্যসুচী সামৰি পৰে। ১১ জানুৱাৰী দেওবাৰ আজি বিশেষ সাংস্কৃতিক শোভাযাত্ৰাৰে দ্বিতীয় দিনৰ কাৰ্যসুচী শুভাৰম্ভ কৰি প্ৰকাশ্য সভা অনুষ্ঠিত কৰিব। সভাত উপস্থিত থাকিব বিটিচি মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী। উক্ত সভাত খৈৰাবাৰী মহাবিদ্যালয় ভূগোল বিভাগৰ জেষ্ঠ্য সহকাৰী অধ্যাপক ড° উত্তম কলিতাই উন্মোচন কৰিব "চেতনা" স্মৃতিগ্ৰন্থ। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব কবি, সাহিত্যিক ও অধিবক্তা তেজপুৰ জিলা আদালতৰ সঞ্জীৱ গোস্বামী, ৪ নং দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, অসম বিধান সভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়ো, উপ-মুখ্য কাৰ্যবাহী সদস্য কোকৰাঝাৰ ৰিহন দৈমাৰি, সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশনৰ সভাপতি হৰেন দাস, কাৰ্যকৰী সভাপতি সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশন ব্ৰজগোপাল সৰকাৰ, সদৌ বিটিচি বাঙালি যুৱ ছাত্ৰ ফেডাৰেশনৰ সাধাৰণ সম্পাদক শুভ মজুমদাৰৰ উপৰিও বিটিচিৰ বহু সংখ্যক ব্যক্তি উপস্থিত থাকিব অধিৱেশন স্থলীত। ইয়াৰ উপৰিও স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশন কৰিব অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী গীত। সদৌ বি, টি, চি, বাঙালি যুৱ ছাত্ৰ ফেডাৰেচন খৈৰাবাৰী আঞ্চলিক সমিতি আৰু ওদালগুৰি জিলা সমিতিৰ বিষয়ববীয়া সকলে দ্বাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ শোভাযাত্ৰা, মুকলি সভাৰ উপৰিও বিশেষ সাংস্কৃতিক সন্ধিয়া সা ৰে গা মা পা খ্যাত জী টিভি লিভিল চ্যাম্প শালিনী মুখাৰ্জীয়ে পৰিৱেশন কৰিব সাংস্কৃতিক সন্ধিয়া। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব এন আৰ ডি এছ গ্ৰুপৰ স্বত্বাধিকাৰ সুবীৰ সৰকাৰে। সমূহ কাৰ্যসূচীত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ সহায়তা আৰু উপস্থিত কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সভাপতি জগদীশ চৰকাৰ, কাৰ্যকৰী সভাপতি মদন ৰাভা, যুটীয়া সম্পাদক বিশ্বজিৎ মৈত্ৰী, সঞ্জয় দাস, ওদালগুৰি জিলা সমিতিৰ সভাপতি শংকৰ দাস, সাঃ সম্পাদক মিঠুন দে খৈৰাবাৰী আঞ্চলিক সমিতিৰ সভাপতি অমৰ দাস, সঃ সম্পাদক উত্তম বৰ্মনে।

## ৰাষ্ট্ৰীয় এলিট বক্সিঙৰ

বৰগোহাঁইৰ দুৰ্দান্ত প্ৰদৰ্শন অব্যাহত আছে। প্ৰতিযোগিতাখনৰ ছেমি ফাইনেলত লাভলীনাই একপক্ষীয় জয় সাব্যস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে, অংকুশিতা বড়ো আৰু গিতিমণি গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে। ছেমি ফাইনেলত উত্তৰ প্ৰদেশৰ ইমৰজ খানক পৰাস্ত কৰে লাভলীনাই। সমগ্ৰ খেলখনত আধিপত্য বিস্তাৰ কৰি লাভলীনাই ইমৰজক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এই বিজয়ৰ সৈতে লাভলীনাই প্ৰতিযোগিতাখনৰ স্বৰ্ণ পদকৰ যুঁজত নিজৰ স্থান সুনিশ্চিত কৰিবলৈ সক্ষম হৈছে। ইফালে, প্ৰতিযোগিতাখনৰ ছেমি ফাইনেলত পৰাস্ত হ'লেও ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে আন দুই বক্সাৰ অংকুশিতা বড়ো আৰু গীতিমণি গগৈয়ে। দুয়োগৰাকী বক্সাৰে ব্ৰঞ্জৰ পদক লাভ কৰিছে। জানিব পৰা মতে, ছেমি ফাইনেলত ৰে'লৱেৰ শক্তিশালী প্ৰতিদ্বন্দ্বী প্ৰিয়াৰ বিৰুদ্ধে যুঁজ দি অংকুশিতা ৫-০ ব্যৱধানত পৰাস্ত হয়। আনহাতে, গীতিমণি গগৈ সৰ্বভাৰতীয় আৰক্ষীৰ স্নেহাৰ বিৰুদ্ধে ৫-০ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে, ছেমি ফাইনেলত থমকি ৰ'লেও দুয়োগৰাকী অসম কন্যাই লাভ কৰা ব্ৰঞ্জৰ পদকে ৰাজ্যখনৰ ক্ৰীড়ানুৰাগীক উৎফুল্ল কৰি তুলিছে। এতিয়া সকলোৰে চকু লাভলীনা বৰগোহাঁইৰ ফাইনেল যুঁজখনৰ ওপৰত, য'ত তেওঁ সোণৰ পদক জয়ৰ বাবে ৰিঙত নামিব।

## ৰংদৈ আয়ুস্মান আৰোগ্য শিৱিৰৰ সৌজন্যত যোগ প্ৰশিক্ষণ

**অসম বাৰ্তা, নিমাতীঘাট, ১০ জানুৱাৰী** ঃ উত্তৰ যোৰহাট ৰংদৈ বামুণ গাওঁস্থিত ৰংদৈ আয়ুস্মান আৰোগ্য শিৱিৰৰ সৌজন্যত আজি উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত এটি যোগ প্ৰশিক্ষণ কাৰ্যসূচী সম্পৰ্ণ হয়। ৰংদৈ আয়ুস্মান আৰোগ্য শিৱিৰৰ হৈ পৰাগ তামোলী উপস্থিত থকা অনুষ্ঠানত যোগ প্ৰশিক্ষক নৱনীতা শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰায় ১৫০গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থকা যোগ প্ৰশিক্ষণত শিক্ষক-শিক্ষয়িত্ৰীৰ হৈ স্বপ্না বৰা বৰুৱা, নিমিষা কলিতা, লেখিকা গগৈ, পল্লৱী বৰা, সুপ্ৰীতি দেৱী, ইন্দ্ৰানী গগৈ, প্লাৱিতা বৰা, প্ৰাৰ্থনা নাজিৰ, সুস্মিতা শৰ্মা, কাঞ্চন শইকীয়া আৰু গীতাশ্ৰী বৰুৱাই অংশ গ্ৰহণ কৰে। বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই সকলোকে শলাগ জ্ঞাপন কৰে।

**বিজেপি চৰকাৰে এমৰেগা আঁচনিৰ নাম সলাই কৰিলে ভিবি গ্ৰাম জি**

# নগাঁও জিলা কংগ্ৰেছ ভৱনত জিলা কংগ্ৰেছৰ সংবাদমেল




**অসম বাৰ্তা, নগাঁও, ১০ জানুৱাৰী** ঃ নগাঁও জিলা কংগ্ৰেছ ভৱনত আজি বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি আয়োজন কৰা হয় এখনি সংবাদমেল। সংবাদমেলখনত উপস্থিত থাকি নগাঁও জিলা যুৱ কংগ্ৰেছৰ উপ-সভাপতি পল্লৱ জ্যোতি নাথে কয়- কাম কৰাৰ অধিকাৰ ৰক্ষাৰ বাবে MGNREGA ক বচাবৰ বাবে কংগ্ৰেছ দলৰ এই সংগ্ৰাম চলিচে আৰু ই অব্যাহত থাকিব। মহামানৱ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীন নিয়োগ নিশ্চিত আইন (MGNREGA) ২০০৫ চনত UPA চৰকাৰে প্ৰণয়ন কৰা এখন আইন, যাৰ জৰিয়তে প্ৰতিটো গ্ৰাম্য পৰিয়ালক মজুৰি ভিত্তিক কাম কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল। লগতে কামৰ দাবী জনোৱাৰ ১৫ দিনৰ ভিতৰত কৰ্ম প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ আইনীভাৱে বাধ্য। এইয়াই MGNREGA ৰ প্ৰধান বৈশিষ্ট্য আছিল। MGNREGA ৰ জৰিয়তে প্ৰতিবছৰে ৫-৬ কোটি পৰিয়ালক কৰ্ম সংস্থাপন দি স্বাৱলম্বী কৰাৰ প্ৰয়াস কৰি অহা হৈছে। যাৰ জৰিয়তে কৰ্মৰ সন্ধানত প্ৰব্ৰজন হ্ৰাস পাইছিল, গ্ৰাম্য অৰ্থনীতি সবল হৈছিল আৰু লগতে ৬০ শতাংশ মহিলা শ্ৰমিকৰ জৰিয়তে মহিলা সকলকো স্বাৱলম্বী কৰি তোলা হৈছিল। গতিকে আমি নগাঁও জিলা কংগ্ৰেছৰ তৰফৰ পৰা এই কাণ্ডৰ তীব্ৰ বিৰোধ কৰাৰ লগতে গাঁৱৰ মানুহখিনিৰ কৰ্ম কৰাৰ অধিকাৰৰ ওপৰত চৰকাৰে যি শেনচকু পেলাইছে তাৰ কাৰণে গৰিহণা দিছো আৰু লগতে MGNREGA ক শেষ কৰাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে আমি তীব্ৰ আন্দোলন গঢ়ি তুলিম। কিন্তু প্ৰত্যেকটো বস্তুৰ নাম সলনি কৰি আমেজ পোৱা এই বিজেপি চৰকাৰখনে MGNREGAখন নস্যাৎ কৰি নতুনকৈ তাৰ পৰিৱৰ্তে আইন আনিলে যাৰ নাম হ'ল VB-GRAM-G। উল্লেখযোগ্য যে এই নতুন আইনখনৰ মতে কাম কৰাৰ আইনী নিশ্চয়তা আঁতৰোৱা হৈছে। লগতে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভকৰা অৱদান ৯০ শতাংশৰ পৰা হ্ৰাস কৰি ৬০ শতাংশ কৰা হৈছে। ইয়াৰ ফলত আৰ্থিক বোজা ৰাজ্য চৰকাৰ আৰু শ্ৰমিক সকলৰ ওপৰত পৰিব। আনহাতে এই আঁচনিখনৰ পৰা মহামানৱ মহাত্মা গান্ধীৰ নাম আঁতৰাই দিয়াটো গ্ৰাম্য স্বশাসনৰ যি আদৰ্শ আৰু মূল্যবোধ সেইয়া হ্ৰাস কৰাৰ এক প্ৰচেষ্টা। এই নতুন আইনখনৰ জৰিয়তে গাঁও পঞ্চায়তৰ ক্ষমতা হ্ৰাস কৰাৰ প্ৰয়াস কৰা হৈছে। আজিৰ এই সংবাদমেলত নগাঁও জিলা কংগ্ৰেছৰ উপ সভাপতি আমিৰ আলী হালদাৰ, উপ-সভাপতি ভাস্কৰ গোস্বামী, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা যুৱ নেতা মৃনাল কুমাৰ হাজৰিকা, প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকা হিমাশ্ৰী ৰাজা, নগাঁও জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা যুৱ নেতা উৎপল বনিয়া, খাগৰিজান ব্লক কংগ্ৰেছৰ সভাপতি প্ৰমোদ বৰা, সাধাৰণ সম্পাদক ৰেহান উদ্দিন, মহিলা কংগ্ৰেছৰ সম্পাদিকা মিনাক্ষী শইকীয়া আদি উপস্থিত থাকে।

## ৰংদৈত অগ্নিকাণ্ড

**অসম বাৰ্তা, নিমাতীঘাট, ১০ জানুৱাৰী** ঃ আজি ৰংদৈ বামুণ গাঁৱৰ গোধা চুকৰ নিৱাসী মৃদুলা দত্তৰ ঘৰত এক অগ্নি কাণ্ডৰ ফলত বহু লক্ষ্যাধিক টকাৰ সা-সম্পত্তি নষ্ট হয়। জানিব পৰা মতে ৰাতিপুৱাই চিকিৎসাজনিত কাৰণত ঘৰৰ সদস্য সকলে ঘৰৰ দৰ্জা তলা লগাই গুৱাহাটী অভিমুখে যাত্ৰা কৰিছিল। যাত্ৰা কৰাৰ প্ৰায় ত্ৰিশ মিনিট মান পাছত বৈদ্যুতিক চৰ্ট চাৰ্কিট হৈ সন্মুখৰ কোঠাত জুই লাগে। জুইৰ ধোঁৱা দেখি কাষৰীয়া লোকে খবৰ দিয়াত পৰিয়ালৰ লোক আধাবাটৰ পৰা ঘূৰি আহে যদিও জুই নুমুৱাত কিছু পলম হয়। জুইৰ শিখাই ঘৰৰ ভিতৰত থকা পৰাগ দত্ত আৰু পত্নী লিনাশ্ৰী শইকীয়া দত্তৰ বহু লাগতিয়াল নথি পত্ৰ, লোৰ গডৰেজত থকা বহুত মূল্যবান কাপোৰ, আৰু সোণ ৰূপৰ গহনা পুৰি চাৰখাৰ কৰে। স্থানীয় লোকৰ তৎপৰতা আৰু যোৰহাট অগ্নি নিৰ্বাপক বাহিনীৰ লোক আহি জুই নিৰ্বাপিত কৰে যদিও তাৰ আগতেই যথেষ্ট সংখ্যক ক্ষতি হয় বুলি জানিব পাৰি।

## ছেৰাগুৰিৰ অসমী ভোগালী মেলাত উদুলি-মুদুলি পৰিৱেশ

**অসম বাৰ্তা, ধনশিৰি, ১০ জানুৱাৰী** ঃ ভোগালী বিহু বুলিলেই যেন ভোগ কৰা আনন্দই মানুহৰ মন উপচি পৰে। মূলত শস্য চপোৱাৰ আনন্দত অসমীয়া ৰাইজে এই সময়চোৱা আনন্দ-উল্লাসেৰে ভোগ কৰে। আনন্দময় এই ভোগালী বিহুৰ লগত সঙ্গতি ৰাখি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত "অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান" আৰু গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ উদ্যোগত সৰুপথাৰ সমজিলাৰ ছেৰাগুৰিস্থিত সতী সাধনী উদ্যান প্ৰাঙ্গনত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শনিবাৰৰ পৰা "অসমী ভোগালী মেলাৰ" আয়োজন কৰিছে। প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্য দ্বাৰ উন্মোচনৰ পিছতেই এই মেলাত পুৱাৰ ভাগৰে পৰা কণ কণ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বৃদ্ধ-বনিতাকে ধৰি যথেষ্ট মানুহৰ সমাগমৰে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। মেলাখনত আত্মসহায়ক গোটৰ মহিলাসকলে প্ৰায় ৩০খনকৈ বিভিন্ন থলুৱা সামগ্ৰীৰ বিপণী খুলিছে। বিপণী সমূহত বিহুৰ পিঠা-পনা, দৈ, চিৰা, বৰা চাউল, বিভিন্ন জনগোষ্ঠীয় খাদ্য সম্ভাৰ, থলুৱা সাজপাৰ, জনগোষ্ঠীয় সাজপাৰ, ফুল, গ্ৰাম্য জীৱনত ব্যৱহৃত সামগ্ৰীকে ধৰি বিভিন্ন বয়-বস্তু দেখিবলৈ পোৱা গৈছে। আনহাতে উক্ত মেলাৰ বাকৰিত আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত গোটৰ সামগ্ৰী অনুযায়ী বিভিন্ন প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে। মেলাখনৰ জৰিয়তে আত্মসহায়ক গোটৰ মহিলাসকলে বিশেষকৈ উপাৰ্জন কৰাৰ ক্ষেত্ৰত এক সুন্দৰ সুযোগ লাভ কৰিছে। অসমী ভোগালী মেলাৰ তিনিওটি দিনতেই বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাই জানিবলৈ দিছে।

## ডিলিমিটেশ্যনৰ পিছত জয়ৰ

আজি কিছু পৰিমাণে পৰিষ্কাৰ হোৱা পৰিলক্ষিত হ'ল। আজি অগপৰ জ্যেষ্ঠ নেতা তথা পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই মাজুলীত চৰকাৰী ভ্ৰমণসূচীৰে উপস্থিত হৈ এই সন্দৰ্ভত সাংবাদিকৰ আগত কয় -যিহেতু আগতেও মাজুলী সমষ্টিটো আমাৰ দখলত আছিল গতিকে এইটো এটা দাবী কৰাটো এটা স্বাভাৱিক কথা কিন্তু আমি ভাবোঁ যে পৰৱৰ্তী যিটো আমাৰ বিজেপি নেতৃত্বৰ লগত আলোচনা হ'ব এই আলোচনাত নিশ্চয় আমাৰ নেতৃত্বই মাজুলীৰ বিধানসভা সমষ্টিক লৈ আমাৰ কৰ্মীসকলে যিদৰে উত্থাপন কৰিছে সেয়া স্থান পাব বুলি উল্লেখ কৰে। তেওঁ আৰু কয় আসনটো কোনে পাব এইটো আলোচনাৰ মাধ্যমেৰে হ'ব। আসনৰ ভাগ বতৰা লৈ যিহেতু আমাৰ আলোচনা অনানুষ্ঠানিকভাৱে চলি আছে গতিকে এই সম্পৰ্কত মই ভাবো যে এইটো নিশ্চয় আলোচনা কালত এই কথাবিলাক উত্থাপন কৰিব আৰু উত্থাপন কৰি নিশ্চয় বিজেপিৰ নেতৃত্বৰ লগত আমি যিহেতু মিত্ৰতা কৰিবলৈ গৈ আছোঁ বা মিত্ৰতা থাকিব এই ক্ষেত্ৰত আমাৰ নেতৃত্বই মাজুলীৰ বিষয়টোও নিশ্চয় গভীৰভাৱে চিন্তা কৰিব বুলি উল্লেখ কৰে। ইফালে অগপ বিজেপিৰ মিত্ৰতাত এইবাৰ কিমান আসনৰ আঞ্চলিক দলটোৱে বিচাৰিব বুলি সোধাত তেওঁ কয় আমি আগতকৈটো অধিক আসন বিচাৰিছোঁ বা বিচাৰিম এতিয়া আমাৰ কথাটো হৈছে যে আগতে আমাৰ যেতিয়া ডিলিমিটেশ্যন হোৱা নাছিল তেতিয়া আমাৰ জয়ৰ সম্ভাৱনা থকা আসন খুউব বেছি ৮৩-৮৪ আছিল কিন্তু ডিলিমিটেশ্যনৰ পিছত আমাৰ জয়ৰ সম্ভাৱনা থকা আসন এশ চাৰিলৈকে বৃদ্ধি হ'ল গতিকে মই ভাবোঁ যে যিহেতু জয়ৰ সম্ভাৱনা থকা আসন বৃদ্ধি পালে গতিকে আমাৰ আসনো নিশ্চয় বিজেপি নেতৃত্বই এই ক্ষেত্ৰত নিশ্চয় বিবেচনা কৰিব আৰু আসনৰ সংখ্যা নিশ্চয় কিছু বৃদ্ধি কৰাৰ কাৰণে তেওঁলোকে ব্যৱস্থা ল'ব বুলি উল্লেখ কৰে। তেওঁ আমাৰ এতিয়া আলোচনা চলি আছে বা ক'ত ক'ত বা কোনবিলাক আসনত আমাৰ জয়ৰ সম্ভাৱনা আছে সেইটো এটা চাৰ্ভে চলিছে চাৰ্ভে ৰিপোৰ্টৰ ভিত্তিত য'ত য'ত ভাল সেইখিনি আমি বিচাৰিম বুলিও অগপৰ জ্যেষ্ঠ নেতা তথা বিধায়ক কলিতাই উল্লেখ কৰে।

## মাৰ্ঘেৰিটা আৰক্ষীৰ অবৈধ মাদক দ্ৰব্য বিৰুদ্ধে জোৰদাৰ অভিযান

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১০ জানুৱাৰী** ঃ মাৰ্ঘেৰিটা আৰক্ষী থানাৰ অন্তৰ্গত ভিন্ন প্ৰান্তত অব্যাহত আছে অবৈধ মাদক দ্ৰব্য চুলাই-মদৰ ৰমৰমীয়া ব্যৱসায়। যাৰ বাবে প্ৰায় মাৰ্ঘেৰিটাত বিভিন্ন সময়ত বিভিন্ন ঠাইত ঘটনা সংঘটিত হৈ থাকে। নিলোৎপল দলেই মাৰ্ঘেৰিটা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হিচাপে যোগদান কৰিয়েই মাদ্ৰক দ্ৰব্য বিৰুদ্ধে এক প্ৰকাৰে জেহাদ ঘোষণা কৰিছে। মাদ্ৰক দ্ৰব্যৰ বিৰুদ্ধে ইটো পিছত সিটো সফল অভিযান চলাই গৈছে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দলেই। আজি মাৰ্ঘেৰিটা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দলেৰ নেতৃত্ব মাৰ্ঘেৰিটাৰ মিৰিকা মাজুলী চাপৰিত অভিযান চলাই বহু কেইটা চুলাই ভাটি উচ্ছেদ কৰে। উক্ত অভিযানত চুলাই প্ৰস্তুত কৰিবৰ বাবে মজুত কৰি ৰখা সা-সামগ্ৰীসমূহ নষ্ট কৰি পেলাই। অৱশ্যে আৰক্ষীৰ অভিযানৰ সম্ভেদ পাই পলায়ন কৰে এই অবৈধ মাদক দ্ৰব্য ব্যৱসায়ৰ সৈতে জড়িত থকা লোকসকল। মাৰ্ঘেৰিটাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীয়ে চুলাই মদৰ বিৰুদ্ধে চলোৱা এই অভিযানত সন্তুষ্টি প্ৰকাশ কৰিছে স্থানীয় সচেতন মহলে।

## মৰিয়নিত গেছ পাইপ লাইন

মাৰ্ঘেৰিটা। নগৰৰ মাজমজিয়াত ষ্ট্ৰীট লাইট উদ্বোধন কৰিবলৈ লওঁতেই এই অঘটনটো সংঘটিত হয়। শনিবাৰে মৰিয়নি নগৰৰ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত ষ্ট্ৰীট লাইটৰ কাম উদ্বোধনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে মৰিয়নি পৌৰসভাৰ পৌৰপতি বিশ্ব প্ৰভাৱে শইকীয়ায়ে মাংগলিক কাৰ্যৰ বাবে চাকি জ্বলাবলৈ লওঁতেই হঠাত তীব্ৰ বেগত জুই জ্বলি উঠে। জানিব পৰা মতে, ষ্ট্ৰীট লাইটৰ স্তম্ভটোৰ তলেদিয়েই পাৰ হৈ গৈছিল অসম গেছ কোম্পানী লিমিটেডৰ (AGCL) গেছ পাইপলাইন। কোনো কাৰণত পাইপলাইনটোৰ পৰা গেছ নিৰ্গত হৈ আছিল। চাকি জ্বলোৱাৰ লগে লগে সেই নিৰ্গত গেছত জুই লাগে আৰু জুইৰ শিখা ওফন্দি উঠে। সৌভাগ্যক্ৰমে, সেই স্থানত উপস্থিত থকা মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু অন্যান্য ব্যক্তিসকল এই অগ্নিকাণ্ডৰ পৰা কথমপি ৰক্ষা পৰে। কোনো লোক হতাহত হোৱা নাই যদিও জনবহুল স্থানত গেছ পাইপলাইনৰ সুৰক্ষাৰ বিষয়টোক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ পিছতে স্থানীয় পৌৰসভা আৰু সংশ্লিষ্ট বিভাগৰ মাজত যোগাযোগহীনতাৰ বাবে এনে এক বিপদজনক পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি চৰ্চা চলিছে।

# বিদ্যা সাৰথি জাতীয় বিদ্যালয়ত প্ৰাক্ ভোগালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, যোৰহাট, ১০ জানুৱাৰী ঃ** যোৰহাট চকীহাটস্থিত বিদ্যা সাৰথি জাতীয় বিদ্যালয়ত প্ৰাক ভোগালী চ'ৰা আৰু বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। অভিজ্ঞান একাডেমী চিনিয়ৰ একাডেমীস্কুলৰ প্ৰশাসক মল্লিকা দাস বৰা আৰু বিদ্যা সাৰথি জাতীয় বিদ্যালয়ৰ সহপ্ৰধান শিক্ষয়িত্ৰী প্ৰিয়ংকা মহন্তই বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। প্ৰথম শ্ৰেণীৰ ছাত্ৰ/ছাত্ৰীসকলে দীহানাম পৰিৱেশনেৰে মঞ্চ মুকলি অনুষ্ঠানত পৰিচালন সঞ্চালক দীপক বৰাই আদৰণি ভাষণ প্ৰদান কৰে। পৰিচালনা সমিতিৰ কোষাধ্যক্ষ বিক্ৰমজ্যোতি কটকী ডাঙৰীয়াই ভোগালী বিহুৰ পৰম্পৰা সম্পৰ্কে সাৰুৱা বক্তব্য প্ৰদান কৰে। আমন্ত্ৰিত অতিথি বিশিষ্ট ব্যৱসায়ী স্বপন পাল চৌধুৰীয়ে তেখেতৰ বক্তৃতত বিদ্যালয়খনৰ নামটোতেই বহুতখিনি প্ৰকাশ পোৱাৰ লগতে ভোগালী চ'ৰাৰ আয়োজন কৰা পদক্ষেপক শলাগ জনায়। ভোগালী চ'ৰাৰ কাৰ্যসূচীৰ মাজতে বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ বঁটাসমূহ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে ভোগালী চ'ৰা কাৰ্যসূচীৰ লগতে সংগতি দ্য ভয়ত ফৰ অসমৰ উদ্যোগত সপ্তম, অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ - ছাত্ৰীসকলৰ মাজতে "ভোগালীৰ ঐতিহ্য' শীৰ্ষক থলীতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সদ্যসমাপ্ত আন্তৰ্জাতিক স্কুল বেডমিণ্টন প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ চায়িক বিন চাজিদকো বিশেষভাবে অভিনন্দন জনোৱা হয়। পৰিচালনা সমিতিৰ সম্পাদক জুল খাউন্দে শুভেচ্ছামূলক বক্তব্য আৰু প্ৰধান শিক্ষক প্ৰসেনজিৎ সেনে অনুষ্ঠানটোত অংশগ্ৰহণ কৰা আমন্ত্ৰিত অতিথি, শিক্ষক/ শিক্ষয়িত্ৰী, অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলক শলাগ জ্ঞাপন কৰে। বিদ্যালয়ৰ কাৰ্যাধ্যক্ষ নৰেন চন্দ্ৰ বৰাই আঁত ধৰা অনুষ্ঠানটিত সহকাৰী শিক্ষক/ শিক্ষয়িত্ৰী ক্ৰমে ৰুণুমী দত্ত, মাধৱ দাস, শিল্পীকা দত্তই, পল্লৱী দাসে বঁটা বিতৰণ সভাখনি পৰিচালনাত সহযোগিতা আগবঢ়াই। ভোগালী চ'ৰা উপলক্ষে মাঘবিহুৰ ৰীতি - নীতি পৰম্পৰাৰে মেজিত অগ্নি জ্বলোৱা হয় ছাত্ৰ-ছাত্ৰীসকলে ভেলাঘৰত বহি আনন্দেৰে উপভোগ কৰে। অকণিৰ সাহিত্য সম্পাদক দিগন্ত বৰুৱা, পোহৰ লাইভ এইতৰ সঞ্চালক অমৰ বৰুৱা, দ্য ভয়চ ফৰ আচাম মৌচুমী বৰাক তথা অতিথিসকলক ফুলাম গামোচাৰে আদৰণি জনায়। উপস্থিতসকলে বিদ্যালয়খনৰ এনে পদক্ষেপক আদৰণি জনোৱাৰ লগতে শলাগ লয়।

নতুন আৰক্ষী বিষয়াৰ যোগদান

# মৈৰাবাৰী আৰক্ষী থানাৰ বিদায়ী ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাসক সম্বৰ্ধনা মৈৰাবাৰীৰ সাংবাদিক সমাজৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ১০ জানুৱাৰী ঃ** মৈৰাবাৰী আৰক্ষী থানাত দুবছৰতকৈ অধিক সময় ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব পালন কৰাৰ পিছত যোৱা ৮ জানুৱাৰী তাৰিখে আৰক্ষী বিষয়া পংকজ দাসৰ গোলাঘাট লৈ বদলিকৰণ হয়। পৰিদৰ্শক পৰ্যায়ৰ আৰক্ষী বিষয়া গৰাকীয়ে ২০২৩ চনৰ মে'মাহত মৈৰাবাৰী আৰক্ষী থানাত ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰিছিল। মৈৰাবাৰী আৰক্ষী থানাত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আৰক্ষী বিষয়া পংকজ দাসে ড্ৰাগছ সৰবৰাহ, নিচাযুক্ত সামগ্ৰীৰ ব্যৱসায় আৰু চাইবাৰ অপৰাধৰ বিৰুদ্ধে কঠোৰ আৰু আপোচবিহীন পদক্ষেপ গ্ৰহণ কৰিছিল। তেওঁৰ নেতৃত্বত আৰক্ষীয়ে বৃহত্তৰ মৈৰাবাৰী অঞ্চলত চলোৱা ধাৰাবাহিক অভিযানৰ জৰিয়তে বহু পৰিমাণে সমাজবিৰোধী কাৰ্যকলাপ নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। আৰক্ষী বিষয়া পংকজ দাসৰ বদলিকৰণ হোৱাত অঞ্চলটোৰ সচেতন নাগৰিকৰ লগতে মৈৰাবাৰী অঞ্চলৰ সাংবাদিক সমাজে শুক্ৰবাৰে নিশা আৰক্ষী বিষয়াগৰাকীৰ এখনি বিদায়ী সভাৰ আয়োজন কৰে। বিদায়ী সভাখনত অঞ্চলটোৰ সাংবাদিক সমাজে আৰক্ষী বিষয়া গৰাকীৰ নিষ্ঠাবান সেৱা, সাহসিকতা আৰু দায়িত্বশীল ভূমিকাৰ শলাগ লয়। আৰক্ষী বিষয়া গৰাকীক ফুলাম গামোচা, জাপি, আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায় মৈৰাবাৰীৰ সাংবাদিক সকলে। বিদায়ী সভাত ভাষণ প্ৰদান কৰি আৰক্ষী বিষয়া পংকজ দাসে মৈৰাবাৰী অঞ্চলৰ ৰাইজৰ মৰম-স্নেহ আৰু সহায়-সহযোগ কেতিয়াও পাহৰাটো সম্ভৱ নহয় বুলি আবেগিক কণ্ঠেৰে উল্লেখ কৰে। আনহাতে সাংবাদিক সমাজৰ হৈ তত্ত্ব গধুৰ বক্তব্য প্ৰদান কৰে প্ৰতিদিন টাইমৰ মৈৰাবাৰীৰ সাংবাদিক তাৰিকুল ইছলাম। আনহাতে বিদায়ী আৰক্ষী বিষয়া পঙ্কজ দাসৰ স্থলাভিষিক্ত হৈছে পৰিদৰ্শক নিকুঞ্জ বৰ্মন। নিকুঞ্জ বৰ্মনে বৃহস্পতিবাৰে দিনৰ ভাগত কৰ্তব্যত যোগদান কৰিয়েই নিশা দিছপুৰ থানা এলেকাত ডকাইতি কাৰ্যত জড়িত থকা এগৰাকী পলাতক আচামীক কৌশলেৰে কৰায়ত্ব কৰি দিছপুৰ আৰক্ষীক চমজাই দিয়ে। নিকুঞ্জ বৰ্মনৰ নেতৃত্বত অনাগত দিনত মৈৰাবাৰী অঞ্চলৰ পৰা অপৰাধ প্ৰৱণতা একেবাৰে নিৰ্মূল হ'ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

দহ লাখ টকা ব্যয়সাপেক্ষ বিযুৱা মঞ্চ প্ৰদান কৰাৰ কথা ঘোষণা কৰ্মেশ্বৰ ৰায়ৰ

# বিটিচিৰ ইএম কৰ্মেশ্বৰ ৰায়ক কোকৰাঝাৰৰ চালানি গাঁৱৰ ৰাইজৰ সম্বৰ্ধনা

**অসম বাৰ্তা, দোতমা, ১০ জানুৱাৰী ঃ** বিটিচি'ৰ Soil Conservation and Sericultureৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ক কোকৰাঝাৰ জিলাৰ চালানি গাওঁবাসী ৰাইজে সম্বৰ্ধনা জনায়। সেই বিশেষ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি ৰাইজৰ লগত বিভিন্ন দিশৰ ওপৰত মত-বিনিময় কৰে ইএম কৰ্মেশ্বৰ ৰায়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট যুৱ সমাজসেৱক ৰূপম ৰায়, AKRSUৰ সাংস্কৃতিক সম্পাদক গীৰেন ৰায়, চিলাৰায় সেনাৰ সেনাধ্যক্ষ ৰাজু কুমাৰ বৰ্মন, Youth BPFৰ সম্পাদক অলোক ৰায়কে আদি কৰি চালানি গাঁৱৰ বিশিষ্ট ব্যক্তিসকল। উল্লেখযোগ্য যে ইএম কৰ্মেশ্বৰ ৰায় কোচ ৰাজবংশী জনগোষ্ঠীৰ পৰা মনোনীত হোৱাৰ বাবে, বিশেষকৈ কোচ ৰাজবংশী জনগোষ্ঠীৰ মাজত এক আনন্দময় পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। কৰ্মেশ্বৰ ৰায় বিটিচিৰ পাৰিষদ হিচাপে মনোনীত হোৱাৰ দিনাই বিভিন্ন কোচ ৰাজবংশী দল সংগঠনে তেখেতৰ ঘৰত উপস্থিত হৈ সম্বৰ্ধনা জনোৱাকে আদি কৰি আজিলৈকে বিভিন্ন ঠাইত সম্বৰ্ধনা জনাই থকা পৰিলক্ষিত হৈছে। কেইদিনমান আগত দোতমা আঞ্চলিক আক্ৰাছু'ই সম্বৰ্ধনা জনোৱা আৰু তেখেতে সেই সম্বৰ্ধনা অনুষ্ঠানৰ পৰাই নিজৰ পুঁজিৰ পৰা দহ লাখ টকা ব্যয়সাপেক্ষ এটা কমিউনিটি হ'ল প্ৰদান কৰাৰ কথা ঘোষণা কৰা বাতৰি আমাৰ কাকতে প্ৰকাশ পাইছিল। একেদৰে আজি চালানি গাঁৱৰ ৰাইজৰ সুবিধাৰ্থে তেখেতে নিজৰ পুঁজিৰ পৰা দহ লাখ টকাৰ ব্যয়সাপেক্ষ বিযুৱা মঞ্চ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। লাহে লাহে কোচ ৰাজবংশী জনসাধাৰণৰ মাজত পাৰিষদগৰাকীৰ জনপ্ৰিয়তা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

❑ পাঁচখনকৈ আলোচনা চক্ৰ; কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত ❑

# ৰাজগড়ত 'আছা'ৰ আদিবাসী মহাসভা

**অসম বাৰ্তা, টিংখাং, ১০ জানুৱাৰী ঃ** "আদিবাসী জনগোষ্ঠীৰ লোকসকলে সপোন দেখিব লাগিব। আদিবাসী ছাত্ৰ-ছাত্ৰীয়ে স্পষ্টকৈ ডাঙৰ সপোন চাবলৈ প্ৰযত্ন হওক।" - ডিব্ৰুগড় জিলাৰ টিংখং-ৰাজগড় অঞ্চলৰ পিঠাপথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ উদ্যোগত অনুষ্ঠিত ২১ সংখ্যক আদিবাসী মহাসভাৰ এখন আলোচনা চক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে এনেদৰে কয়। মিণ্টু মিঞ্জুৰৰ সম্পাদনাত প্ৰকাশিত 'ফুলঙ্গী' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে ড° বুঢ়াগোহাঁইয়ে। ৮ জানুৱাৰীৰে পৰা পিঠাপথাৰত অনুষ্ঠিত হৈ থকা অসমৰ আদিবাসী জনগোষ্ঠীৰ সৰ্ববৃহৎ অনুষ্ঠান 'আদিবাসী মহাসভা'ৰ কালি পূৰ্ব ভাৰতী শৈক্ষিক ন্যাসৰ বিষয়ববীয়াদ্বয় বুলবুলি গোঁড় আৰু মনিষা তাঁতীয়ে গুণগত শিক্ষা সম্পৰ্কীয় আলোচনা চক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। কালিৰ আন এখন অনুসূচীকৰণ সম্পৰ্কীয় আলোচনা চক্ৰত গৱেষক, সাংবাদিক মিণ্টু মিঞ্জুৰ আৰু সমাজকৰ্মী বাৰ্ণা কিণ্ড'ই সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। আজি পুৱাৰ প্ৰথমখন ডিজিটেল ছিকিউৰিটি সম্পৰ্কীয় আলোচনা চক্ৰত ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ চাইবাৰ ক্ৰাইম বিভাগৰ বিষয়াসকলে সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি ডিজিটেল সুৰক্ষা আৰু চাইবাৰ ক্ৰাইম সম্পৰ্কত বিশদভাৱে কয়। কেৰিয়াৰ কাউন্সেলিং সম্পৰ্কীয় আলোচনা চক্ৰত কেৰিয়াৰ বিশ্লেষক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। মহিলা শ্ৰমিকৰ অধিকাৰ, লেবাৰ কোড শীৰ্ষক আলোচনা চক্ৰত চাহ বাগিচাৰ মহিলা শ্ৰমিকসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, মহাসভাখনিত আদিবাসী জনগোষ্ঠীৰ বিভিন্ন জাতি-জনজাতীয় সমাজ, সভাৰ সৈতে 'আছা'ই বিশেষ আলোচনাত মিলিত হৈ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। বিশেষকৈ অসমৰ আদিবাসী জনগোষ্ঠীয় লোকসকলক অনুসূচীৰ মৰ্যাদা, চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি, ভূমিৰ অধিকাৰ, চাহ শ্ৰমিকৰ অধিকাৰ সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লয়। কালিলৈ শেষৰ দিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে দুপৰীয়া মুকলি সভা 'আছা'ৰ সভাপতি গডউইন হেমৰমৰ পৰিচালনাত বিশিষ্ট গৱেষক, অধ্যাপক ড° প্ৰবীণ টপ্নই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বহুকেইটা দল-সংগঠনৰ নেতা আৰু শিক্ষাবিদ, সমাজকৰ্মীয়ে অতিথি ৰূপে অংশগ্ৰহণ কৰিব।

# বিহালীত নকল সোণসহ তিনি চোৰাং বেপাৰী আটক

**অসম বাৰ্তা, জিনজিয়া, ১০ জানুৱাৰী ঃ** আজি বিহালীৰ জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালিপুখুৰী অঞ্চলৰ পৰা আৰক্ষীয়ে ২২৭ গ্ৰাম নকল সোণসহ তিনিজন চোৰাং বেপাৰীক আটক কৰে। এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে এই সফলতা লাভ কৰে। জানিব পৰা মতে, লক্ষ্মীমপুৰ জিলাৰ পৰা AS-01-GH-1035 নম্বৰৰ হুণ্ডাই ক্ৰেটা বাহনত অহা তিনিজন লোক বিশ্বনাথ অঞ্চলত নকল সোণ বিক্ৰী কৰাৰ চেষ্টা চলাইছিল। এই তথ্য লাভ কৰাৰ পাছতে বিহালী জিনজিয়া আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান চলাই তেওঁলোকক আটক কৰে। আটক হোৱা ব্যক্তিসকল হৈছে লক্ষ্মীমপুৰ জিলাৰ ৰৌডাং বৰপথাৰৰ বাবুল ইছলাম (৩৬), বুঢ়ৈ চাহ বাগিছাৰ বিহালী লাইনৰ সুধীৰ তাঁতি (৪২) আৰু যোৰহাট জিলাৰ ৰজাবাৰী টোকলাইৰ দেৱজিৎ সাগৰ (৪২)। বৰ্তমান আৰক্ষীয়ে ধৃত তিনিজন নকল সোণ বেপাৰীক অধিক তথ্য উদ্ধাৰৰ উদ্দেশ্যে সোধ-পোছ অব্যাহত ৰাখিছে।

# জাঁজী নদীৰ অবৈধ মাটি-বালি খননৰ বিৰুদ্ধে শিৱসাগৰ জিলা বন বিষয়াক স্মাৰকপত্ৰ আছুৰ

**অসম বাৰ্তা, জাঁজী, ১০ জানুৱাৰী ঃ** জাঁজী নদীৰ অবৈধ মাটি আৰু বালিখননৰ বিৰুদ্ধে অৱশেষত জিলা বন বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰিলে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাই। উল্লেখযোগ্য যে বহুদিনৰ পৰা জাঁজী নদীৰ বুকুত একাংশ লোকে অবৈধভাৱে মাটি আৰু বালি খননৰ ফলত অঞ্চলটোলৈ ভাবুকি কঢ়িয়াই অনা বুলি অভিযোগ বহুদিনীয়া। আছুৰ স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে যে এনে অবৈধ খননৰ ফলত বিগত বৰ্ষৰ বাৰিষাৰ বানপানীৰ কবলত জাঁজী অঞ্চলৰ ম'ৰাবজাৰ, জকাইচুক, গধূলীবজাৰ মৌজাৰ অন্তৰ্গত ক্ৰমে লেফেৰা গাঁও, চাওদাং গাঁও, বৰুৱাকুৰি, বলমীয়া, গড়মূৰ বামুণ গাঁও, মৰাণ গাঁও, তামোলীছিগাকে প্ৰমুখ্য কৰি জাঁজী অঞ্চলৰ বহুকেইখন গাঁৱৰ কৃষিভূমি আৰু বাসগৃহ সমূহৰ বৃহৎ ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি এই মাটি খনন কৰা ব্যক্তিসকলে জাঁজী নদীৰ মূল সুঁতিপথত খনন কৰাত আগন্তুক বাৰিষা কালত জাঁজী নৈৰ পানী বাঢ়ি যোৱাৰ পৰিপেক্ষিতত বানপানীৰ ফলত মথাউৰি ভাঙি দাঁতিকাষৰীয়া অঞ্চলসমূহ ব্যাপকভাৱে ক্ষতিগ্ৰস্ত কৰাৰ সম্ভাৱনা আছে আৰু তামোলীছিগা মূল যাতায়ত পথ বন্ধ হৈ যোৱাক অধিক সম্ভাৱনা আছে। গতিকে আয়ুক্ত মহোদয়ে উক্ত বিষয়টোৰ ওপৰত ক্ষিপ্ৰতাৰে তদন্ত কৰি অতি শীঘ্ৰে উচিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ শইকীয়া আৰু সম্পাদক ৰোমানজ্যোতি বৰাৰ স্বাক্ষৰিত স্মাৰকপত্ৰ খনত দাবী জনোৱা হৈছে। যোৱা ৮ জানুৱাৰীত স্মাৰকপত্ৰ প্ৰদান কৰা সময়ত উপস্থিত আছিল সভাপতি অংকুৰ শইকীয়া, উপদেষ্টা বুটম দত্ত আৰু শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য নিপজ্যোতি বড়া।

এবছৰত আয় ৫৪ লাখ ৪৫ হাজাৰ টকা

# শ্ৰীশ্ৰী পদুমণি আইথান পৰিচালনা সমিতিৰ মধ্যকালীন সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১০ জানুৱাৰী ঃ** শ্ৰীশ্ৰী পদুমণি আইথান পৰিচালনা সমিতিৰ ২০২৪-২৫ বৰ্ষৰ মধ্যকালীন সাধাৰণ সভা আজি অনুষ্ঠিত হয়। লখিমপুৰ জিলাত অৱস্থিত আইথানৰ গৃহত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে আইথান পৰিচালনা সমিতিৰ সভাপতি হৰেণ দলেয়ে। ২০২৪ চনৰ নৱেম্বৰ মাহৰ পৰা গঠন হোৱা বৰ্তমানৰ পৰিচালনা সমিতিখনৰ এবছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে এই মধ্যকালীন সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাত শ্ৰীশ্ৰী পদুমণি আইথান পৰিচালনা সমিতিৰ সম্পাদক হিৰণ্য খনিকৰে সম্পাদকীয় প্ৰতিবেদন দাখিল কৰে। সম্পাদকে জনোৱা অনুসৰি, ১ নৱেম্বৰ ২০২৪ চনৰ পৰা ৩০ নৱেম্বৰ ২০২৫ তাৰিখলৈ আইথানৰ আয় হৈ প্ৰায় ৫৪ লাখ ৪৫ হাজাৰ টকা। তাৰে ব্যয় দেখুওৱা হৈছে প্ৰায় ৪০ লাখ ৬৮ হাজাৰ টকা। আইথান পৰিচালনা সমিতিৰ হাতত জমা আছে প্ৰায় ১৬ লাখ ৮১ হাজাৰ টকা। আনহাতে, আইথানৰ নামত থকা ভাৰতীয় ষ্টেট বেংকৰ লকাৰত ৭১ গ্ৰাম সোণ জমা কৰা হৈছে। বৰ্তমান এছ বি আইৰ লকাৰত জমা থকা সোণৰ পৰিমাণ ৪৮৩ গ্ৰাম। যোৱা এবছৰত আইথানৰ পায়সৰ গৃহৰ ওপৰ মহলাত চাৰিওকাষে ৰেলিং লগাই এটা স্থায়ী সভাকক্ষৰ লগতে অতিথিশালাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা, আইথানৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পুৰণি চিচি কেমেৰাৰ ঠাইত নতুনকৈ বহু ঠাইত চি চি কেমেৰা সংস্থাপন কৰা, আইথানৰ চৌহদত থকা শিৱ মন্দিৰ ভাগৰ নামঘৰটি নতুনকৈ নিৰ্মাণ কৰা, বলিশালত টাইলছ লগাই পানীৰ ব্যৱস্থা কৰা, পুৰণি লেট্ৰিন-প্ৰস্ৰাৱাগাৰত ৰং কৰি টাইলছ লগাই মেৰামতি কৰা, পুৰণি আইথান আৰু শিৱ মন্দিৰৰ সন্মুখভাগত পানীৰ ব্যৱস্থা কৰা, আইথানৰ নামত পানকাৰ্ড বনোৱা, আইথানৰ নামত থকা এছ বি আই একাউণ্ট পুঁজিৰ কিউ আৰ বনোৱা, আইথানখনৰ নাম চৰকাৰীভাৱে পঞ্জীয়ন কৰা, আইথানলৈ অহা বিভিন্ন ভক্তপ্ৰাণ ৰাইজৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি হিন্দী আৰু ইংৰাজীৰ অনুবাদেৰে "শ্ৰীশ্ৰী পদুমণি আইথানৰ সংক্ষিপ্ত ইতিবৃত্ত" শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰা আদি কাম-কাজৰ খতিয়ান দাঙি ধৰা হয়। কেইবাটাও ভৱিষ্যত পৰিকল্পনাও যুগুত কৰা হয়। আনহাতে, পৰিচালনা সমিতিৰ হিচাপ পৰীক্ষকদ্বয় চেনিৰঞ্জন পেগু আৰু ধন চুতীয়াই হিচাপ পৰীক্ষকৰ প্ৰতিবেদন দাখিল কৰে। হিচাপ পৰীক্ষকৰ প্ৰতিবেদনত কেইবাটাও আসোঁৱাহ উল্লেখ কৰি বহুকেইটা পৰামৰ্শ দাঙি ধৰা হয়। মধ্যকালীন সাধাৰণ সভাখনত অন্যান্য কেইবাটাও বিষয় আলোচনা হয়। ফটো আছে, প্ৰেৰক দিপ প্ৰতিম বৰা

তিনি শতাধিক গোটৰ সখিক লাভান্বিত কৰিলে বিধায়ক গণেশ কুমাৰ লিম্বুৱে

# ঢেকীয়াজুলিস্থিত বৰছলা সমষ্টিৰ বিধায়ক সেৱা কেন্দ্ৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১০ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলিস্থিত ৬৬নং বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক সেৱা কেন্দ্ৰত আজি গোটৰ সখী সকলৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত বিধায়ক গণেশ কুমাৰ লিম্বুৱে নিজ হাতে তিনিশতাধিক গোটৰ সখীক আঁচনিখনৰ চেক প্ৰদান কৰে। উল্লেখ্য যে যোৱা ২ জানুৱাৰী ২০২৬ তাৰিখে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মা শোণিতপুৰ জিলাৰ ঠেলামৰাত উপস্থিত হৈ ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ গোটৰ মহিলা সকলৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিছিল। কিন্তু বিভিন্ন কাৰণবশতঃ সেইদিনা কিছুমান গোটৰ সখি চেক লাভৰ পৰা বঞ্চিত হৈছিল। সেই বঞ্চিত সখি সকলক আঁচনিখনৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে আজি ঢেকীয়াজুলিৰ বিধায়ক সেৱা কেন্দ্ৰত পৃথকভাৱে এই চেক বিতৰণ অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক গণেশ কুমাৰ লিম্বুৱে কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি অসমৰ মহিলা সকলক স্বাৱলম্বী কৰি তোলাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই আঁচনিয়ে গোটৰ সখি সকলক নিজৰ উদ্যোগ আৰম্ভ কৰিবলৈ সাহস আৰু আৰ্থিক শক্তি যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। লগতে তেওঁ কয় যে আগন্তুক দিনতো চৰকাৰে মহিলা সকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এনে বহু কল্যাণমূলক আঁচনি গ্ৰহণ কৰিব। আজিৰ উক্ত চেক বিতৰণ অনুষ্ঠানত বিধায়ক গণেশ কুমাৰ লিম্বুৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ ঠেলামৰা মণ্ডলৰ সভাপতি জীৱন পাঠক, ঠেলামৰা জিলা পৰিষদৰ সদস্য শিৱ চৰণ চাহু আৰু বিজেপি দলৰ বহু সংখ্যক কাৰ্যকৰ্তা উপস্থিত থাকে। অনুষ্ঠানটোত উপস্থিত গোটৰ সখি সকলেও চৰকাৰ আৰু বিধায়ক গণেশ কুমাৰ লিম্বুৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

মনীষা হাজৰিকালৈ 'গণশিল্পী' আৰু বিপুল চেতিয়া ফুকনলৈ 'অসম কণ্ঠ' বঁটা প্ৰদান

# অসম উন্নয়ন পৰিষদৰ একবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ জানুৱাৰী ঃ** অসমৰ এক জাতীয় সংগঠন 'অসম উন্নয়ন পৰিষদ'ৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস শুক্ৰবাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰাম প্ৰেক্ষাগৃহত যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সফলতাৰে সম্পন্ন হৈ যায়। এই অনুষ্ঠানত ৰাজ্যৰ সাংস্কৃতিক জগতৰ দুই বিশিষ্ট শিল্পীক মৰ্যাদাপূৰ্ণ বঁটাৰে সন্মানিত কৰা হয়। শুক্ৰবাৰে দুপৰীয়া ১ঃ০০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত প্ৰদান কৰি অহা "গণশিল্পী" বঁটাটি ২০২৬ বৰ্ষৰ বাবে অসমৰ বিশিষ্ট সংগীত শিল্পী মনীষা হাজৰিকাক প্ৰদান কৰা হয়। বঁটা ঘোষণা কৰি পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰে কয় যে মনীষা হাজৰিকাই নিজৰ নিষ্ঠাৰে অসমীয়া সংস্কৃতিক যি মাত্ৰা প্ৰদান কৰিছে, সেয়া অতুলনীয়। আনহাতে,



অসমীয়াৰ আৱেগ জুবিন গাৰ্গৰ স্মৃতিত পৰিষদে এইবাৰৰ পৰা নৱ-প্ৰৱৰ্তিত "অসম কণ্ঠ" চলন্ত বঁটাটি (প্ৰথম বৰ্ষ) বিশিষ্ট কণ্ঠশিল্পী বিপুল চেতিয়া ফুকনক প্ৰদান কৰা হয়। বঁটাটি অৰ্পণ কৰি পৰিষদৰ সাধাৰণ সম্পাদক চন্দন বৰদলৈয়ে ভাষণ প্ৰসংগত কয় যে "জুবিন গাৰ্গ আমাৰ বাবে কেৱল এজন শিল্পী নহয়, তেওঁ অসমীয়াৰ এক বলিষ্ঠ আৱেগ। তেওঁৰ আদৰ্শক জীয়াই ৰখাৰ লক্ষ্যৰেই বিপুল চেতিয়া ফুকনৰ দৰে এজন দক্ষ শিল্পীক এই বঁটা প্ৰদান কৰি আমি ধন্য হৈছোঁ।" বঁটা দুটিত সন্মানস্বৰূপে নগদ ৩১, ০০০ টকা, মানপত্ৰ, শৰাই আৰু অংগবস্ত্ৰ প্ৰদান কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা শিশুসকলৰ মাজত এক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু বিজয়ীসকলক বঁটা বিতৰণ কৰা হয়। উদযাপন সমিতিৰ সভাপতি সমাজ বন্ধু সাজন ভুএগ আৰু সম্পাদক জিণ্টু ডেকাই অনুষ্ঠানটোত উপস্থিত থকা সকলো বিশিষ্ট ব্যক্তি আৰু ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ভূপেন হাজৰিক দেৱৰ পৰিয়ালৰ সদস্যৰ লগতে ৰাজ্যৰ বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। শেষত, পৰিষদৰ সাধাৰণ সম্পাদক চন্দন বৰদলৈয়ে ভাষণত অসমৰ খিলঞ্জীয়া লোকৰ অস্তিত্ব ৰক্ষা আৰু জাতীয় সমন্বয়ৰ ওপৰত এক উদাত্ত ভাষণ আগবঢ়ায়। আগন্তুক দিনবোৰত পৰিষদে অসমৰ জাতীয় স্বাৰ্থত আৰু অধিক সক্ৰিয়তাৰে কাম কৰি যাব বুলি বৰদলৈয়ে নিজৰ ভাষণত উল্লেখ কৰে।

# মৰিগাঁৱত আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থা আৰু শাখা লেখিকা সংস্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১০ জানুৱাৰী ঃ** আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটো কালি চৰাইবাহীৰ বেজবৰুৱা আদৰ্শ মাধ্যমিক বিদ্যালয়ত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰে ক্ৰমে আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি ৰীণা ৰাণী শইকীয়াই আৰু আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি মাখনী বৰাই। ইয়াৰ পিছতে আইদেউ সন্দিকৈ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে বেজবৰুৱা আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মীনা দেৱী, বেজবৰুৱা শিশু পুথিভঁড়ালৰ কাৰ্যকৰী



সভানেত্ৰী ৰোহিনী দেৱী, লেখিকা কুমকুম মহন্ত, কল্পনা শৰ্মা, অনিতা পাঠকে। দুপৰীয়াৰ ভাগত 'শিশুৰ সুস্থ বৌদ্ধিক বিকাশত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা' শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰখন উদ্বোধন কৰে মায়ঙৰ মিনাৰ্ভা একাডেমীত শিক্ষয়িত্ৰী মীনা কুমাৰী বৰুৱাই। আলোচক হিচাপে অংশগ্ৰহণ কৰি চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথ আৰু লেখিকা মৃণালিনী দেৱীয়ে ধাৰ্য বিষয়বস্তুৰ ওপৰত সাৱলীল বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ বিতৰণ কৰা হয়। অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ সম্পাদক কল্পনা শৰ্মাই আৰু শেষত শলাগৰ শৰাই আগবঢ়ায় আইদেউ সন্দিকৈ শাখা লেখিকা সমাৰোহৰ সম্পাদিকা অনিতা পাঠকে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পেলোৱা হয়।

বৃহৎ পৰিমাণৰ সন্দেহজনক হেৰোইনসহ এজনক গ্ৰেপ্তাৰ

# হালোৱাটিং আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে বিশেষ সফলতা

**অসম বাৰ্তা, আমগুৰি, ১০ জানুৱাৰী ঃ** শিৱসাগৰৰ জিলাৰ অন্তৰ্গত হালোৱাটিঙত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে এক অভিযান চলাই বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে। বিশেষ সূত্ৰৰ তথ্যৰ আধাৰত আজি দিনৰ প্ৰায় ১.৩০ বজাত হালোৱাটিং বজাৰৰ সমীপত আৰক্ষীৰ এক বিশেষ নাকা তালাচী অভিযান চলায়। অভিযানৰ সময়ত আৰক্ষীয়ে এখন স্কুটিৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহজনক হেৰ'ইনসহ এজন ব্যক্তিক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি, নাকা তালাচীত আটক কৰা ব্যক্তিজনৰ নাম মঃ নুৰুদ্দিন আলী ওৰফে লাডেন। তেওঁ হালোৱাটিঙৰ নেপালী বস্তিৰ বাসিন্দা বুলি জানিব পৰা গৈছে। নাকা তালাচী চলোৱাৰ সময়ত আৰক্ষীয়ে এএচ ০৪ ৱাই ৭০৮১ নম্বৰৰ এখন স্কুটি পৰীক্ষা কৰি স্কুটিৰ ভিতৰত সাজি থোৱা এটা ছিক্ৰেট চেম্বাৰৰ পৰা মুঠ পাঁচটাকৈ চাবোন বাকচত পেকেট কৰা সন্দেহজনক হেৰ'ইনখিনি উদ্ধাৰ কৰে। আৰক্ষীৰ মতে, জব্দ কৰা বাকচসহ সামগ্ৰীৰ মুঠ ওজন ২০২.১৩ গ্ৰাম আৰু বাকচ বাদ দি ৭১.৫৪ গ্ৰাম বুলি জানিব পৰা গৈছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে অভিযুক্ত মঃ নুৰুদ্দিন আলী ওৰফে লাডেনক আটক কৰি তদন্ত আৰম্ভ কৰিছে। এই ড্ৰাগছ সৰবৰাহৰ লগত জড়িত আন ব্যক্তি অথবা নেটৱৰ্কৰ সন্ধানত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন